# জ্যোতিপ্ৰসাদ আৰু নজৰুলৰ কবিতাত দেশাত্মবোধ

অজিত প্ৰসাদ শৰ্মা

প্ৰজ্ঞান প্ৰকাশন

**JYOTI PRASAD ARU NAZRULAR**
**KOBITAT DESHATMABODH**
*Written in Assamese by Ajit Prasad Sarma, Assistant Professor, Dispur College & published by Prajnan Prakashan, Damdama Kulhati-781104.*
*First Edition: February,2021. Price : 120.00 only*

ISBN : 978-81-947230-0-4

**প্ৰথম প্ৰকাশ**
ফেব্ৰুৱাৰী, ২০২১
**প্ৰকাশক**
প্ৰজ্ঞান প্ৰকাশন, দমদমা, কুলহাটী
**© লেখক**
**বেটুপাত, অংগসজ্জা আৰু অলংকৰণ**
মুনীন্দ্ৰ মহন্ত
**মূল্য**
এশ বিশ টকা (১২০.০০)
**মুদ্ৰণ**
মিছন এজ প্ৰিণ্টাৰ্ছ, দমদমা, কুলহাটী
৯৯৫৪৯-৪৭৪০৮

শৈশৱৰে পৰা ধেমালিৰে মৰমেৰে
যিগৰাকীয়ে মোক আদিপাঠ শিকালে, সেইগৰাকী
মোৰ শ্ৰদ্ধাৰ আইতা প্ৰয়াত ভৱানী দেৱীৰ পবিত্ৰ স্মৃতিত
গ্ৰন্থখনি অৰ্পণ কৰিলোঁ।

**—অজিত (বুলবুল)**

# প্ৰকাশকীয়

দিছপুৰ মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ সহকাৰী অধ্যাপক অজিত প্ৰসাদ শৰ্মাই গুৱাহাটী বিশ্ববিদ্যালয়ৰ আধুনিক ভাৰতীয় ভাষা বিভাগৰ এম. ফিল. (অসমীয়া) ডিগ্ৰীৰ আংশিক প্ৰয়োজন পূৰ্তিৰ বাবে প্ৰদত্ত এখনি গৱেষণা গ্ৰন্থ প্ৰস্তুত কৰিছিল। তাৰেই ফলস্বৰূপে শৰ্মাদেৱে *জ্যোতিপ্ৰসাদ আৰু নজৰুলৰ কবিতাত দেশাত্মবোধ* শীৰ্ষক গ্ৰন্থখনি সংযোজন সংবৰ্ধনৰ জৰিয়তে প্ৰণয়ন কৰি উলিয়াইছে।

ইতিমধ্যে অধ্যাপক অজিত প্ৰসাদ শৰ্মাই অসমৰ আগশাৰীৰ বিভিন্ন গ্ৰন্থ-আলোচনীত বহুখিনি বিদ্যায়তনিক আৰু গৱেষণালব্ধ ৰচনাৰে অসমীয়া সাহিত্যৰ ভঁড়াল সমৃদ্ধ কৰিছে। লগতে তেখেতে অসমীয়া সাহিত্যৰ বহুকেইখন মূল্যবান গ্ৰন্থ-আলোচনী দক্ষতাৰে সম্পাদনা কৰি বিদ্বত মহলৰ দৃষ্টি আকৰ্ষণ কৰিবলৈও সক্ষম হৈছে। প্ৰস্তুত গ্ৰন্থখনিত গভীৰ অধ্যয়ন, চিন্তা-চৰ্চা আৰু গৱেষণামূলক মননশীল আলোচনাৰে বিশেষভাবে জ্যোতিপ্ৰসাদ আৰু নজৰুলৰ কবিতাত দেশাত্মবোধৰ মতাদৰ্শ সুন্দৰকৈ আৰু শক্তিশালীভাবে উপস্থাপন কৰিবলৈ প্ৰয়াস

কৰিছে।

এগৰাকী চিন্তাশীল লেখক, সমলোচক অজিত প্ৰসাদ শৰ্মাই অক্লান্ত পৰিশ্ৰম কৰি এই গ্ৰন্থখনিত পাণ্ডিত্যপূৰ্ণ আলোচনা আগবঢ়াইছে। গ্ৰন্থখনিৰ জৰিয়তে অসমীয়া জাতীয় জীৱনৰ লগত গৌৰৱবোধ কৰা সমস্তজনৰ লগতে মহাবিদ্যলয়, বিশ্ববিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলেও বিশেষভাৱে উপকৃত হ'ব পাৰিব।

অধ্যাপক শৰ্মাৰ এনে এখন অতীব মূল্যবান গ্ৰন্থ প্ৰকাশ কৰি সহৃদয় ৰাইজলৈ আগবঢ়াই আমি নিজেও গৌৰৱ অনুভৱ কৰিছোঁ। আশা কৰোঁ পঢ়ুৱৈ সমাজৰ পৰা গ্ৰন্থখনিয়ে আশাতীতভাবে সমাদৰ লাভ কৰিলে লেখকৰ লগতে প্ৰকাশকৰো শ্ৰম সাৰ্থক হোৱা বুলি অনুভৱ কৰিম।

প্ৰজ্ঞান প্ৰকাশন **মুনীন্দ্ৰ মহন্ত**
দমদমা, কুলহাটী— ৭৮১১০৪

# কৃতজ্ঞতা

গ্ৰন্থখনি প্ৰকাশৰ ক্ষেত্ৰত যিসকল ব্যক্তিয়ে উৎসাহ, অনুপ্ৰেৰণা যোগাই আমাক অনুগৃহীত কৰিলে তেওঁলোকৰ ভিতৰত পুজনীয় মা-দেউতা, অসম সাহিত্য সভাৰ প্ৰধান সম্পাদক অগ্ৰজ ড° উপেন্দ্ৰজিৎ শৰ্মা, কামৰূপ জিলা সাহিত্য সভাৰ সম্পাদক অগ্ৰজ বন্ধু ৰজনী শালৈ, প্ৰজ্ঞান প্ৰকাশনৰ স্বত্বাধিকাৰী অগ্ৰজ মুনীন্দ্ৰ মহন্ত, পত্নী মণিদ্বীপা, পুত্ৰ দ্ৰোণ আৰু কন্যা কুঁহিলৈ কৃতজ্ঞতা যাচিছোঁ।

**অজিত প্ৰসাদ শৰ্মা**

# উপোদ্‌ঘাত

তুলনামূলক সাহিত্য হৈছে বিভিন্ন সাহিত্য অধ্যয়ন বিচাৰৰ দৃষ্টিভংগী বিশেষ। এই তুলনামূলক সাহিত্যৰ অধ্যয়নেই এখন দেশৰ সাহিত্যৰ ভেটিত গজি উঠা সাহিত্যৰ বিভিন্ন দিশে কিমানদূৰ প্ৰসাৰিত ৰূপ লাভ কৰিছে তাক পুংখানুপুংখ ৰূপে চাবলৈ যত্ন কৰে। ঊনবিংশ শতিকাৰ পৰাই এই তুলনামূলক সাহিত্য অধ্যয়ন বিষয়টোৱে পাশ্চাত্য সাহিত্যত একক অধ্যয়ন বিশেষ ৰূপ হিচাপে নিজৰ অস্তিত্ব ঘোষণা কৰিছে। অৱশ্যে ভাৰততো ঊনবিংশ শতিকাৰ শেষৰফালে এই তুলনামূলক সাহিত্য অধ্যয়নৰ প্ৰাসংগিকতাৰ সৃষ্টি হৈছিল যদিও বিংশ শতিকাৰ পৰাহে এই অধ্যয়ন পদ্ধতিয়ে ভাৰতত স্বতঃপ্ৰণোদিতভাৱে বিস্তাৰ লাভ কৰিবলৈ ধৰে। ১৯৫৬ চনত বুদ্ধদেৱ বসুৱে যাদৱপুৰ বিশ্ববিদ্যালয়ত তুলনামূলক সাহিত্য অধ্যয়ন বিষয়টোকে সংযোজন কৰাৱে পৰা ভাৰতত তুলনামূলক সাহিত্য অধ্যয়নৰ দুৱাৰ খোল খায়।

বৰ্তমান বিশ্বায়ন (Globalisation)ৰ যুগ। গোটেই পৃথিৱীকে এই বিশ্বায়নে একেলগ কৰি পেলোৱাৰ সংকল্প লৈছে। বৰ্তমান বিজ্ঞান আৰু প্ৰযুক্তি বিদ্যাৰ প্ৰসাৰৰ লগে লগে সাহিত্যৰ চিন্তা-চৰ্চাৰো পৰিৱৰ্তন হৈছে। যিদৰে বিজ্ঞান আৰু প্ৰযুক্তি বিদ্যাই ন-ন আৱিষ্কাৰেৰে বিশ্বায়নৰ সময়ত এক নতুনত্ব আনিব বিচাৰিছে, সেইদৰে সাহিত্যয়ো বৰ্তমান কেতবোৰ নতুন নতুন দৃষ্টিভংগী গ্ৰহণ কৰি অধ্যয়ন, গৱেষণা আদিৰ ক্ষেত্ৰত যুগৰ অনুকূলে নৱসৃষ্টিৰ পাতনি মেলিছে। এতিয়া চাৰিওফালে তুলনামূলক সাহিত্যৰ অধ্যয়ন প্ৰসংগই হৈছে সবাতোকৈ চৰ্চিত বিষয়। এই তুলনামূলক সাহিত্য অধ্যয়ন পদ্ধতিয়ে দুই ভিন্ন দেশী সাহিত্যিকৰ সাহিত্য সৃষ্টিক এক নতুন দৃষ্টিৰে চাই সেই ভিন্ন দেশী সাহিত্যিকৰ সাহিত্য-প্ৰতিভা আৰু কৰ্ম-প্ৰতিভা আলোচনাৰ উপৰিও এই তুলনামূলক সাহিত্য অধ্যয়নৰ

দ্বাৰা সাহিত্যৰ মাজেৰে সাহিত্যিকৰ জীৱন-দৰ্শন আৰু লগতে সামাজিক, ৰাজনৈতিক, সাংস্কৃতিক, ভৌগোলিক আদি দিশৰ প্ৰতিও সমীক্ষা কৰিবলৈ সুবিধা হৈছে।

পাশ্চাত্যৰ দৰে ভাৰততো বিশেষকৈ অসমতো তুলনামূলক সাহিত্য অধ্যয়নৰ বিশেষ প্ৰয়োজন অনুভৱ হৈছে। বৰ্তমান অসমত তুলনামূলক সাহিত্যৰ ধাৰণাতো তেনেই চালুকীয়া অৱস্থা। অসমত তুলনামূলক সাহিত্যৰো কোনো বিশেষ পদক্ষেপ বৰ্তমানলৈ দৃষ্টিগোচৰ হোৱা নাই। সেইবাবে অসম আৰু বংগ দেশৰ দুই প্ৰতিনিধিস্থানীয় কবি জ্যোতিপ্ৰসাদ আগৰৱালা আৰু নজৰুল ইছলামৰ কবিতাত দেশাত্মবোধ সম্পৰ্কে তুলনামূলক আলোচনা কৰাৰ প্ৰচেষ্টা কৰা হৈছে। অৱশ্যে অসম আৰু বংগত ইংৰাজৰ সাম্ৰাজ্যবাদী শাসনত অতীষ্ঠ হৈ এচামে স্বাধীনতা বিচাৰি আন্দোলন গঢ়ি তুলিলে। এই আন্দোলনৰ ফলতো এচাম সাহিত্যিক কবিৰ কবিতাত দেশাত্মবোধৰ প্ৰতিফলন ঘটিল। আমাৰ আলোচ্য অধ্যায়ত উক্ত কবিসকলৰ কবিতাত কিদৰে দেশাত্মবোধ প্ৰকাশিত হ'ল আৰু এই দেশাত্মবোধে অসম আৰু বংগত কি ধৰণৰ প্ৰভাৱ বিস্তাৰ কৰিলে সেই সম্পৰ্কে আলোচনা কৰা হৈছে।

জ্যোতিপ্ৰসাদ আগৰৱালা আৰু নজৰুল ইছলাম পৰাধীন ভাৰতৰ দুই প্ৰতিবেশী ৰাজ্যৰ প্ৰতিনিধিস্থানীয় কবি। দেশাত্মবোধৰ ধাৰণা দুয়োগৰাকী কবিৰ কবিতাত আৰম্ভণিৰে পৰা লক্ষ্য কৰা যায়। জ্যোতিপ্ৰসাদ আগৰৱালা আৰু নজৰুল ইছলাম জাতীয় সচেতন কবি। দুয়োগৰাকী কবিৰ কাব্যিক সমল হৈছে মানুহ। সৰ্বসাধৰণ মানুহৰ দুখ দৈন্যতা তথা পুঁজিপতি শোষকসকলৰ চৰম অত্যাচাৰ দুয়োগৰাকী কবিৰ বিষয়বস্তু।

বিংশ শতিকাৰ প্ৰায় দ্বিতীয় দশকৰ পৰা কবিতা, নাটক, গীত আদিৰ অসমত এক নব্য আধুনিকতাৰ সূচনা কৰা জ্যোতিপ্ৰসাদৰ বিপৰীতে নজৰুলেও প্ৰায় সম-সাময়িক সময়ৰ পৰাই বংগদেশত কবিতা, গীত, উপন্যাস, নাটক আদিৰে নব্যানুভূতিৰ সঞ্চাৰ কৰিছিল। বিংশ শতিকাত অসম আৰু বংগ দেশত স্বাধীনতা আন্দোলনৰ যি উত্তপ্ত পৰিবেশ, সেই সময়তে জ্যোতিপ্ৰসাদ আগৰৱালা আৰু নজৰুল ইছলামে নিজৰ নিজৰ সৃষ্টিৰ মহিমাৰে বিশেষকৈ কবিতাৰ মাজেৰে অসম

আৰু বংগৰ মানুহৰ মনত দেশাত্মবোধৰ অনল শিখা জ্বলাই তুলিছিল।

জ্যোতিপ্ৰসাদে তেওঁৰ নাটক 'লভিতা'ত নায়িকা লভিতাৰ মুখেৰে নায়ক গোলাপক কটাক্ষ কৰি কৈছে— 'যি ডেকাৰ অন্তৰত বিপ্লৱৰ জুই জ্বলা নাই, সি আজিৰ দিনৰ ডেকা হ'বই নোৱাৰে"।[১] এই উক্তিয়ে প্ৰমাণ কৰে জ্যোতিপ্ৰসাদৰ অন্তৰত পুঞ্জীভূত হৈ থকা স্বদেশানুৰাগৰ মহান ভাবধাৰা। এই ভাৱধাৰা তেওঁৰ কবিতাৰ মাজতো বিপ্লৱী সুৰ এইদৰে গুঞ্জিত হৈ আছে ঃ

"ৰূপান্তৰৰ মই
যুগান্তৰৰ মই
ভাৰতৰ
জগতৰ
বিদ্ৰোহী বীৰ্য্য
বিপ্লৱে বিপ্লৱে
বিজুলী বজ্ৰ হানি
সু-ঘোষিত কৰি যাওঁ অগ্নিতুৰ্য্য।"

*(চিৰ বিদ্ৰোহী ১)*

ঠিক একেদৰেই বাংলা কবি নজৰুল ইছলামেও প্ৰায় বিংশ শতিকাৰ দ্বিতীয় দশকৰ পৰা কবিতা, গীত, নাটক আদিৰ ক্ষেত্ৰত এক নতুন চানেকি দিছিল। বংগ দেশত নজৰুল ইছলামৰ আবিৰ্ভাৱৰ পূৰ্বতে প্ৰকাশ্যে গণজাগৰণৰ ক্ষেত্ৰ প্ৰস্তুত হোৱা নাছিল বুলিব পাৰি। যাৰ কাৰণে নজৰুল ইছলামৰ আবিৰ্ভাৱে ৰবীন্দ্ৰ নাথ ঠাকুৰৰ প্ৰতিভাকো স্তিমিত কৰি দিছিল। নজৰুলে প্ৰত্যক্ষভাৱে জনসাধাৰণক বিপ্লৱী কাব্যিক বাণীৰে জগাই তুলিবলৈ চেষ্টা কৰিছিল। তেওঁ হিন্দু-মুছলমান সকলোকে সমদৃষ্টিৰে বিপ্লৱৰ বাণীৰে উদ্বুদ্ধ কৰিছিল। সেয়ে তেওঁক হিন্দু-মুছলমানৰ মিলিত বাংলাৰ কবি বুলি কোৱা হয়। কবিৰ দৃষ্টিত হিন্দু-মুছলমানৰ ধাৰণা এনেধৰণৰ ঃ

"একই বৃন্তে দুটি কুসুম হিন্দু-মুছলমান,
মুছলিম তাৰ নয়নমণি, হিন্দু তাহাৰ প্ৰাণ।"

*(গীত)*

নজৰুল ইছলামে তেওঁৰ ‘অগ্নিবীণা’ কাব্যগ্ৰন্থত সন্নিবিষ্ট কবিতা ‘বিদ্ৰোহী’ত তেওঁৰ অন্তৰৰ বিপ্লৱী অগ্নিময়বাণী এইদৰে ঘোষণা হৈছে ঃ

“আমি পৰশুৰামেৰ কঠোৰ কুঠাৰ,
নিঃক্ষত্ৰিয় কৰিব বিশ্ব, আনিব শান্তি শান্ত উদাৰ!
আমি হল বলৰাম-স্কন্ধে,
আমি উপাড়ি ফেলিব অধীন বিশ্ব অবহেলে নৱসৃষ্টিৰে মহানন্দে।
মহা বিদ্ৰোহী ৰণকান্ত
আমি সেইদিন হব শান্ত,
যবে উৎপীড়িতেৰ ক্ৰন্দন ৰোল আকাশে বাতাসে ধ্বনিবে না,
অত্যাচাৰীৰ খড়্গ কৃপাণ ভীম ৰণভূমে
ৰণিবে না—
বিদ্ৰোহী ৰণক্লান্ত।”

*(বিদ্ৰোহী)*

জ্যোতিপ্ৰসাদ আৰু নজৰুল ইছলাম যিহেতু মানুহৰ কবি গতিকে মানুহৰ বিশেষকৈ স্বাধীনতাকামী মানুহৰ হিত অধিকাৰ উদ্ধাৰ দুয়োগৰাকী কবিৰ সাধনা।■

# বিষয়-সূচী

জ্যোতিপ্ৰসাদ আগৰৱালা আৰু নজৰুল ইছলামৰ
জীৱন কৃতিৰ পৰিচয় ■। ১৫
দেশাত্মবোধক কবিতাৰ পটভূমি
অসম আৰু বংগদেশ ■। ৩২
জ্যোতিপ্ৰসাদ আগৰৱালা আৰু নজৰুল ইছলামৰ
দেশাত্মবোধক কবিতাৰ বিশ্লেষণ ■। ৪১
জ্যোতিপ্ৰসাদ আগৰৱালা আৰু নজৰুল ইছলামৰ
দেশাত্মবোধক কবিতাৰ তুলনামূলক অধ্যয়ন ■। ৬২
জ্যোতিপ্ৰসাদ আগৰৱালা আৰু নজৰুল ইছলামৰ
কবিতাৰ কাব্যিক সৌন্দৰ্য ■। ৮৪

# জ্যোতিপ্ৰসাদ আগৰৱালা আৰু নজৰুল ইছলামৰ জীৱন-কৃতিৰ পৰিচয়

জ্যোতিপ্ৰসাদ আগৰৱালা আৰু নজৰুল ইছলাম ভাৰতৰ দুই প্ৰতিবেশী ৰাজ্য অসম আৰু বংগৰ প্ৰতিনিধিস্থানীয় কবি। দুয়োগৰাকী কবিৰ জন্ম প্ৰায় সমসাময়িক। জ্যোতিপ্ৰসাদৰ জন্ম হয় ১৯০৩ চনত আৰু নজৰুল ইছলামৰ জন্ম হয় জ্যোতিপ্ৰসাদৰ প্ৰায় চাৰি বছৰ আগত। দুয়োগৰাকী কবিৰ জন্ম সমসাময়িক হ'লেও দুয়োজনৰ পৰিবেশ সুকীয়া। জ্যোতিপ্ৰসাদ আগৰৱালাৰ পাৰিবাৰিক অৱস্থা আছিল যথেষ্ট উন্নত। গতিকে তেওঁ আৰ্থিক অনাটনৰ মুখামুখি হ'ব লগা হোৱা নাছিল। কিন্তু নজৰুল ইছলামৰ অৱস্থা অতি শোচনীয়। গতিকে সৰুৰে পৰাই নজৰুলে আৰ্থিক অনাটন, ক্ষুধাৰ তাড়না সহিবলগীয়া হৈছিল।

যিটো সময়ত জ্যোতিপ্ৰসাদ আগৰৱালাই ভাৰতৰ স্বাধীনতা আন্দোলনত একাত্ম হৈ পৰিছিল, সেই সময়ত নজৰুল ইছলামে পৰিয়ালৰ ক্ষুধা নিবাৰণৰ বাবে ব্যৱস্থা গ্ৰহণ কৰিবলগীয়া হৈছিল। জ্যোতিপ্ৰসাদ আগৰৱালাই অৱশ্যে মানুহৰ অৰ্থনৈতিক শোষণ, দুখ-দৈন্যতা দেখি বিপ্লৱী হৈ উঠিছিল। নজৰুলে আকৌ নিজেই এনে পৰিৱেশৰ মুখামুখি হ'ব লগা হৈছিল। যাৰ বাবেই তেওঁ অধিক উত্তেজিত হৈ উঠিছিল আৰু তেওঁৰ বাণীত প্ৰচণ্ড বিদ্ৰোহ ঘোষিত হৈছিল। জ্যোতিপ্ৰসাদ আগৰৱালাও নজৰুল ইছলামৰ দৰেই মানুহৰ কবি। মানুহৰ অৰ্থাৎ পৰাধীন ভাৰতবৰ্ষৰ প্ৰতিজন মানুহৰ স্বাৰ্থ সিদ্ধি দুয়োজন কবিৰেই কাম্য।

দুয়োগৰাকী কবিৰ দেশাত্মবোধক কবিতাৰ তুলনামূলক আলোচনাৰ প্ৰাক্‌মুহূৰ্তত দুয়োজনেৰে জীৱন আৰু কৃতি সম্পৰ্কে আলোচনা কৰাটো প্ৰয়োজন বুলি বিবেচনা কৰা হৈছে। দুজন কবিৰ কাব্যিক কৰ্মৰাজিৰ বিষয়ে জনাৰ আগতে কবি দুজনৰ জীৱন আৰু সাহিত্যকৃতিৰ আলোচনা অপৰিহাৰ্য।

## জ্যোতিপ্ৰসাদ আগৰৱালাৰ জীৱন আৰু কৃতি

**বংশ পৰিচয় ঃ**

জ্যোতিপ্ৰসাদ আগৰৱালাই ঊনবিংশ শতিকাত ৰাজস্থানৰ ৰাজপুতনাৰ পৰা অসমলৈ আহি হাড়ে-হিমজুৰে অসমীয়া হৈ পৰা এটি মাৰোৱাৰী পৰিয়ালত জন্ম গ্ৰহণ কৰিছিল। ৰাজপুতনাৰ পৰা অসমলৈ অহা জ্যোতিপ্ৰসাদৰ উপৰিপুৰুষজনা আছিল নৱৰংগৰাম আগৰৱালা। ৰাজপুতনাৰ জমিদাৰসকলে নৱৰংগৰাম আগৰৱালাৰ পৰিয়ালৰ ওপৰত চলোৱা নানা অত্যাচাৰ আৰু শোষণৰ বাবে তেওঁ সেই ঠাই পৰিত্যাগ কৰি ঊনবিংশ শতিকাত অসমমুখী হয়।[২] অসমলৈ আহি নৱৰংগৰাম গোৱালপাৰাত থাকিবলৈ লয়। তেওঁ গোৱালপাৰাৰ পৰা পোনে পোনে বিশ্বনাথলৈ এগৰাকী গোমোস্তা ৰূপে আহি এখন মাৰোৱাৰী ফাৰ্মত কাম কৰে আৰু কিছুদিন তাত থকাৰ পিছত বিশ্বনাথৰ পৰা বিশ কিলোমিটাৰ দূৰৰ গমিৰি নামৰ গাঁৱত নিগাজিকৈ থাকিবলৈ লয়। নৱৰংগৰাম আগৰৱালাই গমিৰিতেই এই অঞ্চলৰ ৰাজখোৱা পৰিয়ালৰ জীয়ৰী সাদৰী ৰাজখোৱাক বিয়া কৰায়।

১৮৪২ চনত এই সাদৰী ৰাজখোৱাৰ গৰ্ভত হৰিবিলাস আগৰৱালাৰ জন্ম হয়। নৱৰংগৰাম আগৰৱালাৰ প্ৰথমা পত্নীৰ মৃত্যু হোৱাত পুনৰ ব্ৰহ্মজানৰ শইকীয়া পৰিয়ালৰ সোণপাহী শইকীয়াক দ্বিতীয় পত্নী হিচাপে গ্ৰহণ কৰে। সোণপাহী শইকীয়াৰ গৰ্ভতো সন্তানৰ জন্ম হৈছিল, কিন্তু হৰিবিলাস আগৰৱালাহে নৱৰংগৰাম আগৰৱালাৰ সুযোগ্য উত্তৰাধিকাৰী হ'ব পাৰিছিল। হৰিবিলাস আগৰৱালাই সাংসাৰিক জীৱনত আগবাঢ়ি গহপুৰৰ হাজৰিকা বংশৰ ভোগেশ্বৰ হাজৰিকাৰ জীয়েকক বিয়া কৰায়। তেওঁৰ এই সাংসাৰিক জীৱনৰ স্মৃতিস্বৰূপে জন্ম হৈছিল ছয় (৬) সন্তানৰ। তেওঁলোক হ'ল— বিষ্ণুপ্ৰসাদ আগৰৱালা, চন্দ্ৰকুমাৰ আগৰৱালা, পৰমানন্দ আগৰৱালা, কৃষ্ণপ্ৰসাদ আগৰৱালা, গোপালচন্দ্ৰ আগৰৱালা আৰু কন্যা যজ্ঞেশ্বৰী আগৰৱালা।

হৰিবিলাস আগৰৱালাই সাংসাৰিক জীৱনৰ লগতে আধ্যাত্মিক দিশতো গুৰুত্ব দিছিল। তেওঁ শঙ্কৰদেৱ আৰু মাধৱদেৱৰ সৃষ্টিৰাজিৰ মাজত নিহিত থকা

ভক্তি ৰসৰ গহনত সোমাই নিজে সেই ৰস পান কৰি সকলো অসমীয়াকে সেই ৰসৰ সুস্বাদু দিবলৈ বুলি শঙ্কৰদেৱ-মাধৱদেৱৰ হাতে লিখা পুথিবোৰ ছপাই উলিয়ায়। এই সন্দৰ্ভত জ্যোতিপ্ৰসাদ আগৰৱালাই তেওঁ 'চন্দ্ৰকুমাৰ আগৰৱালা' নামৰ জীৱনস্মৃতিত এনেদৰে উল্লেখ কৰিছে ঃ

*'এই আধ্যাত্মিক জ্ঞানপিপাসু আৰু বিদ্যোৎসাহী হৰবিলাসে শঙ্কৰ-মাধৱৰ সাহিত্যৰ ভিতৰ সোমাই তাৰ গৌৰৱত মুগ্ধ হৈ সকলো অসমীয়াকে সেই অমৃত ৰস সহজেই পান কৰিবলৈ পোৱাকৈ প্ৰথমেই শঙ্কৰ-মাধৱৰ হাতে লিখা পুথিবোৰ ছপাই উলিয়াই অসমীয়াৰ পুৰণি সাহিত্যত নব্য শিক্ষিতৰ চকু পেলালে।'*[৩]

হৰিবিলাস আগৰৱালাৰ দৰে তেওঁৰ ছয় সন্তানো আছিল অসমীয়া সাহিত্য-সংস্কৃতিৰ সুযোগ্য উত্তৰাধিকাৰী।

**জ্যোতিপ্ৰসাদ আগৰৱালাৰ জন্ম আৰু শিক্ষা ঃ**

জ্যোতিপ্ৰসাদ আগৰৱালাৰ পুত্ৰ তথা অসমৰ সংগীত জগতৰ এক যুগজয়ী কীৰ্তি হ'ল পৰমানন্দ আগৰৱালা। এই পৰমানন্দ আগৰৱালাৰ ঔৰসত কিৰন্ময়ী আগৰৱালাৰ গৰ্ভত ১৯০৩ চনৰ ১৭ জুনত ডিব্ৰুগড় জিলাৰ তামোলবাৰী চাহ বাগিছাত জ্যোতিপ্ৰসাদ আগৰৱালাৰ জন্ম হয়। জ্যোতিপ্ৰসাদ আগৰৱালাই তেওঁৰ শিক্ষাৰ ক্ষেত্ৰত বিভিন্ন কাৰণত কেইবাঠাইতো স্কুলীয়া শিক্ষা গ্ৰহণ কৰিবলগীয়া হৈছিল। ডিব্ৰুগড় জৰ্জ হাইস্কুল (বৰ্তমানৰ বাগ্মীবৰ নীলমণি ফুকন উচ্চতৰ মাধ্যমিক বিদ্যালয়), তেজপুৰ হাইস্কুল আৰু ডিব্ৰুগড় চৰকাৰী হাইস্কুলত শিক্ষা গ্ৰহণ কৰিছিল। জ্যোতিপ্ৰসাদে তেজপুৰ হাইস্কুলৰ পৰা প্ৰৱেশিকা স্তৰৰ বাছনি পৰীক্ষা দি উত্তীৰ্ণ হৈছিল। কিন্তু ১৯২১ চনত সমগ্ৰ ভাৰতবৰ্ষ জুৰি চলা মহাত্মা গান্ধীৰ অসহযোগ আন্দোলনৰ তীব্ৰ জোকাৰণি অসমতো লাগিছিল আৰু জ্যোতিপ্ৰসাদৰ ছাত্ৰ মনত সেই ঢৌ লাগি প্ৰৱেশিকা পৰীক্ষাৰ আশা সিমানতে অন্ত হয়। অৱশ্যে আন্দোলনৰ শাম কটাত কলিকতাৰ চিত্তৰঞ্জন দাসৰ নেচনেল স্কুলৰ পৰা প্ৰৱেশিকা পৰীক্ষাত অৱতীৰ্ণ হয় আৰু তাৰে পৰাই দ্বিতীয় বিভাগত উত্তীৰ্ণ হয়। প্ৰৱেশিকা পৰীক্ষাত উত্তীৰ্ণ হৈ জ্যোতিপ্ৰসাদে কলিকতাৰ নেচেনেল কলেজত আই.এ. মহলাত নামভৰ্তি কৰে। কিন্তু দুৰ্ভাগ্যবশতঃ আই. এ. দ্বিতীয়

বাৰ্ষিকত পঢ়ি থকা অৱস্থাতেই কলেজখন বন্ধ হৈ যোৱাত জ্যোতিপ্ৰসাদ আগৰৱালাৰ শিক্ষাৰ সিমানতে সামৰণি পৰে। কলেজীয়া শিক্ষা অসম্পূৰ্ণ কৰি অসমলৈ উভতি আহে আৰু বৰদেউতাক জোনাকীৰ ত্ৰিমূৰ্তিৰ অন্যতম চন্দ্ৰকুমাৰ আগৰৱালাই চলাই থকা 'অসমীয়া' নামৰ কাকতখন চলোৱাত তেওঁক সহায় কৰে। ১৯২৬ চনত কাকতৰ কাম সামৰি উচ্চশিক্ষাৰ্থে বিলাতলৈ যাত্ৰা কৰে। বিলাতলৈ গৈ এডিনবৰা বিশ্ববিদ্যালয়ত প্ৰাক স্নাতক শ্ৰেণীত নামভৰ্তি কৰে। প্ৰথমবাৰ পৰীক্ষা দি কৃতকাৰ্য হ'ব নোৱাৰিলে আৰু দ্বিতীয়বাৰো আশানুৰূপ ফল লাভ কৰিব নোৱাৰিলে। তথাপি তেওঁ এডিনবৰা বিশ্ববিদ্যালয়ত এম, এ, পঢ়াৰ সুযোগ লাভ কৰিছিল। তাত প্ৰথমে জ্যোতিপ্ৰসাদে অৰ্থনীতি, সংস্কৃত, প্লাৰিক ল আৰু পিছলৈ দৰ্শন আৰু ইতিহাস অধ্যয়ন কৰিবলৈ লয় যদিও উচ্চশিক্ষাৰ আশা ফলৱতী নহ'ল। উচ্চশিক্ষা সিমানতে সামৰি জ্যোতিপ্ৰসাদে কথাছবি শিল্পৰ প্ৰশিক্ষণ ল'বলৈ জাৰ্মানীলৈ যায়। জাৰ্মানীত ভাৰতীয় চলচিত্ৰ প্ৰশিক্ষক তথা পৰিচালক হিমাংশু ৰয়ক লগ পায় আৰু তেওঁৰ সহযোগত সাতমাহত জ্যোতিপ্ৰসাদ আগৰৱালাই কথাছবি প্ৰযোজনা আৰু পৰিচালনা বিষয়ত যথেষ্ট জ্ঞান লাভ কৰি ১৯৩০ চনত স্বদেশলৈ প্ৰত্যাৱৰ্তন কৰে। স্বদেশলৈ উভতি আহোঁতে মধ্যপ্ৰাচ্যৰ বিভিন্ন ঠাই যেনে— কনষ্টাণ্টিনেপোল, মছৌল, বাগদাদ, কাৰবালা, পুৰণি বেবিলন, বছোৰা আদি ঠাই ভ্ৰমণ কৰি সেই ঠাইবোৰৰ স্থাপত্য শিল্প তথা ভাস্কৰ্যৰ গভীৰ অধ্যয়নো কৰে। জাৰ্মানীৰ পৰা অসমলৈ প্ৰত্যাৱৰ্তন কৰাতেই জ্যোতিপ্ৰসাদ আগৰৱালাৰ আনুষ্ঠানিক শিক্ষাৰ ইতি পৰে।

**জ্যোতিপ্ৰসাদ আগৰৱালাৰ সাংসাৰিক জীৱন ঃ**

জাৰ্মানীৰ পৰা উভতি অহাৰ পিছতেই জ্যোতিপ্ৰসাদ আগৰৱালাৰ অক্লান্ত কৰ্মময় জীৱন আৰম্ভ হয়। ১৯৩৬ চনত ডিব্ৰুগড়ৰ দেৱযানী ভূঞাৰ লগত জ্যোতিপ্ৰসাদৰ বিয়া হয়। জ্যোতিপ্ৰসাদৰ সাংসাৰিক জীৱনৰ চিনাকি হিচাপে পাঁচগৰাকী কন্যা ক্ৰমে— জয়শ্ৰী, জ্ঞানশ্ৰী, সত্যশ্ৰী, হেমশ্ৰী, মনশ্ৰী আৰু দুগৰাকী পুত্ৰ সন্তান ক্ৰমে— চিন্ময় আৰু বিশ্বেন্দু আগৰৱালাৰ জন্ম হয়।

**ভাৰতৰ স্বাধীনতা আন্দোলনত জ্যোতিপ্ৰসাদৰ ভূমিকা ঃ**

ভাৰতৰ স্বাধীনতা আন্দোলনত এগৰাকী অক্লান্ত বিপ্লৱী হিচাপে

জ্যোতিপ্ৰসাদ আগৰৱালাৰ ভূমিকা সৰ্বজনবিদিত। জ্যোতিপ্ৰসাদ আগৰৱালাই জীৱনৰ সৰহখিনি সময় স্বাধীনতা আন্দোলনৰ মাজত কটাইছিল। ১৯২১ চনত ছাত্ৰাৱস্থাতেই নিজৰ প্ৰৱেশিকা পৰীক্ষাৰ সুযোগ হেৰুৱাই মহাত্মা গান্ধীৰ নেতৃত্বত চলা অসহযোগ আন্দোলনত যোগদানেৰে জ্যোতিপ্ৰসাদ আগৰৱালাৰ বিপ্লৱী জীৱনৰ আৰম্ভণি ঘটে। ১৯২৬ চনত তেওঁ উচ্চ শিক্ষাৰ্থে বিলাতলৈ আৰু চলচিত্ৰ প্ৰশিক্ষণৰ বাবে জাৰ্মানীলৈ গৈছিল যদিও ১৯৩০ চনত স্বদেশলৈ ঘূৰি আহি আকৌ স্বাধীনতা আন্দোলনত পূৰ্ণোদ্যমে সহযোগ আগবঢ়ায়। সেই মৰ্মে তেওঁ তেজপুৰ শান্তিসেনা বাহিনীৰ তত্ত্বাৱধায়ক নিযুক্ত হ'ল। ১৯৩২ চনত তেওঁ ১৫ মাহৰ সশ্ৰম কাৰাদণ্ড আৰু ৫০০ টকা জৰিমনা ভৰিব লগা হয়। শিলচৰ জেলত থকা সময়ত তেওঁ যক্ষ্মাৰোগত আক্ৰান্ত হোৱা স্বত্বেও কাৰাদণ্ডৰ ম্যাদ সম্পূৰ্ণ কৰিহে জেলৰ পৰা ওলায়। ১৯৪১ চনৰ পৰা কংগ্ৰেছৰ স্বেচ্ছাসেৱক বাহিনীৰ সংগঠনত আত্মনিয়োগ আৰু পিছত সৰ্বাধিনায়ক হয়গৈ। ১৯৪২ চন ভাৰতীয় স্বাধীনতা আন্দোলনৰ ভৰপক সময়। অসমতো এই প্ৰভাৱ গভীৰভাৱে পৰে। সেই সময়ত ভাৰতৰ অন্যান্য জ্যেষ্ঠনেতাসকলৰ লগতে অসমৰো ভালেমান জ্যেষ্ঠনেতা বৃটিছৰ হাতত বন্দী হয়। সেয়ে অসমত থাকি আন্দোলন চলোৱাটো বিপদজনক বুলি ভাৱি জ্যোতিপ্ৰসাদে ১৯৪২ চনত কলিকতালৈ গৈ তাত আত্মগোপন কৰি তাৰপৰাই অসমত আন্দোলন প্ৰক্ৰিয়া চলাই গৈ থাকিল। ১৯৪৩ চনত মহাত্মা গান্ধীয়ে আন্দোলনৰ নেতাসকলক আত্মগোপন নকৰাৰ নিৰ্দেশ দিয়াত জ্যোতিপ্ৰসাদ আগৰৱালাই সেই নিৰ্দেশৰ প্ৰতি সন্মান জনাই ১৯৪৩ চনৰ আগষ্টত তেজপুৰত আত্মসমৰ্পণ কৰে। কিন্তু তেওঁৰ কোনো গুৰুতৰ অভিযোগ নথকাত তেওঁ খালাচ পায়।

জ্যোতিপ্ৰসাদ আগৰৱালা আছিল গণতান্ত্ৰিক আদৰ্শক মানি চলা বিপ্লৱী। ভাৰতৰ পৰা বৃটিছ সাম্ৰাজ্য উছন কৰি শান্তিৰ ভাৰত প্ৰতিষ্ঠাৰ বাবে আগ্ৰহী হৈ তেওঁ মহাত্মা গান্ধীৰ নেতৃত্বত চলা অহিংসা নীতি গ্ৰহণ কৰি আন্দোলনত আগবাঢ়িছিল।

**বোলছবি পৰিচালনা আৰু সাংবাদিকতা ঃ**

জ্যোতিপ্ৰসাদ আগৰৱালা হাড়ে-হিমজুৰে এগৰাকী শিল্পী। গতিকে তেওঁৰ

সৃষ্টিৰাজিৰ মাজত সেই শিল্পীসুলভ নৈপুন্য সততে দেখা যায়। জাৰ্মানীৰ পৰা চলচিত্ৰৰ প্ৰশিক্ষণ লৈ আহি অসমতো বোলছবি নিৰ্মাণৰ প্ৰতি আগ্ৰহান্বিত হৈ ১৯৩৪ চনত ভোলাগুৰি চাহ বাগিছাত অস্থায়ী 'চিত্ৰবন ষ্টুডিঅ' স্থাপন কৰি প্ৰথম অসমীয়া কথাছবি 'জয়মতী' নিৰ্মাণ কৰে। ১৯৩৫ চনত 'জয়মতী' কথাছবিয়ে মুক্তি লাভ কৰে। ১৯৩৬-৩৭ চনত বিষ্ণুপ্ৰসাদ ৰাভাৰ সৈতে যুটীয়াভাৱে 'জয়মতী' আৰু 'শোণিতকুঁৱৰী'ৰ ৰেকৰ্ড নাট্য প্ৰযোজনা কৰে। ১৯৩৭ চনত জ্যোতিপ্ৰসাদে তেজপুৰত জোনাকী চিনেমা হল নিৰ্মাণ কৰে। ১৯৩৯ চনত জ্যোতিপ্ৰসাদে দ্বিতীয় অসমীয়া কথাছবি 'ইন্দ্ৰমালতী' নিৰ্মাণ কৰে।

বোলছবি জগতৰ পৰা জ্যোতিপ্ৰসাদ আগৰৱালা অলপ আঁতৰি আহি ১৯৪৪ চনত বহুদিন বন্ধ হৈ থকা 'অসমীয়া' কাকতখন পুনৰ প্ৰকাশ আৰম্ভ কৰি নিজে সম্পাদনাৰ দায়িত্ব বহন কৰে। কাকতখন অৱশ্যে সাত মাহ চলাৰ পিছত পুনৰ বন্ধ হয়।

**জ্যোতিপ্ৰসাদ আগৰৱালাৰ অসুস্থতা আৰু মৃত্যু ঃ**

জ্যোতিপ্ৰসাদ আগৰৱালাই স্বাস্থ্যজনিত কাৰণত জীৱনৰ শেষচোৱা সময় তামোলবাৰী চাহ বাগিছাত কটাবলৈ লয় আৰু বাগিছা পৰিচালনাৰ দায়িত্ব গ্ৰহণ কৰে। লাহে লাহে জ্যোতিপ্ৰসাদৰ স্বাস্থ্যৰ অৱনতি ঘটিবলৈ ধৰে। ১৯৫০ চনত তেওঁক শ্বিলঙৰ 'ৱেলচ্ মিছন হাস্পতাল'ত ভৰ্তি কৰোৱা হয়। দুমাহৰ চিকিৎসাৰ পিছত তেওঁৰ পাকস্থলীত কেন্সাৰ হোৱা বুলি ডাক্তৰে ঘোষণা কৰে। ১৯৫১ চনৰ ১৫ জানুৱাৰীৰ দিনা জ্যোতিপ্ৰসাদ আগৰৱালাক তেজপুৰৰ নিজা ঘৰলৈ অনা হয় আৰু ১৯৫১ চনৰ ১৭ জানুৱাৰীত তেওঁৰ সুদূৰপ্ৰসাৰী শিল্পী জীৱনৰ অন্ত পৰে।

**জ্যোতিপ্ৰসাদৰ সৃষ্টিৰাজি ঃ**

জ্যোতিপ্ৰসাদ আগৰৱালা অসমত সাহিত্য, সংস্কৃতিক আধুনিক ৰূপ ধাৰণ কৰোঁতা। কবিতা, নাটক, চুটিগল্প, প্ৰবন্ধ, জীৱনী আদি সকলোতে জ্যোতিপ্ৰসাদৰ কলাত্মক হাতৰ পৰশ বিৰাজমান। মূলতঃ জ্যোতিপ্ৰসাদ আগৰৱালা এগৰাকী শিল্পী আৰু সেই শিল্পচেতনাই তেওঁৰ সৃষ্টিৰাজিৰ মূলধাৰ। তলত তেওঁৰ ৰচনাৰাজি তালিকাৰে দিয়া হ'ল ঃ

**নাটক ঃ**

| নাম | সংখ্যা | চন |
|---|---|---|
| ১। শোণিত কুঁৱৰী | ১ম তাঙৰণ | ১৯২৫ |
| | ২য় তাঙৰণ | ১৯৪৯ |
| | ৩য় তাঙৰণ | ১৯৬৪ |
| ২। কাৰেঙৰ লিগিৰী | ১ম তাঙৰণ | ১৯৩৭ |
| | ২য় তাঙৰণ | অনুল্লিখিত |
| ৩। ৰূপালীম | ১ম তাঙৰণ | ১৯৬০ |
| | ২য় তাঙৰণ | ১৯৬৪ |
| | ৩য় তাঙৰণ | ১৯৬৭ |
| | সম্পাদনা (অতুল চন্দ্ৰ হাজৰিকা) | |
| ৪। লভিতা | ১ম তাঙৰণ | ১৯৪৮ |
| | ২য় তাঙৰণ | অনুল্লিখিত |
| ৫। নিমাতী কইনা (ৰূপকোঁৱৰ) | ১ম প্ৰকাশ | ১৯৬৪ |
| ৬। সোণ পখিলী (অসমাপ্ত) | ১ম প্ৰকাশ | ১৯৬৪ |
| ৭। খনিকৰ | ১ম প্ৰকাশ | ১৯৭৭ |
| | | (‘প্ৰকাশ’ আলোচনীত) |

**কবিতা ঃ**

| | | |
|---|---|---|
| ১। লুইতৰ পাৰৰ অগ্নিসুৰ | ১ম প্ৰকাশ | ১৯৭১ |
| | | (সম্পাঃ অতুল চন্দ্ৰ হাজৰিকা) |

**জীৱনী গ্ৰন্থ ঃ**

| | | |
|---|---|---|
| ১। চন্দ্ৰ কুমাৰ আগৰৱালা | ১ম প্ৰকাশ | ১৯৬৭ |

**চুটিগল্প ঃ**

| | |
|---|---|
| ১। ৰূপহী | বাঁহী ১৩ শ বছৰ, ৫ম, ৬ষ্ঠ সংখ্যা |
| ২। যুঁজাৰু | বাঁহী ১৩ শ বছৰ, ৫ম সংখ্যা |
| ৩। সন্ধ্যা | বাঁহী ১৪ শ বছৰ, ৮ম সংখ্যা |

| | |
|---|---|
| ৪। প্ৰত্নতাত্বিকৰ কলাঘুমটি | বাঁহী ১৪ শ বছৰ, ১০ম সংখ্যা |
| ৫। সোণতৰা | বাঁহী ১৫ শ বছৰ, ৪ৰ্থ সংখ্যা |
| ৬। বগীতৰা | বাঁহী ১৫ শ বছৰ, ৫ম সংখ্যা |
| ৭। সতীৰ সোঁৱৰণী | বাঁহী ১০ শ বছৰ, অনুল্লিখিত |
| ৮। মুকুতা সাউদ | বাঁহী ১০ শ বছৰ, অনুল্লিখিত |
| 'জ্যোতি সাতশৰী' (গল্প সংকলন) | ১ ম প্ৰকাশ, ১৯৬৭ (সম্পাঃ, অতুলচন্দ্ৰ হাজৰিকা) |

**ভাষণ পুস্তিকা ঃ**

১। অসমীয়া গীতৰ ৰূপ (অ. সা. স) তেজপুৰ অধিৱেশনৰ আদৰণী সমিতিৰ সভাপতিৰ অভিভাষণ (প্ৰকাশ ১৯৩৬)

২।নতুন দিনৰ কৃষ্টি (ডিব্ৰুগড় ছাত্ৰ কংগ্ৰেছৰ কৃষ্টি সভাত দিয়া অভিভাষণ) (১৯৪৭)

৩। পোহৰলৈ (অসমৰ ছাত্ৰ সন্মিলনৰ ২৬ শ বাৰ্ষিক অধিৱেশনৰ সভাপতিৰ অভিভাষণ, শিৱসাগৰ) (১৯৪৭)

৪। শিল্পীৰ পৃথিৱী (সদৌ অসম শিল্প সংঘৰ পোন প্ৰথম অধিৱেশনৰ সভাপতিৰ অভিভাষণ)

৫। আইদেউৰ জোনাকী বাট (অসম প্ৰাদেশিক মহিলা সন্মিলনৰ ২২তম বাৰ্ষিক অধিৱেশনৰ কৃষ্টিসভাত দিয়া উদ্বোধনী ভাষণ) (১৯৭২)

**প্ৰবন্ধ ঃ**

| নাম | প্ৰকাশ |
|---|---|
| ১। অসমীয়া স্থাপত্যৰ নবৰূপ | জ্ঞানদ্বীপ আলোচনী |
| ২। ঢেকিয়াজুলি বিয়াল্লিছৰ কাহিনী (পুনৰ মুদ্ৰণ নতুন অসমীয়া) | অভিযাত্ৰী আলোচনী |
| ৩। অসমৰ ফিল্ম শিল্প | জ্যোতিধাৰাত |
| ৪। তৰুণ তৰ্পণ | জ্যোতিধাৰাত |

(জ্যোতিধাৰা প্ৰবন্ধ সংকলন সম্পাঃ অতুল চন্দ্ৰ হাজৰিকা)

৫। মহাত্মা গান্ধীৰ জীৱন সোঁৱৰণ

৬। নালীয়াপুলৰ বিপদ সংকেত
৭। নতুনৰ পূজা
৮। অসমীয়া সংস্কৃতি
৯। ভাৱীকালৰ সংস্কৃতি
১০। অসমীয়া সংগীতৰ ধাৰা
১১। বৰ্তমান অসমীয়া সংগীত ঃ কামৰূপৰ ধাৰা
১২। আমাৰ নাচ আৰু তাৰ সংশোধন।
১৩। অসমৰ ফিল্ম শিল্প গঢ়াত অসমীয়া দৰ্শকৰ দায়িত্ব।*

## নজৰুল ইছলামৰ জীৱন কৃতি

**বংশ পৰিচয় ঃ**

বিহাৰ ৰাজ্যৰ পাটনাৰ হাজীপুৰৰ পৰা আহি বংগদেশৰ বৰ্ধমান জিলাৰ আচানচোল মহকুমাৰ চুৰুলিয়া গাঁৱত ত্ৰয়োদশ শতাব্দীত নজৰুল ইছলামৰ পূৰ্বপুৰুষ চুফী মহম্মদ ইছলামে বসবাস কৰেহি। অতীতত এই চুৰুলীয়া ৰাজা নৰোত্তম দাস (সিংহৰ) ৰাজধানী আছিল আৰু প্ৰধানতঃ ই আছিল অস্ত্ৰাদি নিৰ্মাণৰ মূখ্য কেন্দ্ৰ স্থল। সেয়ে অস্ত্ৰ নিৰ্মাণৰ স্থান চুৰুলিয়া বৰ্তমানেও ‘চুৰুলিয়া গড়’ হিচাপে পৰিচিত।[২]

মোগল আমোলৰ সময়ত চৰুলিয়াত গ্ৰাম্য আদালতৰ ব্যৱস্থা আছিল আৰু মহম্মদ ইছলাম সেই আদালতৰ ‘কাজী’[৪] নিযুক্ত হৈছিল। সেই অনুসৰি তেওঁৰ বংশৰ সকলোৱে কাজী উপাধি গ্ৰহণ কৰি আহিছে।

এই ‘কাজী’ বংশৰ খেবৰতুল্লাহ বিশেষ প্ৰতিপত্তীশালী ব্যক্তি আছিল। আৰাবী, পাৰ্চী আৰু উৰ্দু ভাষাত তেওঁৰ গভীৰ ব্যুৎপত্তি আছিল। তদুপৰি এজন মুছলমান পীৰ হিচাপেও তেওঁৰ খ্যাতি আছিল। তেঁওৰ চাৰিগৰাকী পুত্ৰ ক্ৰমে কাজী গোলাম হোচেন, কাজী আব্দুল, জলিল, কাজী জয়নাল আবেদিন, আৰু কাজী কমৰুদ্দিন। এওঁলোকৰ গোলাম হোচেনৰ আকৌ দুই পুত্ৰ ক্ৰমে কাজী আমিনুল্লাহ আৰু কাজী নাজিবুল্লাহ। এই আমিনুল্লাহৰ পুত্ৰ আছিল কাজী ফকীৰ

---

*****_জ্যোতিপ্ৰসাদ আগৰৱালাৰ ৰচনাকৃতি সতেন্দ্ৰ নাথ শৰ্মা (সম্পাঃ) “জ্যোতিপ্ৰসাদ ৰচনাৱলী” আৰু ‘গৰীয়সী’ জ্যোতিপ্ৰসাদ জন্ম শতবৰ্ষ অৰ্ঘৰ পৰা লোৱা হৈছে।_

আহমেদ।

কাজী ফকীৰ আহমেদৰ বাংলা আৰু ফৰাছী ভাষাৰ প্ৰতি গভীৰ আকৰ্ষণ আছিল। তদুপৰি তেওঁ আছিল এগৰাকী নিষ্ঠাবান মুছলমান। ফকীৰ আহমেদে দুগৰাকী বিয়া কৰাইছিল। ১৯ বছৰ বয়সত তেওঁ চৰুলিয়াৰ চৈয়দা খাতুনক বিয়া কৰায়। কিন্তু এগৰাকী কন্যা জন্ম দিয়েই চৈয়াদা খাতুনৰ মৃত্যু হয়। ফকীৰ আহমেদে বংশ ৰক্ষাৰ বাবে জাহেদা খাতুন নামৰ আন এগৰাকী বিয়া কৰায়। জাহেদাৰ গৰ্ভত প্ৰথমে জন্ম হয় চাহেবজানৰ। চাহেবজানৰ পিছত আৰু চাৰিজন পুত্ৰৰ জন্ম হয় যদিও চাৰিওজনৰে অকাল মৃত্যু হয়।

**নজৰুল ইছলামৰ জন্ম আৰু শিক্ষা ঃ**

চাৰিজন পুত্ৰৰ অকাল মৃত্যুৰ পিছত ১৮৯৯ চনৰ ২৪ মে' তাৰিখে জাহেদা খাতুনৰ গৰ্ভত নজৰুল ইছলামৰ জন্ম হয়। অৱশ্যে নজৰুল ইছলামৰ জন্মৰ পিছত এগৰাকী পুত্ৰ আৰু কন্যাৰ জন্ম হয়। চাৰিজনকৈ পুত্ৰৰ অকাল মৃত্যু আৰু পৰিয়ালৰ নানা দুখ-কষ্টৰ আধাৰত নজৰুলৰ নাম ৰাখে দুখুমিঞা।

নজৰুল ইছলামৰ শৈশৱত শিক্ষাজীৱন আৰম্ভ হয় পিতৃৰ ওচৰত। শৈশৱৰ শিক্ষাৰ প্ৰথম আখৰ চিনাকি শেষ হোৱাৰ পিছত ওচৰৰ মক্তবত নজৰুলক নামভৰ্তি কৰাই দিয়ে। ১৯০৮ চনত নজৰুল ইছলামৰ পিতৃ ফকীৰ আহমেদৰ মৃত্যু হয়। তেতিয়া নজৰুলৰ বয়স মাত্ৰ আঠ বছৰ। নজৰুল ইছলামে পিতৃৰ মৃত্যুৰ পিছত কষ্টেৰে এবছৰ মক্তবত পঢ়ি ১৯০৯ চনত প্ৰাথমিক পৰীক্ষাত উত্তীৰ্ণ হৈ মক্তবতে শিক্ষকতাৰ চাকৰি কৰে। শিক্ষকতাৰ পৰা পোৱা ধনেৰে পৰিয়াল নচলাত মোল্লা হিচাবেও কাৰ্য কৰিবলৈ ধৰিলে। সেইসময়ত 'লেটো'[৫] গানৰ প্ৰাধান্য অধিক থকাত নজৰুল ইছলামে 'লেটো' দলত যোগ দি গান লিখাত ব্যস্ত হয়। এই 'লেটো' গানেৰেই নজৰুল ইছলামৰ সংগীত জীৱনৰ আৰম্ভণি।

নজৰুল ইছলামে ১৯১১ চনত বৰ্ধমান জিলাৰ মাথৰুণ হাইস্কুলত নাম ভৰ্ত্তি কৰে। ষষ্ঠমান শ্ৰেণীৰ পৰীক্ষা দি নজৰুল ইছলামে স্কুল ত্যাগ কৰে আৰু আচানচোলৰ আব্দুল ৱাহেদৰ ৰুটিৰ দোকানত কাম কৰিবলৈ ললে। তাতে কাজী ৰফিজউদ্দিন আহমেদ দাৰোগাৰ লগত নজৰুলৰ পৰিচয় হয় আৰু তেওঁ নজৰুলক

নিজৰ ঠাই বাংলাদেশৰ মৈমনসিং জিলাৰ শিমলাগাঁৱলৈ লৈ আহে। ৰফিজউদ্দিন চাহেবে শিমলাগাঁৱৰ পৰা পাঁচ কিলোমিটাৰ দূৰৰ দৰিৰামপুৰ হাইস্কুলত সপ্তম শ্ৰেণীত নাম লগাই দিয়ে। সপ্তম শ্ৰেণীত উত্তীৰ্ণ হৈ তেওঁ ৰাণীগঞ্জলৈ আহে আৰু ১৯১৫ চনত চিয়াৰচোলা হাইস্কুলত অষ্টম শ্ৰেণীত ভৰ্তি হ'ল। অষ্টম মানত নজৰুল ইছলামে নিজৰ প্ৰতিভাৰ বলত পোন প্ৰথমে দশম শ্ৰেণীত উঠে। ইমানতে নজৰুল ইছলামৰ শিক্ষা জীৱন সামৰণিও পৰে। চিয়াৰচোল হাইস্কুলত নজৰুলৰ গভীৰ স্মৃতি বিজড়িত হৈ আছিল। তাত তেওঁ বন্ধু হিচাপে প্ৰখ্যাত বাংলা ঔপন্যাসিক শৈলজানন্দ মুখোপাধ্যায়ক লগ পাইছিল।

**হাবিলদাৰ জীৱন ঃ**

১৯১৭ চনত নজৰুল ইছলামে শিক্ষাজীৱন সামৰি ৪৯নং বাংলা ৰেজিমেণ্টৰ সৈন্যদলত যোগ দিয়ে। প্ৰথমতে নৌচৰাত তিনিমাহৰ ট্ৰেইনিং আৰু পিছত কৰাছীত সেনানিবাসত আশ্ৰয় লয়। প্ৰথমতে বাঙালী পণ্টনৰ সেনা আৰু পিছত হাবিলদাৰ পদলৈ উন্নতি হয়। ১৯১৭ চনৰ পৰা ১৯১৯ চনলৈ নজৰুল ইছলামৰ সৈনিক জীৱন। ১৯২০ চনত ৪৯ নং বাঙালী পল্টন ভাঙি দিয়াত নজৰুল কলিকতালৈ উভতি আহে।

**সাংবাদিক আৰু সাহিত্যিক জীৱন ঃ**

১৯২০ চনত নজৰুল ইছলামে 'দৈনিক নৱযুগ' কাকতৰ সম্পাদকৰ দায়িত্ব লয়। ১৯২০ চনৰ জুলাই মাহত এই কাকত প্ৰকাশ হয় আৰু ১৯২০ চনৰে ডিচেম্বৰ মাহত নজৰুল ইছলামে সম্পাদকৰ পদৰ পৰা ওলাই আহে। এই কাকতৰ প্ৰকাশৰ সময়ত কলিকতাত সাহিত্যিকৰ একাধিক 'আড্ডা'[৬] আছিল। সেই আড্ডাতেই ১৯২১ চনত নজৰুল ইছলামৰ ৰবীন্দ্ৰ নাথ ঠাকুৰৰ লগত সাক্ষাৎ হয়। সেই আড্ডাত তেওঁ কবিতা পাঠ কৰি ৰবিন্দ্ৰ নাথ ঠাকুৰ আৰু মোহিতলাল মজুমদাৰৰ পৰা যথেষ্ট সমাদৰ পাইছিল। নজৰুল ইছলামে ৰবীন্দ্ৰ সংগীতৰ লগতে হিন্দুস্তানী সংগীতৰ প্ৰতিও বিশেষ আগ্ৰহান্বিত হৈছিল আৰু চৰ্চা কৰিছিল।

**নজৰুল ইছলামৰ সাংসাৰিক জীৱন ঃ**

নজৰুল ইছলাম দৌলতপুৰৰ আলী আকবৰৰ ভাগিনী সৈয়দা খাতুন

ওৰফে নার্গিচ বেগমৰ লগত প্ৰণয় পাশত আবদ্ধ হয় আৰু দুয়োৰে বিবাহ হয়। কিছুদিন বৈবাহিক জীৱন অতিবাহিত হোৱাৰ পিছতে দুয়োৰে বিচ্ছেদ হয়। ১৯২৪ চনৰ ২৪ এপ্ৰিলত পুনৰ আশালতা সেনগুপ্তৰ লগত নজৰুল ইছলামৰ দ্বিতীয় বিবাহ হয়। বিয়াৰ পিছত আশালতাৰ নাম সলনি কৰি নজৰুলে প্ৰমিলা থয়।

বিয়াৰ পিছত নজৰুল আৰু প্ৰমিলাৰ প্ৰথম পুত্ৰ আজাদ কামালৰ জন্ম হয় আৰু কিছুদিনৰ পিছত আজাদৰ মৃত্যু হয়।

১৯২৬ চনত নজৰুল ইছলাম কৃষ্ণনগৰলৈ আহি তাতে বসবাস কৰিবলৈ লয়। তাতে তেওঁলোকৰ দ্বিতীয় পুত্ৰ অৰবিন্দম খালেদৰ জন্ম হয়। অৰবিন্দমেই হল বুলবুল। ১৯২৯ চনত পুনৰ নজৰুল ইছলাম কলিকতালৈ গুচি আহে আৰু ১৯৩০ চনত বসন্তৰোগত বুলবুলৰ মৃত্যু হয়। বুলবুলৰ মৃত্যুত নজৰুল ইছলামে যথেষ্ট আঘাত পায়। ইয়াৰ পিছত নজৰুলৰ আৰু দুজন পুত্ৰৰ জন্ম হয়। প্ৰথমজন সব্যসাচী আৰু দ্বিতীয়জন অনিৰুদ্ধ। বাংলা আবৃত্তি শিল্পৰ জগতত কাজী সব্যসাচী অতি পৰিচিত নাম।

**ৰাজনৈতি কৰ্মী ঃ**

হুগলীত বাস কৰি থকা সময়ছোৱাতেই নজৰুল ইছলাম ৰাজনৈতিক আন্দোলনত সক্ৰিয়ভাৱে যুক্ত হয়। ১৯২৫ চনত বংগীয় প্ৰাদেশিক কংগ্ৰেছ কমিটিৰ সভ্য হয়। অৱশ্যে নজৰুল ইছলাম ১৯২১ চনত গঠিত ভাৰতীয় কমিউনিষ্ট পাৰ্টিৰ সদস্যও হয়। ১৯২৫ চনৰ শেষৰ ফালে কলিকতাত, The labour Swaraj Party of Indian National Congress প্ৰতিষ্ঠিত হয়। নজৰুল আছিল এই অনুষ্ঠানৰ অন্যতম হোতা। ১৯২৬ চনৰ নৱেম্বৰ মাহত নজৰুল ইছলাম কেন্দ্ৰীয় আইন সভাৰ সদস্য পদ লাভৰ বাবে নিৰ্বাচনত প্ৰতিদ্বন্দ্বিতা কৰে আৰু নিৰ্বাচনত পৰাজিত হয়।

**বিভিন্ন সন্মান ঃ**

নজৰুল ইছলামে বিভিন্ন সময়ত লাভ কৰা সন্মানসমূহৰ এখন তালিকা দিয়া হ'ল ঃ

১। ১৯৩২ চনত তেওঁ বংগীয় মুছলিম সন্মিলনৰ সভাপতি আছিল। ১৯৩২

চনৰে ২৫ ডিচেম্বৰত কলিকতাৰ এলবাৰ্ট হলত অনুষ্ঠিত বংগীয় মুছলমান সাহিত্য সন্মিলনৰ পঞ্চম অধিৱেশনৰ মূল সভাপতি আছিল।

২। ১৯৩৮ চনত বংগদেশীয় মুছলমান সাহিত্য সন্মিলনৰ কবি সন্মিলনীৰ সভাপতি আছিল।

৩। ১৯৪০ চনত কলিকতাত অনুষ্ঠিত মুছলমান ছাত্ৰ সন্মিলনৰ মূল বক্তা আছিল।

৪। ১৯৪১ চনত বনগা সাহিত্য সভাৰ চতুৰ্থ বাৰ্ষিক সন্মিলনৰ সভাপতি আছিল।

৫। ১৯৪৫ চনত কলিকতা বিশ্ববিদ্যালয়ে জগত্তাৰিণী স্বৰ্ণপদক সন্মান দিয়ে।

৬। ১৯৬০ চনত ভাৰত চৰকাৰে পদ্মভূষণ উপাধিৰে বিভূষিত কৰে।

৭। ১৯৬৯ চনত ৰবীন্দ্ৰ ভাৰতী বিশ্ববিদ্যালয়ে আৰু ১৯৭৩ চনত ঢাকা বিশ্ববিদ্যালয়ে ডি. লিট উপাধি প্ৰদান কৰে।

৮। ১৯৭২ চনত বাংলাদেশ চৰকাৰে তেওঁক নাগৰিকত্ব প্ৰদান কৰে।

**অসুস্থতা আৰু মৃত্যু ঃ**

১৯৪২ চনৰ পৰা নজৰুল ইছলাম দুৰাৰোগ্য ৰোগত আক্ৰান্ত হয়। ফলত তেওঁৰ বাকশক্তি চিৰদিনৰ বাবে হেৰাই যায়। কিছুদিন পিছত বাহ্যিক জ্ঞানো হেৰায়। নজৰুল ইছলামৰ আৰোগ্যৰ বাবে স্বদেশৰ চিকিৎসকে বহু চেষ্টা কৰিও বিফল হয় আৰু শেষত বিদেশলৈও পঠিয়াই যদিও কোনো ফল নাপালে। ১৯৬২ চনত নজৰুল ইছলামৰ পত্নী প্ৰমিলাৰ মৃত্যু হয়।

১৯৭২ চনত বাংলাদেশ চৰকাৰে কবিক ঢাকালৈ লৈ যায় আৰু জীৱনৰ বাকী সময়চোৱাও ঢাকাতে অতিবাহিত হয়।

১৯৭৫ চনত কবিৰ স্বাস্থ্য অধিক বেয়াৰ ফালে যায় আৰু কবিক ঢাকা পোষ্ট গ্ৰেজুৱেট হাস্পাতালত স্থানান্তৰিত কৰে। ১৯৭৬ চনৰ ২৮ আগষ্টত কবি নজৰুল ইছলাম ব্ৰংকো নিমোনিয়া ৰোগত আক্ৰান্ত হয় আৰু ২৯ আগষ্টত তেওঁৰ মৃত্যু হয়।

**নজৰুল ইছলামৰ কৃতি ঃ**

শৈশৱৰ পৰাই নজৰুল ইছলামৰ গভীৰ প্ৰতিভা বিজড়িত সৃষ্টিশীলতাৰ

পৰিচয় তেওঁৰ সৃষ্টিসমুহৰ মাজত পৰিলক্ষিত হয়। চৰুলিয়াৰ 'লেটো' গানৰ দলৰ সদস্য হৈ গীত লিখাৰ সময়ৰে পৰাই নজৰুলৰ সৃষ্টি প্ৰতিভাৰ পৰিচয় পোৱা যায়। গ্ৰাম্য জনজীৱনৰ জীৱনবোধ স্বাক্ষৰিত সেই গীতবোৰত নজৰুলৰ গভীৰ কাব্যিক প্ৰতিভা পৰিলক্ষিত হয়। ইয়াৰোপৰি এগৰাকী কবি হিচাপে নজৰুল ইছলাম প্ৰতিষ্ঠিত হ'লেও নাটক, উপন্যাস, গল্প, প্ৰবন্ধ সকলোতে তেওঁৰ স্পৰ্শ আছিল অতি উচ্চ। এইবোৰ দিশত হাত থাকিলেও মূলত নজৰুল ইছলাম এগৰাকী গীতিকাৰ। গীতিকাৰ হিচাপে তেওঁৰ কৃতিত্ব আছিল অদ্বিতীয়। স্কুলত পঢ়া দিনত পৰীক্ষাৰ বহীত নজৰুলে কবিতাৰ মাজেৰে প্ৰশ্নোত্তৰ লিখিও তেওঁৰ ক্ষণিক কবি প্ৰতিভাৰ স্বাক্ষৰ বহন কৰিছে। তদুপৰি তেওঁৰ কবিতাৰ স্ৰষ্টাই নহয়, এগৰাকী ভাল আবৃত্তিকাৰো। যিজনে নিজৰ গলগলীয়া কণ্ঠেৰে ৰবীন্দ্ৰ নাথৰ কবিতা আবৃত্তি কৰি স্কুলত সকলোকে মুগ্ধ কৰিব পাৰিছিল। নজৰুল ইছলামৰ কাব্যিক প্ৰতিভাৰ শ্ৰেষ্ঠ নিদৰ্শন প্ৰকাশিত হয় 'বিদ্ৰোহী' প্ৰকাশৰ লগে লগে। 'বিদ্ৰোহী' নজৰুল ইছলামৰ কবি জীৱনৰ শ্ৰেষ্ঠকৃতি। নজৰুল ইছলামৰ কালজয়ী সৃষ্টিসম্ভাৰৰ এটি তালিকা তলত দিয়া হ'ল।

**কাব্যগ্ৰন্থ ঃ**

| নাম | প্ৰকাশ | চন |
|---|---|---|
| ১। অগ্নিবীণা | প্ৰথম প্ৰকাশ | ১৯২২ |
| ২। দোলন চাঁপা | প্ৰথম প্ৰকাশ | ১৯২৩ |
| ৩। বিশেৰ বাঁশী | প্ৰথম প্ৰকাশ | ১৯২৪ |
| ৪। ভাঙাৰ গান | প্ৰথম প্ৰকাশ | ১৯২৪ |
| ৫। ছায়ানট | প্ৰথম প্ৰকাশ | ১৯২৫ |
| ৬। পূবেৰহাওয়া | প্ৰথম প্ৰকাশ | ১৯২৫ |
| ৭। সাম্যবাদী | প্ৰথম প্ৰকাশ | ১৯২৫ |
| ৮। চিত্তনামা | প্ৰথম প্ৰকাশ | ১৯২৫ |
| ৯। সৰ্বহাৰা | প্ৰথম প্ৰকাশ | ১৯২৬ |
| ১০। ঝিঙেফুল | প্ৰথম প্ৰকাশ | ১৯২৬ |
| ১১। ফণি মনসা | প্ৰথম প্ৰকাশ | ১৯২৭ |
| ১২। সিন্ধু হিন্দোল | প্ৰথম প্ৰকাশ | ১৯২৭ |

| | | |
|---|---|---|
| ১৩। জিঞ্জীৰ | প্ৰথম প্ৰকাশ | ১৯২৮ |
| ১৪। সঞ্চিতা | প্ৰথম প্ৰকাশ | ১৯২৮ |
| ১৫। চক্ৰবাক | প্ৰথম প্ৰকাশ | ১৯২৯ |
| ১৬। সন্ধ্যা | প্ৰথম প্ৰকাশ | ১৯২৯ |
| ১৭। প্ৰলয় শিখা | প্ৰথম প্ৰকাশ | ১৯৩০ |
| ১৮। নতুন চাঁদ | প্ৰথম প্ৰকাশ | ১৯৪৫ |
| ১৯। মৰু ভাস্কৰ | প্ৰথম প্ৰকাশ | ১৯৫০ |
| ২০। সঞ্চয়ন | প্ৰথম প্ৰকাশ | ১৯৫৫ |
| ২১। শেষ সওগত | প্ৰথম প্ৰকাশ | ১৯৫৮ |
| ২২। ঝড় | প্ৰথম প্ৰকাশ | ১৯৬০ |
| ২৩। সাতভাই চম্পা | অনুল্লিখিত | |
| ২৪। পুতুলেৰ বিয়ে | প্ৰথম প্ৰকাশ | ১৯৩৩ |

তদুপৰি ‘প্ৰলয়ংকৰ’, ‘নমস্কাৰ’, ‘নিৰ্ঝাৰ’ নামৰ তিনিখন কাব্যগ্ৰন্থ আছিল। ‘নমস্কাৰ’ কাব্যৰ পাণ্ডুলিপি পুলিচে ধ্বংস কৰি পেলায়, ‘নিৰ্ঝাৰ’ নাম পৃষ্ঠা বাদ দি প্ৰকাশিত হয়।[৭]

**সংগীত আৰু স্বৰলিপি গ্ৰন্থ ঃ**

| নাম | প্ৰকাশ | চন |
|---|---|---|
| ১। বুলবুল (১খণ্ড) | প্ৰথম প্ৰকাশ | ১৯২৮ |
| ২। চেখেৰ চাতক | প্ৰথম প্ৰকাশ | ১৯২৯ |
| ৩। চন্দ্ৰ বিন্দু | প্ৰথম প্ৰকাশ | ১৯২৯ |
| ৪। নজৰুল গীতিকা | প্ৰথম প্ৰকাশ | ১৯৩০ |
| ৫। সুৰসাকী | প্ৰথম প্ৰকাশ | ১৯৩১ |
| ৬। নজৰুল স্বৰলিপি | প্ৰথম প্ৰকাশ | ১৯৩১ |
| ৭। জুলফিকাৰ | প্ৰথম প্ৰকাশ | ১৯৩২ |
| ৮। বনগীতি | প্ৰথম প্ৰকাশ | ১৯৩২ |
| ৯। গুলবাগিছা | প্ৰথম প্ৰকাশ | ১৯৩৩ |
| ১০। গানেৰ মালা | প্ৰথম প্ৰকাশ | ১৯৩৪ |

| | | |
|---|---|---|
| ১১। গীতিশতদল | প্ৰথম প্ৰকাশ | ১৯৩৪ |
| ১২। সুৰলিপি | প্ৰথম প্ৰকাশ | ১৯৩৪ |
| ১৩। সুৰ মুকুৰ | প্ৰথম প্ৰকাশ | ১৯৩৪ |
| ১৪। বুলবুল (২য়খণ্ড) | প্ৰথম প্ৰকাশ | ১৯৫২ |

**উপন্যাস ঃ**

| | | |
|---|---|---|
| ১। ব্যাথাৰ দান | প্ৰথম প্ৰকাশ | ১৯২২ |
| ২। বাধন হাৰা | প্ৰথম প্ৰকাশ | ১৯২৭ |
| ৩। মৃত্যু ক্ষুধা | প্ৰথম প্ৰকাশ | ১৯২৯ |
| ৪। কুহেলিকা | প্ৰথম প্ৰকাশ | ১৯৩১ |

**গল্প গ্ৰন্থ্ ঃ**

| | | |
|---|---|---|
| ১। ৰিক্তেৰ বেদন | প্ৰথম প্ৰকাশ | ১৯২৪ |
| ২। শিউলিমালা | প্ৰথম প্ৰকাশ | ১৯৩১ |

**চিত্ৰ কাহিনী ঃ**

| | | |
|---|---|---|
| ১। বিদ্যাপতি | অনুল্লিখিত | |
| ২। সাপুড়ে | প্ৰথম প্ৰকাশ | ১৯৩৫ |

**নাটক ঃ**

| নাম | প্ৰকাশ | চন |
|---|---|---|
| ১। ঝিলিমিলি | প্ৰথম প্ৰকাশ | ১৯৩০ |
| ২। আলেয়া | প্ৰথম প্ৰকাশ | ১৯৩১ |
| ৩। মধুমালা | প্ৰথম প্ৰকাশ | ১৯৫৮ |

**ৰেকৰ্ড নাটিকা ঃ**

| | | | |
|---|---|---|---|
| ১। বিদ্যাপতি | H.M.V | N9766-72 | 119 |
| ২। বিয়েবাড়ী | H.M.V | N7326-8 | 43 |
| ৩। শ্ৰীমন্ত | H.M.V | N7424-6 | 72 |
| ৪। পুতুলেৰ বিয়ে (১-২) | H.M.V | GT24-29 | |
| ৫। ইদল ফেতৰ (১-৪) | H.M.V | | |

| | |
|---|---|
| ৬। প্ৰীতি উপহাৰ (১-৬) | H.M.V |
| ৭। বনেবেদে | |

**প্ৰবন্ধ গ্ৰন্থ ঃ**

| নাম | প্ৰকাশ | চন |
|---|---|---|
| ১। যুগবাণী | প্ৰথম প্ৰকাশ | ১৯২২ |
| ২। ৰাজাৰ বন্দীৰ জবানবন্দী | প্ৰথম প্ৰকাশ | ১৯২৩ |
| ৩। ৰুদ্ৰ মংগল | প্ৰথম প্ৰকাশ | ১৯২৬ |
| ৪। দুৰ্দিনেৰ যাত্ৰী | প্ৰথম প্ৰকাশ | ১৯২৬ |
| ৫। ধুমকেতু | প্ৰথম প্ৰকাশ | ১৯৫৩ |

**অনুবাদ গ্ৰন্থ ঃ**

| | | |
|---|---|---|
| ১। ৰুবাইয়াৎ-ই-হাফিজ | ১ম প্ৰকাশ | ১৯৩০ |
| ২। কাব্য আমপাৰা | ১ম প্ৰকাশ | ১৯৩৩ |
| ৩। ৰুবাইয়াৎ-ই-ওমৰ খৈয়াম | ১ম প্ৰকাশ | ১৯৬০ |

**নজৰুল সম্পাদিত পত্ৰিকা ঃ**

| | | |
|---|---|---|
| ১। দৈনিক নবযুগ | প্ৰকাশ | ১৯২০-১৯৩৫ |
| ২। ধূমকেতু | প্ৰকাশ | ১৯২২ (অৰ্ধসাপ্তাহিক) |
| ৩। লাঙল (সাপ্তাহিক) | প্ৰথম প্ৰকাশ | ১৯২৫ |
| ৪। নওৰোজ (মাহেকীয়া ) | প্ৰথম প্ৰকাশ | ১৯২৭ [৮] |

# দেশাত্মবোধক কবিতাৰ পটভূমি
# অসম আৰু বংগদেশ

দেশৰ প্ৰতি থকা স্নেহ তথা মমত্ববোধেই হৈছে দেশাত্মবোধ বা স্বদেশ প্ৰেম। সকলো দেশৰ মানুহৰ বাবে জন্মভূমি জননী সদৃশ। প্ৰাচীন ভাৰতীয় আদৰ্শত দেশপ্ৰেম দেশভক্তি হিচাপেই প্ৰকাশিত হৈছিল।[৯] আনকি শ্ৰীৰামচন্দ্ৰইয়ো দেশমাতৃৰ প্ৰতি থকা গভীৰ শ্ৰদ্ধাৰ কথা এইদৰে কৈছিল— 'জননী জন্মভূমি স্বৰ্গাদপী গৰিয়সী' (*ৰামায়ণ লংকাকাণ্ড*)। গতিকে দেশপ্ৰেম দেশাত্মবোধৰ ধাৰণা প্ৰতিজন দেশবাসীৰ হৃদয়ত সঞ্জীৰিত হৈ থাকে।

দেশাত্মবোধৰ এই ধাৰাণাই প্ৰাচীন কালৰ পৰাই আধুনিক যুগলৈ অৱধাৰিতভাৱে প্ৰকাশিত হৈ আহিছে। প্ৰাচীন ভাৰতবৰ্ষত 'বসুধৈৱ কুটুম্বকম' বুলি ধাৰণা থাকিলেও বাহিৰৰ বস্তুক বিনাদ্বিধাই গ্ৰহণ কৰাৰ প্ৰৱণতা নাছিল। ইংৰাজসকল অহাৰ পাছত ভাৰতত পাশ্চাত্য ভাৱধাৰাক উদাৰমনে আকোৱালি ল'বলৈ চেষ্টা কৰে।[১০] ইংৰাজৰ শাসনৰ সময়ছোৱাত যিকেইটা ভাৱধাৰাই ভাৰতবাসীৰ মনত প্ৰতিষ্ঠা লাভ কৰিছিল তাৰ ভিতৰত জাতীয়তাবোধ বা দেশাত্মবোধেই প্ৰধান। পাশ্চাত্য চিন্তাধাৰাই যে স্বদেশপ্ৰেমৰ মাহাত্ম্য বা দেশাত্মবোধ উপলব্ধি কৰাইছিল, সেই সম্পৰ্কে ৰবীন্দ্ৰনাথ ঠাকুৰে এইদৰে কৈছে ঃ

*'স্বাদেশিক ঐক্য মাহাত্ম্য আমাৰা ইংৰেজেৰে কাছে শিখেছি।*
*জেনেছি এৰ শক্তি এৰ গৌৰৱ। দেখেছি এই সম্পৰ্কে এদেৰ*

*প্ৰেম, আত্মত্যাগ, জনহিতব্ৰত। ইংৰেজেৰে এই দৃষ্টান্ত আমাদেৰ হৃদয়ে প্ৰৱেশ কৰেছে, অধিকাৰ কৰেছে আমাদেৰ সাহিত্যিকে। আজ আমৰা দেশেৰ নামেগৌৰৱ স্থাপন কৰতে চাই মানুষেৰ ইতিহাসে।'*[১১]

**প্ৰসংগ অসম ঃ**

পাশ্চাত্যৰ যি ৰোমান্তিক কাব্যান্দোলন, সেই আন্দোলন ঊনৱিংশ শতিকাত ভাৰতত জাগৰিত হয়। স্বদেশপ্ৰেম বা দেশাত্মাবোধ ৰোমান্টিক কবিতাৰ অন্যতম বৈশিষ্ট্য। গতিকে এই ৰোমান্টিক কাব্যান্দোলনে ভাৰতত জাতীয়তাবোধ বা দেশাত্মবোধ জাগ্ৰত কৰিছিল। অসমীয়া ৰোমান্তিক স্বদেশপ্ৰেম ইংৰাজী ৰোমান্তিক কবিতাৰ পৰোক্ষ দান।[১২] অসমীয়া ৰোমান্তিক কবিতাত দেশাত্মবোধৰ যি স্পন্দন সেয়া অসমীয়া কবিসকলৰ ইংৰাজী কবিতা আৰু বাংলা কবিতা অধ্যয়নৰ ফল। অসমীয়া কবিতাৰ দেশাত্মবোধৰ প্ৰথম উচ্চাৰণ কৰিছিল কমলাকান্ত ভট্টাচাৰ্যই। ঊনবিংশ শতিকাৰ শেষ অসমীয়া কবিতাৰ নৱজাগৰণৰ যুগ। এই সময়ছোৱাত অৰ্থাৎ ১৮৯৯ চনত জোনাকী আলোচনীয়ে অসমীয়া কবিতালৈ ৰোমান্তিক যুগক আদৰি আনে। জোনাকী আলোচনীৰ পাততে অসমীয়া দেশাত্মবোধক কবিতাই জন্ম লাভ কৰে। অসমীয়া ৰোমান্তিক কবিতাৰ দেশাত্মবোধ দুই ধৰেণেৰে পৰিলক্ষিত হয়— প্ৰাদেশিক চেতনাৰে আৰু ভাৰতীয় জাতীয়তাবোধেৰে। অসমীয়া দেশাত্মবোধক কবিতাৰ ক্ষেত্ৰত প্ৰাদেশিক চেতনা সমৃদ্ধ কবিতাৰ সংখ্যাই বেছি।

এই প্ৰাদেশিক চেতনাৰ প্ৰথম তীব্ৰ উত্তেজনা সৃষ্টি হয় কমলাকান্ত ভট্টাচাৰ্যৰ কবিতাত। ভট্টাচাৰ্যই অসম তথা অসমীয়াৰ দুৰৱস্থা দেখি শান্তি পোৱা নাছিল। পাশ্চাত্যৰ দেশবোৰৰ উন্নতিৰ শিখৰত উপনীত হোৱা দেখি আৰু নিজৰ দেশ অসমত অসমীয়াৰ গাত কোনো সংস্কাৰমুক্ত নতুনত্ব আহি নপৰাত কবিয়ে আক্ষেপ কৰিছে আৰু তীব্ৰ ভাষাৰে গৰিহণা দিছে ঃ

এই নে অসম নহয় শ্মশান?
মনুষ্যত্বহীন যত নাৰী নৰ
ঊনৈশ শতিকা সভ্য জগতত

কি বাবে সকলো ভিক্ষাৰী পৰৰ?

*(পূৰ্ণিমাৰ ৰাতিলৈ চাই)*

কমলাকান্ত ভট্টাচাৰ্যৰ উপৰিও লক্ষীনাথ বেজবৰুৱাও দেশাত্মবোধৰ অনলস পূজাৰী। বেজবৰুৱাই অৱশ্যে ইংৰাজৰ সাম্ৰাজ্যবাদৰ বিৰুদ্ধে সংগ্ৰাম কৰা নাছিল। তথাপিও তেওঁৰ কবিতাত দেশাত্মবোধৰ বাণী শুনা যায়। অসম জননীৰ প্ৰতি থকা ভালপোৱা এইদৰে তেওঁৰ কবিতাত অভিব্যক্ত হৈছে ঃ

অ' মোৰ ওপজা ঠাই।
অ' মোৰ অসমী আই!
চাই লওঁ তোমাৰ
মুখনি এবাৰ
হেঁপাহ মোৰ পলোৱা নাই।"

*(মোৰ দেশ)*

বেজবৰুৱাই ইংৰাজৰ বিৰুদ্ধে কোনো লিখনি হাতত নোলোৱাকৈয়ো এগৰাকী আগশাৰীৰ দেশপ্ৰেমিক হ'ব পাৰিছিল। বেজবৰুৱা প্ৰকৃতপক্ষে আছিল অসমীয়া জাতিৰ প্ৰেৰণাৰ উৎস। বেজবৰুৱাই তেওঁৰ বীণ বৰাগী' কবিতাৰ মাজতো জাতীয় চেতনা প্ৰকাশ কৰি এক সুস্থ আশাৰ সঞ্চাৰ কৰিছে।

"নতুন প্ৰাণৰ ন চকু যুৰি দীপিতি ঢালি দে তাত
পুৰণি পৃথিৱীক নকৈ চাই লওঁ, হে বীণ এষাৰি মাত।"

*(বীণ-বৰাগী)*

দেশাত্মবোধৰ মহান চানেকিৰে উজ্জ্বল কবিসকলৰ ভিতৰত হিতেশ্বৰ বৰবৰুৱা অনত্যম। বৰবৰুৱাদেৱে অসমীয়া জাতিক উদ্বুদ্ধ কৰিবলৈ কবিতাত বুৰঞ্জীমূলক কাহিনীৰ আলম লৈছিল। দেশাত্মবোধৰ অনুৰাগেৰে ৰঞ্জিত তেওঁৰ কাব্যসমূহৰ ভিতৰত 'যুদ্ধক্ষেত্ৰত আহোম ৰমণী' উল্লেখযোগ্য। কবিয়ে উক্ত কাব্যগ্ৰন্থৰ কবিতাত কৈছে ঃ

'স্বদেশৰ স্বাধীনতা, তাৰ অৰ্থে যিটো
জীৱন উৎসৰ্গ কৰি মৰে সমৰত,
মৃত্যু তাৰ হয় শান্তি মহানিদ্ৰা তাৰ
অনন্ত বিশ্ৰাম মাথোঁ বিশ্বজননীৰ
কোলাত (শান্তিৰে ভৰা) অগ্নি তাৰ কাযে

সুধাংশুৰ কোমল শয্যা, শেল শূল গাত
মাথোঁ পুষ্প বৰিষণ।”

*(যুদ্ধক্ষেত্ৰত আহোম ৰমণী ৪ৰ্থ সৰ্গ)*

হিতেশ্বৰ বৰবৰুৱাৰ পিছত দেশাত্মবোধৰ তীব্ৰ আন্তৰিকতাৰে কবিতা লিখা কবি হ'ল নলিনীবালা দেৱী। তেওঁৰ 'জন্মভূমি' এটি শ্ৰেষ্ঠ দেশাত্মবোধক কবিতা। এই কবিতাটিত কবিৰ দেশৰ প্ৰতি থকা অকৃত্ৰিম ভালপোৱাৰ বাণী এইদৰে ধ্বনিত হৈছে ঃ

অ' মোৰ চেনেহী দেশ তোমাৰ দুখীয়া পঁজা
ৰচা তাত শান্তিৰ স্বৰগ
ক'ত পাম এনে প্ৰীতি সৰল প্ৰাণৰ ভাষা
সেৱাৰ মহিমাময় ত্যাগ?'

*(জন্মভূমি)*

জন্মভূমিক লৈ ৰোমান্তিক যুগত ভালেমান কবিয়ে কবিতা লিখিছে। তেওঁলোকৰ ভিতৰত লক্ষীনাথ বেজবৰুৱা, বিনন্দ চন্দ্ৰ বৰুৱা, পদ্মধৰ চলিহা, তৰুণ ৰাম ফুকন প্ৰভৃতি। তৰুণ ৰাম ফুকনৰ 'আই মোৰ অসমী' প্ৰাদেশিক চেতনাসমৃদ্ধ এটি সুন্দৰ কবিতা। কবিয়ে কবিতাটোত দুখুনী অসমী আইৰ ছবি আঁকিছে এইদৰে ঃ

'আই মোৰ অসম, নিছলা অসম, দুখুনী অসম আমাৰ দেশ
কিয়নো আই তোৰ, এনুৰা বিলাই, কিয়নো আই তোৰ এনুৰা বেশ
কিয়নো আই তই চকুলো টুকিছ, নাবান্ধ আই তই মূৰৰ কেশ,
লাখ লাখ তোৰ ল'ৰা-ছোৱালীয়ে, সাদৰি মাতিছে, আমাৰ দেশ।'

*(আই মোৰ অসম)*

দেশাত্মবোধৰ দ্বিতীয়টো ধাৰা ভাৰতীয় জাতীয়তাবোধেৰে জাগৰিত হৈছে। জাতীয়তাবোধৰ সাধনাত অসমীয়া কবিৰ অৱদান যথেষ্ট। এই ভাৰতীয় জাতীয়তাবোধ প্ৰথমে অসমীয়া কবিতাত কমলাকান্ত ভট্টাচাৰ্যৰ কবিতাৰে ঘোষিত হয়। কবি ভট্টাচাৰ্যই তেওঁৰ অন্তৰৰ আক্ষেপ প্ৰকাশ কৰি কৈছে এনেদৰে ঃ

কি সুধিছে ভাৰতৰ নাই সেই দিন
ধৰ্মহীন জাতি-আজি ভাৰত সন্তান,
হীন বীৰ্য্য, কাপুৰুষ মন বৰ ঠেক

প্ৰেমহীন স্বদেশলৈ পৰম অজ্ঞান

*(হিমালয়ৰ প্ৰতি সম্বোধন)*

অসমীয়া কবিতাত দেশাত্মবোধৰ অনল জ্বলোৱা কবিসকলৰ ভিতৰত প্ৰসন্নলাল চৌধুৰী আৰু অম্বিকাগিৰী ৰায়চৌধুৰী অন্যতম শ্ৰেষ্ঠ কবি। এই দুয়োগৰাকী কবিয়ে অসমীয়া জাতিৰ গাত কবিতাৰ উগ্ৰ ভাষাৰে দেশাত্মবোধৰ তীব্ৰ চেতনা সঞ্চাৰ কৰিছিল। প্ৰসন্নলাল চৌধুৰীয়ে ভাৰতৰ স্বাধীনতা আন্দোলনত সক্ৰিয় অংশ গ্ৰহণেৰে তেওঁৰ দেশাত্মবোধৰ পৰিচয় দিছিল। সেই সক্ৰিয় দেশাত্মবোধ তেওঁ কবিতাৰ মাজেৰে প্ৰকাশ কৰিছিল। চৌধুৰীয়ে তেওঁৰ 'বিদ্ৰোহী' নামৰ কবিতাত স্বাধীনতাৰ বাবে বিদ্ৰোহৰ অগ্নি জ্বলাইছে এইদৰে ঃ

বন্ধকাৰাৰ অন্ধকাৰত
জুই লৈ কৰোঁ খেল,
মৃত্যু মেঘৰ নৃত্য সভাত
পাতো জীৱন গুপ্ত মেল।
* * * * *
তোলো উদ্যাম ৰোল
খেদি যাচি দিওঁ গল,
এৰি যাওঁ যুগ যুগান্তব্যাপী
তৰুণ তেজৰ বোল।"

*(বিদ্ৰোহী)*

অম্বিকাগিৰী ৰায়চৌধুৰীৰ কবিতাতো দেশাত্মবোধৰ প্ৰচণ্ড অগ্নিময় বাণী ঘোষিত হৈছে। তেওঁৰ কবিতায়ো স্বাধীনতাকামী অসমীয়া ডেকাৰ তেজত অনল শিখা জ্বলাই তুলিছিল। 'জাগ জাগ তেজ জাগ' কবিতাৰে কবিয়ে ডেকাশক্তিৰ প্ৰাণত দুৰ্বাৰ সাহস আৰু আত্মপ্ৰত্যয় আনি দিছে এইদৰে ঃ

'জাগ ডেকা তেজ জাগ আজি জাগ,
আগ্নেয়গিৰি উগাৰি জাগ,
এলাহৰ গাঁঠি ভাঙি গুৰি কৰি
কৰ্ম ধাৰাৰে ধৰণী ঢাক।"

*(জাগ ডেকাতেজ জাগ)*

## ❖ জ্যোতিপ্ৰসাদ আৰু নজৰুলৰ কবিতাত দেশাত্মবোধ ❖

অসমীয়া কবিতাত দেশাত্মবোধ পাশ্চাত্য কবিতাৰ ফলশ্ৰুতিত আহিছিল যদিও পৰৱৰ্তী সময়ত কবিসকলে প্ৰত্যক্ষভাৱে জাতীয় চেতনা তথা স্বাধীনতা আন্দোলনত আগভাগ লৈ কবিতাৰ মাধ্যমেৰে অসমৰ জনসাধাৰণক দেশাত্মবোধৰ বাণী শুনাইছিল আৰু তেওঁলোকক উদ্বুদ্ধ কৰি তুলিছিল।

**প্ৰসংগ বংগদেশ ঃ**

অসমৰ তুলনাত বংগদেশত দেশাত্মবোধক কবিতাৰ ধাৰাটো কিছু বছৰ আগতে আৰম্ভ হৈছিল। ইংৰাজসকলে অসমতকৈ বংগদেশক আগতে তেওঁলোকৰ অধীন কৰিছিল। ফলত পাশ্চাত্যৰ বিভিন্ন দিশ যেন— সাহিত্য, সংস্কৃতি প্ৰভৃতিৰ সৈতে বংগদেশৰ মানুহে অসমতকৈ আগতে পৰিচিত হৈছিল। ঊনবিংশ শতিকাৰ আগভাগতে বংগদেশত ৰোমান্তিক জাগৰণৰ সূচনা হয়। সেই মৰ্মে বাংলা কবিতাতো ৰোমান্তিক চেতনা আদি পৰে। দেশাত্মবোধক কবিতাৰ ধাৰাটো বাংলা কবিতাত ঊনবিংশ শতিকাৰ মাজভাগত আৰম্ভ হয়।

এই দেশাত্মবোধক কবিতাৰ ধাৰাটো বাংলা সাহিত্যত প্ৰথম আদৰি আনে ঈশ্বৰ গুপ্তই। ঊনবিংশ শতিকাৰ মাজভাগৰ পৰা ঈশ্বৰ গুপ্তই দেশাত্মবোধক কবিতা ৰচনা কৰিছিল। ঈশ্বৰ গুপ্তই তেওঁৰ কবিতাৰে বাংলা জনসাধাৰণৰ হৃদয়ত স্বদেশ প্ৰেমৰ বন্যা বোৱাই দিছিল। তেওঁৰ কবিতাই বাংলা জনসাধাৰণক অনুপ্ৰেৰণা দিছিল। তেওঁ জননী ভাৰত ভূমিক এইদৰে কবিতাৰ মাজত প্ৰকাশ কৰিছিল ঃ

জননী ভাৰতভূমি আৰ কেন থাক তুমি
ধৰ্মৰূপ ভূষাহীন হয়ে।
তোমাৰ কুমাৰ যত সকলেই জ্ঞান হত
মিছে কেন মৰ ভাৰ বয়ে ?

ঈশ্বৰ গুপ্তই প্ৰথম কবিতাৰ মাজেৰে স্বদেশক অভিনন্দিত কৰিছিল। ঈশ্বৰ গুপ্তৰ পিছত ৰংগলাল বন্দোপধ্যায়, মাইকেল মূধুসূদন দত্ত, হেমচন্দ্ৰ বন্দোপধ্যায়, নবীন চন্দ্ৰ সেন, বিহাৰী লাল চক্ৰৱৰ্তী, ৰবীন্দ্ৰনাথ ঠাকুৰ প্ৰভৃতি উল্লেখযোগ্য দেশাত্মবোধক কবি। এইসকল কবিয়ে বাংলা কবিতাত দেশাত্মবোধক কবিতাৰ ধাৰাটোক এক গতি প্ৰদান কৰিছিল।

কবি ৰংগলাল বন্দোপাধ্যায়ে স্বদেশপ্ৰেমৰ ধাৰাটোক আগবঢ়াই নিছিল।

ৰংগলালে তেওঁৰ কবিতাত দেশাত্মবোধ এইদৰে ব্যক্ত কৰিছে ঃ

'স্বাধীনতাহীনতায় কে বাঁচিতে চায় হে কে বাঁচিতে চায়।
দাসত্ব শৃংখল বল, কে পৰিবে পায় হে কে পৰিবে পায়?
কোটি কল্প দাস থাকা নৰকেৰ প্ৰায় হে, নৰকেৰ প্ৰায়।
দিনেকেৰ স্বাধীনতা স্বৰ্গসুখ তায় হে, স্বৰ্গসুখ তায়।।'

ইয়াৰ পিছত মাইকেল মধুসূদন দত্তৰ আবিৰ্ভাৱ হয়। মধুসূদন দত্তই কবিতাত ভাৰত প্ৰসংগ অতি আন্তৰিকতাৰে উল্লেখ কৰিছে। যিয়ে তেওঁৰ প্ৰৱল জাতীয়তাবাদৰ কথা সুচাইছে। তেওঁ কৈছে ঃ

নাৰিনু মা, চিনিতে তোমাৰে
শৈশবে অবোধ আমি! ডাকিলা যৌবনে,
(যদিও অধমপুত্ৰ মা কি ভুলে তাৰে? )
এবে— ইন্দ্ৰ প্ৰস্থ ছাড়ি যাই দূৰ বনে।
এই বৰ, হে বৰদে মাগি শেষ বাৰে।
জ্যোতিৰ্ময় কৰ বংগে ভাৰতৰতনে।"

মাইকেল মধুসূদন দত্তক গুৰু বৰণ কৰি আগবাঢ়ি অহা বাংলা কবিসকলৰ ভিতৰত হেমচন্দ্ৰ বন্দোপাধ্যায় অন্যতম। বাংলা কবিতাত দেশাত্মবোধক কবিতাক হেমচন্দ্ৰ বন্দোপাধ্যায়ে অগ্নিময় ৰূপ প্ৰদান কৰিছিল। তেওঁৰ 'চিন্তাতৰংগিনী' আৰু 'বৃত্ৰসংহাৰ' দুখন উল্লেখযোগ্য কাব্যপুথি। হেমচন্দ্ৰই ঈশ্বৰ গুপ্তৰ আৰ্দেশেৰে বাংলাৰ তৎকালীন সামাজিক আৰু ৰাজনৈতিক ভণ্ডামীৰ ওপৰত তীব্ৰ ব্যংগৰে আঘাত হানিছিল। হেমচন্দ্ৰই তেওঁৰ কবিতাত পৰাধীন ভাৰতবৰ্ষক শ্মশানৰ লগত তুলনা কৰি লেখিছিল ঃ

হয়চে শ্মশান এ ভাৰত ভূমি!
কাৰে বা উচ্চে ডাকিতেছি আমি,
গোলামেৰে জাতি শিখিছে গোলামি!
আৰ কি ভাৰত সজীৱ আছে।।"

ঊনবিংশ শতিকাৰ আন এজন বিস্ময়কৰ বাংলা কবি চৰিত্ৰ হৈছে নবীন চন্দ্ৰ সেন।

বাংলা কাব্যসাহিত্যত দেশাত্মবোধ কবিতাৰ ধাৰাটোৰে এইগৰাকী কবিৰ

হাততো এক গতি লাভ কৰে। নবীনচন্দ্ৰ সেনেও হেমচন্দ্ৰৰ দৰে পৰাধীন ভাৰতভূমিক শ্মশানৰ লগত তুলনা কৰি এইদৰে কৈছে ঃ

যেই দিকে দেখি— এই মহানল !
কোথায় ভাৰত ?— অনন্ত শ্মশান !
ৰাবনেৰ চিতা, লংকাৰ প্ৰমাণ !

*(শব-সাধন)*

নবীন চন্দ্ৰ সেনৰ পিছত বাংলা দেশাত্মবোধক কবিতাৰ ধাৰাটোত বিহাৰীলাল চক্ৰৱৰ্তী সংযোজিত হয়। এই সকল কবিৰ পিছত বংগদেশত বাংলা সাহিত্যৰ গুৰি ধৰে ৰবীন্দ্ৰনাথ ঠাকুৰ। ৰবীন্দ্ৰ ঠাকুৰৰ কবিতাত ভাৰত চেতনা অতি স্পষ্ট ৰূপত প্ৰকাশিত হৈছে। ৰবীন্দ্ৰ নাথ ঠাকুৰৰ কবিতাৰ যি ভাৰত চেতনা সেয়া তেওঁৰ অন্তৰত সজীব হৈ থকা দেশাত্মবোধৰ প্ৰকাশ মাথোন। তেওঁৰ 'গীতাঞ্জলি' কাব্যপুথিত সন্নিৱিষ্ট 'ভাৰততীৰ্থ' নামৰ কবিতাত ভাৰত চেতনা এইদৰে ঘোষিত হৈছে ঃ

হে মোৰ চিত্ত, পূণ্য তীৰ্থে
জাগো ৰে ধীৰে
এই ভাৰতেৰ মহামানৰে
সাগৰ তীৰে।"

*(ভাৰত তীৰ্থ)*

তেওঁ আকৌ কৈছে ঃ

দুঃসহ ব্যথা হয়ে অবসান
জন্ম লভিবে কী বিশাল প্ৰাণ
পোহায় ৰজনী, জাগিছে জননী
বিপুল নীড়ে
এই ভাৰতেৰ মহামানবেৰ
সাগৰ তীৰে।

*(ভাৰত তীৰ্থ)*

উপৰোক্ত আলোচনাৰ পৰা প্ৰতীয়মান হ'ল যে অসম আৰু বংগদেশৰ দেশাত্মবোধক কবিতাৰ যি পটভূমি সেয়া ভাৰতৰ স্বাধীনতা আন্দোলন আৰু

দেশীয় সামাজিক আৰু অৰ্থনৈতিক ভণ্ডামীৰ কবিসকলৰ তীব্ৰ জেহাদ। অসম আৰু বংগদেশত ইংৰাজসকলৰ আগমনে অসমীয়া আৰু বাংলা জনসাধাৰণৰ মনত দেশাত্মবোধৰ জন্ম দিছিল। এই দেশাত্মবোধৰ ৰাজ্যৰ কবিসকলৰ কাব্যিক প্ৰচেষ্টাত তীব্ৰ ৰূপ প্ৰকাশিত হৈছিল। ■

# জ্যোতিপ্ৰসাদ আগৰৱালা আৰু নজৰুল ইছলামৰ দেশাত্মবোধক কবিতাৰ বিশ্লেষণ

জ্যোতিপ্ৰসাদ আগৰৱালা আৰু নজৰুল ইছলাম দুয়োগৰাকী ভাৰতৰ দুই প্ৰতিবেশী ৰাজ্য অসম আৰু বংগৰ প্ৰতিনিধিস্থানীয় কবি। বিংশ শতিকাৰ প্ৰায় দ্বিতীয় দশকৰ পৰা কবিতা, নাটক, গীত আদিৰে অসমত এক্য নব্য আধুনিকতাৰ সূচনা কৰা জ্যোতিপ্ৰসাদ আগৰৱালাৰ বিপৰীতে নজৰুল ইছলামেও প্ৰায় সমসাময়িক সময়ৰ পৰাই বংগদেশত নাটক , কবিতা, গীত, উপন্যাস আদিৰে নব্যানুভূতিৰ সঞ্চাৰ কৰিছিল। বিংশ শতিকাত অসম আৰু বংগত ভাৰতৰ স্বাধীনতা আন্দোলনৰ উত্তপ্ত পৰিৱেশ। এই সময়চোৱাতেই অসম আৰু বংগদেশ জ্যোতিপ্ৰসাদ আগৰৱালা আৰু নজৰুল ইছলামে দেশাত্মবোধৰ অগ্নি মন্ত্ৰেৰে দীক্ষিত হৈ তেওঁলোকৰ সৃষ্টিৰ মাজত দেশাত্মবোধৰ অনল শিখা জ্বলাবলৈ চেষ্টা কৰিছিল।

জ্যোতিপ্ৰসাদ আগৰৱালা আৰু নজৰুল ইছলাম দুয়োগৰাকী বিপ্লৱী কবি। জ্যোতিপ্ৰসাদ আগৰৱালা মূলতঃ এগৰাকী কবি-শিল্পী। তেওঁৰ নাট্যকাৰ ৰূপটোও এই কবি সত্তাৰেই পৰিচায়ক মাথোন। নজৰুল ইছলামো এগৰাকী বিদ্ৰোহী কবি। তেওঁৰ গীত আৰু কবিতাৰ মাজত দেশাত্মবোধৰ সুন্দৰ প্ৰতিফলন ঘটিছে। যিহেতু দুয়োগৰাকী কবিৰ জন্ম পৰাধীন ভাৰতত গতিকে দুয়োগৰাকীৰ কবিৰ কবিতাত স্বদেশানুৰাগ অগ্নিস্ফুলিঙ্গৰ ৰূপত উজ্জ্বলি উঠিছে।

## ❖ জ্যোতিপ্ৰসাদ আৰু নজৰুলৰ কবিতাত দেশাত্মবোধ ❖

জ্যোতিপ্ৰসাদ আগৰৱালা আৰু নজৰুল ইছলাম দুয়োজনেই সমাজ প্ৰিয় কবি। গতিকে দুয়োগৰাকীৰ ভিতৰত কবিতাৰ মাজত সমাজৰ প্ৰতি দায়বদ্ধতা বিদ্যমান।

দুয়োগৰাকী কবিৰ কবিতাত দেশাত্মবোধ কি দৰে প্ৰতিফলিত হৈছে তাক কবি দুগৰাকীৰ কবিতাৰ সুকীয়া বিশ্লেষণৰ মাধ্যমেৰে দাঙি ধৰিবলৈ প্ৰয়াস কৰা হ'ল ঃ

**জ্যোতিপ্ৰসাদ আগৰৱালাৰ কবিতাত দেশাত্মবোধ ঃ**

বিংশ শতিকাৰ দ্বিতীয়াৰ্ধ অসমত ৰোমান্তিক চেতনাৰ পয়োভৰ কাল, লগতে অসমত স্বাধীনতা আন্দোলনৰ ভৰপক অৱস্থা। গতিকে এনে সময়ছোৱাতেই জ্যোতিপ্ৰসাদ আগৰৱালাৰ আবিৰ্ভাৱ হয়। তেওঁৰ কবিতাৰ ৰোমান্তিক ভাৱাদৰ্শৰ উত্থান ঘটিছে যদিও অন্যান্য ৰোমান্তিক কবিসকলতকৈ তেওঁৰ কবিতাত সমাজ চেতনাত আৰু স্বদেশ হিতৈষণা আছিল অধিক। সেই সময়ত অসমৰ সাহিত্য জগতত পাশ্চাত্য ভাৱধাৰাৰ প্ৰত্যক্ষ আৰু পৰোক্ষ প্ৰতিফলন হৈছিল। জ্যোতিপ্ৰসাদ আগৰৱালাৰ ওপৰত মাৰ্ক্সীয় চিন্তাধাৰাৰ প্ৰভাৱ পৰিছিল যদিও জ্যোতিপ্ৰসাদ আগৰৱালাই মুখ্যতঃ গুৰুত্ব দিছিল অসমৰ জাতীয় চেতনাৰ প্ৰতি। ১৯২১ চনত চলা অসহযোগ আন্দোলনে জ্যোতিপ্ৰসাদ আগৰৱালাক বাৰুকৈয়ে উদ্বুদ্ধ কৰিছিল। সেয়েহে তেওঁৰ কবিতাত স্বাধীনতা আন্দোলনৰ পৰৱৰ্তী সময়ছোৱাৰ অসমৰ জনসাধাৰণৰ অৱস্থা অতি স্পষ্ট ৰূপত প্ৰতিফলিত হৈছে। অকল সেয়াই নহয় স্বাধীনতাৰ পৰৱৰ্তী অসমত চলা শোষণ নীতিৰ বিৰুদ্ধেও জ্যোতিপ্ৰসাদ আগৰৱালাৰ কবিতাৰ তীব্ৰ প্ৰত্যাহ্বানৰ সুৰ অনুৰণিত হোৱা দেখা যায়। যি তেওঁৰ গভীৰ দেশাত্মবোধৰেই পৰিচায়ক মাথোন।

জ্যোতিপ্ৰসাদ আগৰাবালাৰ কবিতাত দেশাত্মবোধ কেৱল স্বাধীনতা আন্দোলনৰ পটভূমিৰ ভিত্তিত চালেই ধৰিব নোৱাৰি। তেওঁৰ দেশাত্মবোধক কবিতাক কেইবাটাও শ্ৰেণীত ভগাব পাৰি, যেনে— প্ৰাদেশিক চেতনা সমৃদ্ধ, ৰাষ্ট্ৰীয় চেতনা সমৃদ্ধ আৰু বিশ্বচেতনা সমৃদ্ধ। জ্যোতিপ্ৰসাদ আগৰৱালাৰ কবিতাসমূহৰ মাজত নিৰ্দেশিত হোৱা দেশাত্মবোধ তেওঁৰ মনত পুঞ্জীভূত হৈ থকা উক্ত চেতনাসমূহৰ ফল মাথোন। তলত জ্যোতিপ্ৰসাদ আগৰৱালাৰ কবিতাত

কি দৰে উক্ত চেতনাসমূহ প্ৰতিফলিত হৈছে, তাক দেখুওৱাৰ যত্ন কৰা হ’ল ঃ

**প্ৰাদেশিক চেতনা ঃ**

জ্যোতিপ্ৰসাদ আগৰৱালা অসমৰ জাতীয়বাদী কবি বুলি পৰিচিত। শৈশৱৰ পৰাই জ্যোতিপ্ৰসাদ আগৰাৱালাৰ হৃদয়ত দেশাত্মবোধৰ অংকুৰ ফুটি উঠিছিল। ১৯২১ চনত হোৱা অসহযোগ আন্দোলনৰ তীব্ৰতাই জ্যোতিপ্ৰসাদৰ শিশু মনক জাগ্ৰত কৰি পৰৱৰ্তী কালত জাতীয়তাবাদৰ তীব্ৰতা আনি দিছিল। জ্যোতিপ্ৰসাদ আগৰৱালাই কেৱল নিজকে এই দিশত জাগ্ৰত কৰিছিল এনে নহয় সদৌ অসমবাসীকে এই দিশত আগবাঢ়ি আহিবলৈ জাগৰণি মন্ত্ৰ দিছিল। তেওঁ কবিতাৰ বাণীৰে অসমৰ সকলো বাসিন্দাকে জাতি, ধৰ্ম নিৰ্বিশেষে ঐক্যবদ্ধ ৰূপত দেশৰ মুক্তিৰ হকে আগবাঢ়িবলৈ আহ্বান জনাইছিল। তেওঁৰ দৃষ্টিত অসমৰ মানুহ মানে প্ৰাক্ স্বাধীনতা কালৰ বৰ অসমৰ সমগ্ৰ মানুহ। তেওঁৰ কবিতাৰ মাজত এইদৰে জাতীয়তাবোধ প্ৰকাশ কৰিছে।

“ময়েই খাছীয়া
মই জয়ন্তীয়া
ডফল আবৰ অঁকা,
ময়েই চিংফৌ....
ভয়ামৰ মিৰি
সোৱণশিৰীয়া ডেকা
বিজয়ী আহোম কছাৰী-কোচৰ
মেছৰ কুমাৰ মই
ৰাজবংশী ৰাভা
কপালত জ্বলে শত গৌৰৱৰ আভা।
মই—
লালুং চুটিয়া
লুচাই মিকিৰ গাৰো,
মিছিমি-খামতি
নগা আংগামী বীৰ,

পৰ্বতে পাহাৰে
জ্বলিছে উচ্চশিৰ
সাম্য মৈত্ৰীৰ ময়েই ৰণুৱা
চাহ বাগিছাৰ ময়েই বনুৱা
ন-অসমীয়া মৈমানছিঙীয়া
থলুৱা নেপালী
নৃত্য-কুশলী মণিপুৰীয়া মই।”

*(অসমীয়া ডেকাৰ উক্তি)*

জ্যোতিপ্ৰসাদ আগৰৱালা আছিল এগৰাকী সমাজ দায়বদ্ধ কবি। সেয়ে তেওঁৰ কবিতাত জনতাৰ স্বাৰ্থই সদায় আগস্থান পায়। জনতাৰ আত্মমুক্তিৰ স্বাৰ্থই জ্যোতিপ্ৰসাদৰ দেশাত্মবোধৰ মুখ্য উদ্দেশ্য। সেয়েহে জনতাৰ পূজা জ্যোতিপ্ৰসাদৰ প্ৰতিটো কবিতাত গুঞ্জৰিত হয়। তেওঁ কৈছেঃ

“জনতা তোৰ প্ৰাণৰো প্ৰাণত মনৰো মনত
শিল্পী যে মই লুকাই লুকাই থাকো।”

জ্যোতিপ্ৰসাদ আগৰৱালাৰ কবিতাত সমাজৰ স্বাৰ্থলোভী শোষক শ্ৰেণীটোৰ প্ৰতিও সাৱধান বাণী শুনা যায়। ‘সাৱধান, সাৱধান’, ‘এটা পগলা খেতিয়ক’, ‘এটা মাতোৱালা বনুৱা’, ‘অসমীয়া ছোৱালীৰ উক্তি’ প্ৰভৃতি কবিতাত অসমৰ সাধাৰণ গ্ৰাম্য মানুহৰ হৈ বিপ্লৱী বাণী ধ্বনিত হৈছে। কবিয়ে ‘সাৱধান সাৱধান’ কবিতাত স্বাৰ্থলোভী ধনীক শোষক শ্ৰেণীটোক তীব্ৰ হুংকাৰ দিছে এইদৰেঃ

“সুবিধাবাদীৰ দল!
তোৰ মিছা হ’ব কৌশল,
ৰাইজৰ তই সেৰা চুৰ কৰি
বঢ়াব খুজিছ বল।
*    *    *    *    *
জনতাক ভৰা ছল-চাতুৰীৰ
আলসতে গজা কোৱাভাতুৰীৰ
স্বৰূপ ওলাই গ’ল,

তই হাতে হাতে পাবি ফল
হেৰ’ খকুৰাৰ দল।
*  *  *  *  *
ৰাষ্ট্ৰনীতিৰ
সমাজনীতিৰ
ৰাজনীতিৰ
অৰ্থনীতিৰ তোৰ
থৈ দে ফোপোলা জ্ঞান’
জনতা পূজাৰ ভাও দি ভাও দি
নেদেখুৱাবি
ঘৃণিত তোৰ অহংকাৰৰ নেতৃত্বভিমান
জনতাই তোৰ স্বৰূপ চিনিছে
সাৱধান সাৱধান।।”

*(সাৱধান-সাৱধান)*

এইদৰে জ্যোতিপ্ৰসাদ আগৰৱালাই নিৰীহ জনতাক শোষণৰ মায়াজালৰ মাজত আৱদ্ধ ৰাখিব খোজা সুবিধাবাদী শোষকসকলক জনতাৰ সন্মুখত তেওঁলোকৰ স্বৰূপ উদঙাই দিছে।

জ্যোতিপ্ৰসাদ আগৰৱালা মুখ্যতঃ এজন কবি শিল্পী। তেওঁৰ নাটক, গীত, তথা অন্যান্য সৃষ্টিৰাজি এই কবি শিল্পীৰ অভিব্যক্তি মাথোন। জ্যোতিপ্ৰসাদ আগৰৱালাৰ জীৱনত ১৯২১ চনৰ অসহযোগ আন্দোলন আৰু ১৯৪২ চনৰ ভাৰত ত্যাগ আন্দোলন— এই দুয়োটা ঐতিহাসিক আন্দোলনৰ প্ৰভাৱ কিমান প্ৰগাঢ় আছিল সেয়া তেওঁৰ ‘লভিতা’ আৰু অৰ্ধসম্পূৰ্ণ নাটক ‘কনকলতা’ তথা গীত আৰু কবিতাৰ মাজত স্পষ্টৰূপত প্ৰতিফলিত হৈ আছে। জ্যোতিপ্ৰসাদ আগৰৱালাৰ হৃদয়ত অসমৰ মাটি-পানীৰ তেজ প্ৰৱাহমান। সেয়েহে তেওঁৰ সৃষ্টিৰ মাজত বিশেষকৈ কবিতাত অসমৰ মানুহ, অসমৰ মাটি-পানীৰ প্ৰতি সচেতন দৃষ্টিভংগী বিদ্যমান। জ্যেতিপ্ৰসাদ আগৰৱালাৰ কবিতাত দেশাত্মবোধ স্বাভাৱিক দৃষ্টিৰেই পৰিলক্ষিত। তেওঁৰ কবিতাত প্ৰকাশিত হোৱা প্ৰাদেশিক চেতনা যি তেওঁৰ জাতীয়তাবাদী বিপ্লৱী সত্তাৰ পৰিচায়ক। ‘লাচিতৰ আহ্বান’, ‘কনকলতা’,

'জ্যোতিশংখ', 'অসমৰ নবীন জোৱানৰ সংকল্প মুক্তি', 'গাঁৱৰ জীয়াৰী', 'অসমীয়া ছোৱালীৰ উক্তি', প্ৰভৃতি কবিতাত জ্যোতিপ্ৰসাদ আগৰৱালাৰ প্ৰাদেশিক চেতনা সুন্দৰকৈ প্ৰতিধ্বনিত হৈছে। 'লাচিতৰ আহ্বান' তেওঁৰ প্ৰাদেশিক চেতনাসমৃদ্ধ এটি সন্দুৰ কবিতা। এই কবিতাটোত কবি আগৰৱালাই শৰাইঘাটৰ ৰণৰ মহানায়ক জাতীয় বীৰ লাচিতৰ আদৰ্শেৰে নিশকটীয়া জাতিক স্বাধীনতা আন্দোলনত উদ্বেলিত হ'বলৈ আহ্বান জনাইছে ঃ

নতুন দিনৰ অসমীয়া
যুগে যুগে হ'বি তই
শৰাইঘটীয়া
তোৰ দেশ ৰাখিবলৈ
গঢ়ি গঢ়ি লবি তই
নতুন হিলৈ
চিৰজয়ী হবি তই।
মাভৈ মাভৈ।
মোমাই দুখগু কৰা
তৰোৱাল এতিয়াও লই
তহঁতৰ কাষে কাষে
ঘূৰি ফুৰি
বিৰাজিছোঁ।
শকতৰ সূৰ্য সম মই
নাই ভয়, হ'ব তোৰ জয়।"

জ্যোতিপ্ৰসাদ আগৰৱালাৰ এটি বিপ্লৱী প্ৰাণ আছিল। এই বিপ্লৱী প্ৰাণত সঞ্জীৱিত হৈ আছিল অসমীয়া জাতীয় চেতনা। প্ৰকৃতাৰ্থত ক'বলৈ হ'লে জ্যোতিপ্ৰসাদ আগৰৰৱালাৰ জীৱনটোৱেই আছিল বিপ্লৱী। সেয়েহে দেশৰ দেশাত্মবোধ এই জীৱনজোৰা বিপ্লৱৰ প্ৰতিফলন। তেওঁৰ বিপ্লৱ ব্যক্তিগত সিদ্ধ নহয়, ই সামূহিক অৰ্থাৎ জনতাৰ মুক্তিৰ বিপ্লৱ। অসম তথা অসমীয়াৰ প্ৰতি জ্যোতিপ্ৰসাদৰ আছিল অকৃত্ৰিম স্নেহ। জ্যোতিপ্ৰসাদ আগৰৱালাই বিপ্লৱ সম্পৰ্কে নিজেই কৈছে এইদৰে ঃ

*“সমাজক প্ৰকৃত সাংস্কৃতিক জীৱন বিকা কৰিবলৈ দিবলৈ হ'লে, সেই সমাজৰ ভিতৰত থকা সংস্কৃতি বিৰোধীসকলো কথাৰ সমাধান হ'ব লাগিব। মানুহৰ স্বাৰ্থপৰতা, লোভ, সংকীৰ্ণতা আৰু ক্ষমতালিপ্সুতাৰ পৰা উদ্ভৱ হোৱা নানা সমাজৰ গোধ আঁতৰ কৰিব লাগিব। এইবোৰকে আঁতৰ কৰিবলৈ মানুহৰ প্ৰতিৰোধ আৰু সংঘাতমূলক অভিমানেই হৈছে বিপ্লৱ। সংস্কৃতিৰ ভ্ৰষ্টতা ৰোধ কৰিবলৈ আৰু ভ্ৰষ্টাতাৰ পৰা হোৱা কুংসংস্কাৰক ধ্বংস কৰি নতুন সংস্কৃতি গঢ়িবৰ বাবে বিপ্লৱ অনিবাৰ্য হৈ পৰে। মনৰ মাজেদি বিপ্লৱে ক্ৰিয়া কৰি বাহিৰৰ সংঘাতলৈ ওলাই যায়। তেতিয়াই হয় ৰাষ্ট্ৰ বিপ্লৱ— সমাজ বিপ্লৱ।”*[১৩]

জ্যোতিপ্ৰসাদ আগৰৱালাৰ হৃদয়ত পুঞ্জীভূত হৈ থকা অসম তথা অসমীয়া মানুহৰ মুক্তিৰ চেতনা তেওঁৰ সমস্ত সৃষ্টিৰাজিত প্ৰাদেশিক চেতনাৰূপে প্ৰকাশিত হৈছে। তেওঁৰ কবিতাত পল্লৱিত হোৱা চেতনাও এই অসম তথা অসমীয়াৰ মুক্তি চেতনাই বিপ্লৱী সুৰত ধ্বনিত হৈছে। জ্যোতিপ্ৰসাদ আগৰৱালাৰ এটি কবিতাত বিয়াল্লিছৰ আন্দেলনৰ তীব্ৰ দাবানল অতি স্পষ্ট ৰূপত উজলি উঠিছে। কবিতাটোত অসমৰ এগৰাকী জাতীয় শ্বহীদ কনকলতাক মূলধাৰা কৰি তেওঁৰ বিপ্লৱী মনোভাৱ প্ৰকাশ কৰিছে। কবিতাটিৰ মাজেৰে কবিৰ প্ৰাদেশীক চেতনা সুন্দৰকৈ প্ৰকাশ হৈছে ঃ

বিয়াল্লিছৰ পুৱা জ্বলিলে তেজৰ জুই
ক্ষুব্ধ জন-দেৱতা জাগিলে
জাগিলে ধৰ্ষিত দলিত আত্মা
যিবা আছিল শুই।
বিজুলি প্লাৱনে বিয়পি পৰিলে সেনানীৰ আহ্বান
পূৰৱে পছিমে ৰজন্‌জনালে অগ্নিকবিৰ গান—
“তই কৰিব লাগিব অগ্নিস্নান
সাজু হ সাজু হ নৰ জোৱান।”
হুংকাৰি উঠিল মুক্তি যুঁজাৰু

ওলাই আহিল অসমী গাভৰু
মৃত্যুবিজয়ী গাঁৱৰ জীয়ৰী
দীপ্ত কনকলতা,
লুইতৰ পাৰৰ ৰণংগিনী স্বদেশ মুক্তিব্ৰতা।”

*(কনকলতা)*

**ৰাষ্ট্ৰীয় চেতনা বা ভাৰত চেতনা ঃ**

জ্যোতিপ্ৰসাদ আগৰৱালাৰ প্ৰাদেশিক চেতনাই ৰাষ্ট্ৰীয় চেতনা বা ভাৰত চেতনাৰ সুৰেৰে বিশ্বচিন্তাৰ বুকুত থিতাপি লৈছে। জ্যোতিপ্ৰসাদ আগৰৱালা আছিল আজীৱন বিপ্লৱী। বিপ্লৱ তেওঁৰ সাধনা। সেয়েহে তেওঁ বিপ্লৱৰ মাজেৰে বিচাৰে পৰিৱৰ্তন তথা ৰূপান্তৰ। জ্যোতিপ্ৰসাদ আগৰৱালাৰ ‘পোহৰৰ গান’, ‘ন জোৱান ই হিন্দ’, ‘চিৰ বিদ্ৰোহ’ (১), ‘কাঞ্চন জংঘাৰ বুৰঞ্জী’, ‘বিশ্বশিল্পী’, ‘জনতাৰ আহ্বান’, ‘নতুন’ প্ৰভৃতি কবিতাত ৰাষ্ট্ৰীয় বা ভাৰত চেতনা আৰু বিশ্ব সম্প্ৰীতিবোধ মূৰ্ত হৈ উঠিছে। জ্যোতিপ্ৰসাদ আগৰৱালাই দুস্কৃতিৰ অশুভ প্ৰভাৱেৰে নিজস্ব মান হেৰুওৱা ভাৰতবৰ্ষৰ জনসাধাৰণক ভ্ৰাতৃত্বৰ বান্ধোনেৰে ঐক্যবদ্ধ হ’বলৈ ‘ন জোৱান-ই-হিন্দ’ কবিতাটিত তেওঁৰ মনত উদ্বেলিত হৈ থকা বিপ্লৱী সত্তা জগাই তুলিছে—

‘জাগো মই মৃত্যুঞ্জয়ী ভাৰত জোৱান
মোৰ হাত যুগান্তৰ
গ্লানি অপমান,
তাৰ আজি
হ’বই লাগিব সমাধান,
নহ’লে নিদিওঁ পৰিত্ৰাণ
তূণ ভৰি ললোঁ অগ্নিবাণ
আজি গাণ্ডীবীৰ অভিযান,
ন-জোৱান-ই হিন্দ মই
ভাৰত ন-জোৱান।
আজি মোৰ যত পূণ্যফল,

উগ্ৰ তপস্যাৰ তেজেৰে উজ্জ্বল
জ্বল-জ্বল-জ্বল।
আজি ধৌত হৈ যাওক যত মহাপাপ
আজি জহি খহি যাওক
যত অভিশাপ,
আজি শান্তি হ'ক যত
যুগৰ সন্তান
আজি মই কৰো অগ্নিস্নান
আজি ৰক্তস্নান
আজি মই সত্যৰ বলেৰে বলীয়ান
কোনে ৰোধিবি মোক
কোন আছ এনে শক্তিমান?
ন-জোৱান-ই-হিন্দ মই
ভাৰত ন-জোৱান।"

*(ন-জোৱান-ই-হিন্দ)*

স্বাধীনতা আন্দোলনত লোৱা ভূমিকাৰেই মাথোঁ জ্যোতিপ্ৰসাদৰ দেশাত্মবোধক বিচাৰ কৰিব নোৱাৰি। জ্যোতিপ্ৰসাদ আগৰৱালাই দেশৰ মানুহক ভাল পায়, দেশৰ মাটি-পানীৰ স'তে তেওঁৰ একাত্মতা আছে। সেয়া তেওঁৰ দেশাত্মবোধ। তেওঁ 'চিৰ বিদ্ৰোহী' (১) কবিতাত ভাৰত চেতনা প্ৰকাশ কৰিছে এইদৰেঃ

"ৰূপান্তৰৰ মই
যুগান্তৰৰ মই
ভাৰতৰ
জগতৰ
বিদ্ৰোহী-বীৰ্য্য
বিপ্লৱে বিপ্লেৰে
বিজুলী-বজ্ৰ হানি
সুঘোষিত কৰি যাওঁ অগ্নিতুৰ্য্য।"

জ্যোতিপ্ৰসাদ আগৰৱালাই ভাৰত চেতনা বা ৰাষ্ট্ৰীয় চেতনাৰে উদ্বুদ্ধ হৈ দেশৰ ভৱিষ্যতৰ অকণিহঁতক এইদৰে কৈছেঃ

“তয়ে অসমৰ
তয়ে ভাৰতৰ
তয়ে জগতৰ
তয়ে অভিনৱ জ্যোতি
*   *   *
মহা মহত্বৰ
চিৰ সুন্দৰৰ
আলোকদীপ্ত অজেয় সেনাপতি।”

*(আহ অ’ অকণি আহ)*

জ্যোতিপ্ৰসাদ আগৰৱালাৰ কবিতাৰ মাজেৰে তেওঁৰ বিপ্লৱী সত্তা বাৰে বাৰে প্ৰকট হৈ উঠিছে। জ্যোতিপ্ৰসাদ আগৰৱালা আছিল জনতাৰ কবি। জনতাৰ বন্ধন মুক্তিৰ প্ৰচেষ্টাই তেওঁৰ বিপ্লৱ। জনতাৰ প্ৰতি উদাৰতাৰ মাজেৰে কবিৰ সাম্যবাদী ভাবধাৰাও ফুটি উঠিছে। এফালে স্বাধীনতা আন্দোলনৰ ভৰপক অৱস্থা, আনফালে শোষকসকলৰ শোষণ অভিযান যিয়ে জ্যোতিপ্ৰসাদ আগৰৱালাক বিপ্লৱী হোৱাত সহায় কৰিছিল। ভাৰতৰ স্বাধীনতা আন্দোলনে জ্যোতিপ্ৰসাদ আগৰৱালাক প্ৰভাৱিত কৰিছিল যদিও অসমত নতুনকৈ দেখা দিয়া অৰ্থনৈতিক শ্ৰেণীদ্বন্দ্বয়ো তেওঁক ভাৰাক্ৰান্ত কৰি তুলিছিল। সেয়ে বিংশ শতিকাত অসমত গা কৰি উঠা মাৰ্ক্সীয় চিন্তাধাৰাই জ্যোতিপ্ৰসাদক আকৰ্ষণ কৰিছিল আৰু তেওঁৰ কবিতাত সাম্যবাদী ভাবাদৰ্শ বলিষ্ঠ ৰূপত প্ৰকাশিত হৈছিল। জ্যোতিপ্ৰসাদ আগৰৱালাৰ কবিতাত সাম্যবাদী সুৰ এইদৰে ধ্বনিত হৈছেঃ

“জনতাপূজাৰ ভাও দি ভাও দি
নেদেখুৱাবি ঘৃণিত তোৰ অহংকাৰৰ নেতৃত্বাভিমান।
জনতাই তোৰ স্বৰূপ চিনিছে
সাৱধান, সাৱধান”

*(সাৱধান-সাৱধান)*

জনতাৰ দুখ-দৈন্যতা হৃদয়ংগম কৰা জ্যোতিপ্ৰসাদে গাঁৱৰ ক্ষুধাতুৰ

জনতাৰ মাজত বিপ্লৱৰ অগ্নিময় বাণী প্ৰচাৰ কৰিছিল। তেওঁ অনাহাৰীসকলৰ সপক্ষে থিয় দি কৈছিল ঃ

"গাঁৱৰ জুপুৰী ইকৰাৰে সজা
তাতে থাকে ভৱিষ্যতৰ আধাপেটী ৰজা
আজি সুন্দৰে তাতে বহি শাক ভাত খায়
তাৰ আধাভগা পঁজাটোত নুনুমোৰা চাকিটি জ্বলাই
তাৰ পোহৰত বহি
নতুন অস্ত্ৰ সাজে জিনিবলৈ নৱ ভৱিষ্যত
আঁকে জয়লেখা মহোজ্বল তোৰ কপালত
তাতে থাক
ভবিষ্যতৰ ভিকহু কংকাল মহাৰজা
সুন্দৰে উজ্বল কৰে তোৰে ভগা পঁজা।"

**বিশ্বচেতনা বা ৰূপান্তৰ চেতনা ঃ**

জ্যোতিপ্ৰসাদ আগৰৱালাৰ কবিতাত ৰূপান্তৰৰ চেতনা সুন্দৰভাবে লক্ষ্যণীয়। তেওঁৰ সমস্ত সৃষ্টিৰ উদ্দেশ্যই হৈছে ৰূপান্তৰ বা পৰিৱৰ্তন। সেয়ে তেওঁ কৈছে— "ৰূপান্তৰেহে জগত ধুনীয়া কৰে।" জ্যোতিপ্ৰসাদৰ ৰূপান্তৰ চেতনাই মানুহক চিৰসুন্দৰলৈ লৈ যায়। সেয়ে আগৰৱালাই পুৰণি সভ্যতা-সংস্কৃতিক ৰূপান্তৰৰ মাজেৰে বিকাশৰ বাট দেখুৱাইছে এইদৰে ঃ

"ৰূপান্তৰেদি আহি
বৰণ সলাই হাঁহি
মানৱীয়ে নাচে এই ভাৰতৰ মঞ্চত
যুগকাল বাজনাৰে কৰিলৈ সংগত।"

*(কাঞ্চনজংঘাৰ বুৰঞ্জী)*

জ্যোতিপ্ৰসাদ আগৰৱালাৰ কবিতাৰ বিশ্লেষণৰ মাজেৰে এই কথা প্ৰতীয়মান হ'ল যে, তেওঁৰ শিল্প চেতনাই বিপ্লৱ। এই শিল্পচেতনাই জাতীয়তাবাদৰ ৰূপেৰে তেওঁৰ কবিতাৰ মাজত দেশাত্মবোধৰ অগ্নিবীজ উদাত্তকণ্ঠে ঘোষণা কৰিছে।

**কাজী নজৰুল ইছলামৰ কবিতাৰ দেশাত্মবোধক কবিতাৰ বিশ্লেষণ ঃ**

কাজী নজৰুল ইছলামৰ জন্ম হৈছিল পৰাধীন ভাৰতবৰ্ষত। দেশক স্বাধীন কৰাৰ বাবে সেই সময়ত সমগ্ৰ ভাৰতত তীব্ৰ আন্দোলনৰ তীব্ৰ ব্যাকুলতা আৰু দুৰ্জয় প্ৰত্যয় ভাৰতবাসীৰ হৃদয়ত দুৰ্বাৰ হৈ উঠাৰ সময়তে কাজী নজৰুল ইছলামৰ সাহিত্যই বিশেষকৈ কবিতাই প্ৰতিষ্ঠা লাভ কৰিছিল। নজৰুল ইছলামৰ কবিতাৰ মাজেদি দেশবাসীয়ে দেশক স্বাধীন কৰাৰ দুৰ্বাৰ প্ৰতিজ্ঞা লৈছিল সিও প্ৰতিধ্বনিত হৈ উঠিছে। নজৰুল ইছলামৰ দেশপ্ৰেম কেৱল দেশক স্বাধীন কৰাতেই সীমাবদ্ধ নাছিল। দেশৰ সকলো মানুহৰ মুক্তিৰ প্ৰচেষ্টাইহে আছিল তেওঁৰ প্ৰকৃত দেশাত্মবোধ। নজৰুল ইছলাম মুখ্যতঃ জনতাৰ কবি। নিজৰ জীৱনত দেখি অহা তথা পায় অহা লাঞ্চনা, ক্ষুধাৰ্ত অৱস্থাই নজৰুল ইছলামক বিদ্ৰোহী হ'বলৈ বাধ্য কৰি দিছিল। দেশ স্বাধীন হোৱাৰ পৰৱৰ্তী সময়ত আকৌ এচাম দেশপ্ৰেমীকৰ ভাওধৰা দুৰ্নীতিকাৰীয়ে দেশবাসীক আৰ্থিক, মানসিক শোষণৰ বলি সজাইছিল। নজৰুল ইছলাম জাতিত মুছলমান হ'লেও হিন্দুসকলৰ প্ৰতিও তেওঁৰ প্ৰেম আছিল অপত্য।

যিটো সময়ত বংগত ৰবীন্দ্ৰ নাথ ঠাকুৰৰ কাব্যিক প্ৰতিভাই এক স্বকীয় ধ্বজা উৰুৱাই আছিল সেই সময়তে নজৰুল ইছলামে নিজ প্ৰতিভাক দীপ্ত উচ্ছাসেৰে জনতাৰ মাজলৈ উলিয়াই নিছিল। নজৰুল ইছলামে বাঙালীসকলৰ প্ৰাণত বিদ্ৰোহৰ বাণী অগ্নিস্ফুলিংগ ৰূপত বিয়পাই দিছিল। নজৰুল ইছলামৰ দেশাত্মবোধক এইদৰে ভাগ কৰিব পাৰি— দেশক মাতৃৰূপে বন্দনা, পৰাধীনতাৰ বাবে বিলাপ, দেশহিতকাৰীসকলৰ বাবে শ্ৰদ্ধা নিবেদন প্ৰভৃতি। এই দেশাত্মবোধ তেওঁৰ অগ্নিবীণা, ধুমকেতু, সাম্যবাদী, বিষেৰ বাঁশী, ফণি মনসা, প্ৰলয়শিখা, সৰ্বহাৰা, জিঞ্জিৰ, শেষ সত্তগাত, ভাঙাৰ গান, প্ৰভৃতি কবিতাপুথিৰ অন্তৰ্গত কবিতাসমূহত ঘোষিত হৈ আছে।

দেশৰ জনগণৰ দুখ, দাৰিদ্ৰ্য, শোষণৰ দুঃসাহ বেদনা আৰু দহনজ্বালাই কবিক বিদ্ৰোহী কৰি তুলিছিল। সেয়ে নজৰুল ইছলামে এই সকলো অত্যাচাৰৰ বিৰুদ্ধে বিদ্ৰোহ ঘোষণা কৰিছিল। কবিয়ে উৎপীড়িত জনতাৰ মুক্তি নোহোৱা পৰ্যন্ত বিদ্ৰোহৰ অৱসান নোহোৱাৰ প্ৰতিজ্ঞা তেওঁৰ কবিতাত এইদৰে ঘোষণা কৰিছে ঃ

"মহা বিদ্ৰোহী ৰণক্লান্ত
আমি সেইদিন হব শান্ত
যবে উৎপীড়িতেৰ ক্ৰন্দন ৰোল
আকাশে বাতাসে ধ্বনিবে না,
অত্যাচাৰীৰ খঙ্গ-কৃপাল ভীম ৰণভূমে
ৰণিবে না।
বিদ্ৰোহী ৰণক্লান্ত; সেই দিন
হব শান্ত।"

*(বিদ্ৰোহী)*

নজৰুল ইছলাম কবি হিচাপে প্ৰখ্যাত হৈছিল 'বিদ্ৰোহী' কবিতাৰ সৃষ্টিৰ লগে লগে। বাংলা সাহিত্যত সেয়ে নজৰুল ইছলাম বিদ্ৰোহী কবি বুলি খ্যাত। 'বিদ্ৰোহী' নজৰুল ইছলামৰ কবিতাই নহয়; ই বাংলা ভাষী মানুহৰ হৃদয়ৰ বিপ্লৱৰ অগ্নিস্ফুলিংগ ৰূপ। কবি নজৰুল ইছলামে প্ৰথমেই সাম্ৰাজ্যবাদৰ বিৰুদ্ধে আপোচবিহীন সংগ্ৰামৰ সূচনাৰে বিশ্বজোৰা বিপ্লৱ ঘোষণা কৰিছিল ঃ

"বল বীৰ—
বল উন্নত মম শিৰ !
বল মহাবিশ্বেৰ মহাকাশ ফাড়ি
চন্দ্ৰ সূৰ্য গ্ৰহ তাৰাছাড়ি
ভূলোক দ্যুলোক গোলোক ভেদিয়া।
খোদাৰ আসন 'আৰশ' ছেদিয়া।
উঠিয়াছি চিৰ বিস্ময় আম বিশ্বধৰিত্ৰীৰ।
মম ললাটে ৰুদ্ৰ ভগবান জ্বলে
ৰাজ ৰাজটিকাদীপ্ত জয়শ্ৰীৰ!
বল বীৰ—
আমি চিৰ উন্নত শিৰ।

*(বিদ্ৰোহী)*

নজৰুল ইছলামৰ কাব্যিক জীৱনৰ 'বিদ্ৰোহী' হৈছে ছন্দ। যাৰ প্ৰভাৱত তৎকালীনভাৱে বংগত ৰবীন্দ্ৰ নাথ ঠাকুৰৰ পিছতেই নজৰুলৰ কবি প্ৰতিভাক

স্বীকৃতি দিবলগীয়া হৈছিল। যিহেতু ‘বিদ্ৰোহী’ সৃষ্টিৰ সময়ছোৱাত বংগ তথা সমগ্ৰ ভাৰতবৰ্ষ জুৰি স্বাধীনতা আন্দোলনৰ পূৰ্ণ পয়োভৰ, গতিকে ‘বিদ্ৰেহী’ৰ উদগ্ৰবাণী নজৰুলে প্ৰতিজন দেশপ্ৰেমী তথা কাব্য প্ৰেমীৰ হৃদয়ত বিপ্লৱী চেতনাৰে প্ৰবুদ্ধ কৰিবলৈ সক্ষম হৈছিল।

নজৰুল ইছলামে জন্মৰ পৰাই দেখি আহিছে সাম্ৰাজ্যবাদী শাসনযন্ত্ৰৰ নিষ্পেষণত মানুহৰ তিল তিল মৃত্যু যন্ত্ৰণা। অকল সেয়াই নহয়, দেশৰ জনগণৰ শিক্ষাৰ অচলায়তনৰ সুবিধা লৈ সাম্ৰাজ্যবাদীসকলে নানা কৌশল তথা চল চাতুৰীৰে অসহায় কৃষকৰ পথাৰৰ ফচল আদি লুটি লৈ গৈছিল। এইবোৰে কবি নজৰুল ইছলামৰ মনত এক জাতীয়তাবোধৰ তীব্ৰতা আনি দিছে আৰু তেওঁৰ কবিতাত সেই সুৰ প্ৰতিধ্বনিত কৰে। নজৰুল ইছলামৰ কবিতাৰ বিদ্ৰোহী বাণীয়ে শিক্ষিত সমাজক অভিভূত কৰি তুলিছিল। নজৰুল ইছলামে সাম্ৰাজ্যবাদৰ বিৰুদ্ধে জাতিক জগাই তুলিছিল। তেওঁ প্ৰতিজন দেশবাসীক জনাইছিল যে যি সকল আজিৰ শাসক তেওঁলোকে সমাজৰ সকলো মানুহৰ মানৱতাৰ অধিকাৰ হৰণ কৰি দীন-হীন সৰ্বহাৰাসকলক মৃত্যু যন্ত্ৰণা দিছে। গতিকে তেওঁৰ কবিতাৰ মাজেৰে সকলোকে এইদৰে জাগ্ৰত হ’বলৈ অগ্নিমন্ত্ৰণা দিছে ঃ

জাগো
জাগো অনশন বন্দী, ওঠৰে যত
জগতেৰ লাঞ্ছিত ভাগ্যহত!
যত অত্যাচাৰে আজি বজ্ৰ হানি
হাঁকে নিপীড়িত জন মন-মথিত বাণী,
নৱ জনম লভি অভিনৱ ধৰণী
ওৰে ঐ আগত।।
শোন অত্যাচাৰী ! শোন ৰে সঞ্চয়ী !
ছিনু সৰ্বহাৰা, হ’ব সৰ্বজয়ী।।
ওৰে সৰ্বশেষেৰ এই সংগ্ৰাম মাঝ
নিজ নিজ অধিকাৰ জুড়ে দাঁড়া সবে আজ !”

*(অন্তৰ ন্যাশনাল সংগীত)*

বিদ্ৰোহী কবি নজৰুল ইছলামৰ মতবাদ আছিল স্বচ্ছ বিপ্লৱী। তেওঁৰ

কাব্যপুথি 'অগ্নিবীণা' কবিতাৰ মাজত সেই বিপ্লৱৰ সুৰ ধ্বনিত হৈছে। ভাৰতবৰ্ষত সকলো বিপ্লৱী কবিৰ কবিতাত মহাত্মা গান্ধীৰ প্ৰসংগ উল্লেখনীয়। প্ৰত্যেকৰে অৱশ্যে দৃষ্টিভংগী সুকীয়া। কেতিয়াবা গান্ধীৰ অহিংসা নীতিকো কবিয়ে সমৰ্থন কৰা দেখা যায়। 'ফণি মনসা' কাব্যপুথিত এই মনোভাব ব্যক্ত হৈছে; এনেদৰে ঃ

"আজ না-চাওয়া পথ দিয়ে কে এলে
ওই কংস কাৰাৰ দবাৰ ঠেলে।
আজ শব শ্মশানে শিব নাচে ওই ফুল ফুটানোপা ফেলে।।
ওই চৰকা-চাকায় ঘৰ্ঘৰঘৰ
শুনি কাহাৰ আসাৰ খবৰ,
ঢেউ দোলাতে দোলে সপ্ত সাগৰ ৰে !
ওই পথেৰ ধুলা ডেকেছে আজ সপ্ত কোটি প্ৰাণ মেলে।।"

*(বাংলায় মহাত্মা)*

মহাত্মা গান্ধীৰ অসহযোগ আন্দোলনে মানুহক সক্ৰিয় কৰি তুলিলে; কিন্তু স্বাধীনতা আনি দিব পৰা নাই। নজৰুল ইছলামে এইবোৰ চাই ইংৰাজসকলৰ অমানুষিক শাসন আৰু শোষণৰ বিৰুদ্ধে যোগ্য প্ৰত্যুত্তৰ দিবলৈ ঘোষণা কৰিলে। তেওঁৰ অগ্নিময় লিখনিত ঘোষিত হ'ল অন্য এক বিপ্লৱ। নজৰুল ইছলামে ভাৰতীয় জনতাৰ নিষ্ক্ৰিয় আন্দোলনৰ তীব্ৰ ধিক্কাৰ 'বিষেৰ বাঁশী' কাব্যপুথিৰ কবিতাত এইদৰে ব্যক্ত কৰিছে ঃ

"ধৰ্ম কথা প্ৰেমেৰ বাণী জনি মহান উচ্চ খুব,
কিন্তু সাপেৰ দাঁত না ভেঙে মন্ত্ৰ ঝাড়ে যে বেকুব
'ব্যাঘ্ৰ সাহেব, হিংসে ছাড়ো, পড়বে এসো বেদান্ত !
কয় যদি ছাগ, লাফ দিয়ে বাঘ আমনি হবে কৃতান্ত !
থাকতে বাঘেৰ দন্ত নখ
বিফল ভাই ওই প্ৰেম সেবক !
চোখেৰ জলে ডুবলে সৰ্ব শাৰ্দুলও হয় বেদ পাঠক,
প্ৰেম মানে না খুন খাদক।
ধৰ্মগুৰু ধৰ্ম শোনান, পুৰুষ ছেলে যুদ্ধে চল।
সেও ভি আচ্ছা, মৰব পিয়ে মৃত্যু শোণিত এলকোহল!

এবাৰ তোৰা সত্য বল।।”

*(বিদ্ৰোহীৰ বাণী)*

এই কবিতাটিৰ পৰা বুজা যায় যে, নজৰুল ইছলামে মহাত্মা গান্ধীৰ অহিংসা নীতিক সমৰ্থন কৰিছিল যদিও কেতিয়াবা বিদ্ৰোহৰ তীব্ৰ আস্ফালনত হিংসা নীতিও সমৰ্থন কৰিছিল।

নজৰুল ইছলামৰ ‘বিষেৰ বাঁশী’ আৰু ‘ভাঙাৰ গান’ দেশাত্মবোধৰ অগ্নিময় প্ৰকাশ। কবিয়ে কৈছে ঃ

“নাচে ঐ কালাবোশেখী
কাটাবি কাল বসে কি ?
দে ৰে দেখি
ভীম কাৰাৰ ঐ ভিত্তি নাড়ি !
লাথি মাৰ, ভাঙৰে তালা !
আগুন জ্বালা
আগুন জ্বালা, ফেল্ উপাড়ি !”

*(ভাঙাৰ গান)*

নজৰুল ইছলামৰ কবিতাত হিন্দু আৰু মুছলমানৰ সমন্বয়ৰ সুন্দৰ ছবি প্ৰতিভাত হোৱা দেখা যায়। নজৰুল ইছলামৰ কবিতাত যেতিয়া মুছলমানৰ প্ৰসংগ আহি পৰে তেতিয়াই কবিয়ে দুয়োটা ধৰ্মৰ ছবি তেওঁৰ কবিতাত সন্নিবিষ্ট কৰে। হিন্দু-মুছলমানৰ উভয় চিত্ৰ নজৰুল ইছলামৰ হাতত সাৰ্থক ৰূপত ৰূপায়িত হৈছে। আলোচক মুজীবুৰ ৰহমানে হিন্দু-মুছলমানৰ মিলিত বাংলাৰ কবি নজৰুল ইছলাম সম্পৰ্কে কৈছে ঃ

*“নজৰুল ইছলাম যখন ভক্ত মুছলমানেৰ মনেৰ ৰূপ দিয়েছেন তখন তাঁৰ এক মূৰ্তি আবাৰ যখন তিনি ভক্ত হিন্দুৰ মনেৰ ছবি এঁকেছেন তখন তাঁৰ আৰ এক মূৰ্তি। কিন্তু তাঁৰ হাতে উভয় চিত্ৰই সাৰ্থক হয়েছে— এই তাৰ বড় কৃতিত্ব। তাৰ কোন্ দিকেৰ অবিষ্টতা কতখানি, এবং উভয়েৰ মধ্যে তাঁৰ শিল্পী সুলভ নিৰ্লিপ্ততাৰ অবসৰই বা কতখানি, তাৰ হিসাব এখানো মুলতবী ৰেখে এ কথাই*

*বলা যেতে পাৰে যে হিন্দু ও মুছলিম তমদ্দুনেৰ স্বাতন্ত্র্য ও স্বভাবকে অব্যাহত ৰেখে উভয়েৰে তমদ্দুনকে অন্তৰ দিয়ে গ্ৰহণ কৰে বাংলাৰ আৰ কোনো কবি নজৰুল ইছলামকে অতিক্ৰম কৰে সাফল্য দেখাতে পাৰেননি। নজৰুল কাব্যৰ এটা একটা মস্ত বড় কথা। ইহা তাঁৰ বিশেষ কৰে স্বকীয়ত্ব ও সৃষ্টি ধৰ্ম। এক দিক থেকে বিচাৰ কৰলে নজৰুল ইছলামকে ধৰে নিতে হয় হিন্দু ও মুছলমানেৰ মিলিত বাংলাৰ কবি।"*[১৪]

নজৰুল ইছলামে দেশৰ তৰুণ সমাজক হিন্দু-মুছলমানৰ ভেদাভেদৰ পৰা আঁতৰি আহি পূৰ্ণ স্বাধীনতাৰ দাবী জনাই মানৱতাৰ উদাৰ আৰু মহৎ আদৰ্শৰ দ্বাৰা অনুপ্ৰাণিত হ'বলৈ আহবান জনাইছিল। নজৰুল ইছলামে বংগীয় মুছলমান সাহিত্য সমিতিৰ ৰজত জয়ন্তী সন্মিলনৰ সভাপতিৰ ভাষণত এইদৰে কৈছিল ঃ

*"আমাকে কেৱল মুছলমান বলে দেখবেন না। আমি যদি আসি, আসব হিন্দু-মুছলমানসকল জাতিৰ উৰ্দ্ধে যিনি একমেবাদ্বিতীয়ম্ তাঁৰাই দাস হয়ে।"*[১৫]

নজৰুল ইছলামে আজীৱন হিন্দু-মুছলমানৰ মিলন সেতু ৰচনাৰ বাবে চেষ্টা কৰিছিল। পৰাধীন ভাৰতবৰ্ষত হিন্দু-মুছলমানৰ বিৰোধে যিদৰে স্বাধীনতা অৰ্জনৰ পথত কণ্টক হৈ আছিল, সেইদৰে, স্বাধীনতাৰ পিছত আজিও হিন্দু-মুছলমানৰ সাম্প্ৰদায়িক বিষ বাষ্পৰ উত্তেজনাত দেশৰ অগ্ৰগতিত বাধাৰ সৃষ্টি হৈছে। নজৰুল ইছলামে হিন্দু-মুছলমানৰ এই ধৰণৰ বিৰোধৰ প্ৰতি সদায় জাগ্ৰত হৈ সকলোকে সম্প্ৰীতিৰ বান্ধোনেৰে বান্ধি ৰখাৰ প্ৰচেষ্টা কৰিছিল। তেওঁ কৈছিল— "আমি হিন্দু মুছলমানেৰ মিলনে পৰিপূৰ্ণ বিশ্বাসী।" সেই বিশ্বাসৰ ছবি তেওঁ কবিতাৰ মাজত অতি নিটোল ৰূপত অংকণ কৰিছিল ঃ

"হিন্দু না ওৰা মুছলিম?" ওই জিজ্ঞাসে কোন জন?
কাণ্ডাবিহ্ল বলো ডুবিছে মানুস সন্তান মোৰ মা-ৰ!"

*(কাণ্ডাৰী হুশিয়াৰ)*

নজৰুল ইছলামে হিন্দু আৰু মুছলমান কেতিয়াও বিৰোধত লিপ্ত হোৱাটো নিবিচাৰিছিল। তেওঁৰ দৃষ্টিত মুছলমানসকল শৰীৰ সদৃশ আৰু হিন্দু যেন সেই

শৰীৰৰ প্ৰাণ। তেওঁ কৈছে ঃ

"একই বৃন্তে দুটি কুসুম হিন্দু মুছলমান,
মুছলিম তাৰ নয়ণমণি, হিন্দু তাহাৰ প্ৰাণ।"

*(গীত)*

নজৰুল ইছলাম বাংলাৰ প্ৰথম আৰু শ্ৰেষ্ঠ সাম্যবাদী বিপ্লৱী কবি। নজৰুল ইছলামে সমাজৰ নিছলা, শোষিত, শ্ৰমিক কৃষক মানুহৰ দুখ-যন্ত্ৰণাক দেশৰ বিপ্লৱৰ সৈতে এক বুলি জ্ঞান কৰিছিল। সাম্ৰাজ্যবাদী ইংৰাজসকলৰ উপৰিও দেশৰ পুঁজিপতিসকলৰ শোষণৰ বলি হোৱা খাটি খোৱা শ্ৰমিক, কৃষকসকলৰ প্ৰতি কবি নজৰুল ইছলামৰ সহমৰ্মিতা তেওঁৰ কবিতাত শুনা যায়, লগতে নিজৰ অগ্নিময় বাণীৰে কৃষক শ্ৰমিকসকলক পুঁজিপতিসকলৰ বিৰুদ্ধে জগাই তুলিবলৈ তেওঁৰ কবিতাত অগ্নিময় বাণী ধ্বনিত হৈছিল এইদৰে—

"আজ চাৰ দিক হতে ধনিক বণিক শোষণকাৰীৰ জাত
ও ভাই জোঁকেৰ মতন শুষছে ৰক্ত, কাড়ছে থালাৰ ভাত,
মোৰ বুকেৰ কাছে মৰছে খোকা, নাইকো আমাৰ হাত
আজ সতীমেয়েৰ বসন কেড়ে খেলছে খেলা খল।।
ও ভাই আমৰা মাটিৰ খাঁটি ছেলে দুৰ্বাদল-শ্যাম,
আৰ মোদেৰ ৰূপেই ছড়িয়ে আছেন ৰাৱণ-অৰি ৰাম,
ওই হালেৰ ফলায় শস্য ওঠে, সীতা তাঁৰই নাম,
আজ হৰছে ৰাৱণ সেই সীতাৰে সেই মাঠেৰ ফসল।।"

*(কৃষাণেৰ গান)*

নজৰুল ইছলামে আকৌ কবিতাত কৈছে ঃ

"মোদেৰ যা-ছিল সব দিইছি ফুঁকে,
এইবাৰ শেষ কপাল ঠুকে
পড়ব ৰুখে অত্যাচাৰীৰ বুকেৰে !
আবাৰ নূতন কৰে মল্লভূমে
গৰ্জাবে ভাই দল-মাদল !
ধৰ হাতুড়ি, তোৰ কাঁধে শাৱল।।"

*(শ্ৰমিকেৰ গান)*

নজৰুল ইছলামে তেওঁৰ ‘ৰুদ্ৰ মংগল’ত নিপীড়িত জনতাৰ জাগৰণি মন্ত্ৰ দিছে এইদৰেঃ

> *“জাগো জনশক্তি ! হে আমাৰ অবহেলিত পদবিষ্ট কৃষক, আমাৰ মুটে মজুৰ ভাইৰা।তোমাৰ হাতেৰ ঐ লাঙল আজ বলৰাম স্কন্ধে হলেৰ মত ক্ষিপ্ত তেজে গগণেৰে মাঝে উৎক্ষিপ্ত হয়ে উঠুক, এই অত্যাচাৰীৰ বিশ্ব উপৰে ফেলুক উল্টে ফেলুক। আনো তোমাৰ হাতুড়ি ভাঙো ঐ উৎপীড়িকেৰ প্ৰাসাদ ধূলায় লুটাও অৰ্থ পিশাচ বলদৰ্পীৰ শিৰ। ছোঁড়ো হাতুড়ি, চালাও লাঙল, উচ্চে তুলে ধৰ তোমাৰ বুকেৰ ৰক্ত মাখা লালে লা ঝাণ্ডা।”[১৬]*

নজৰুল ইছলাম মূলতঃ মানুহৰ কবি। তেওঁ কৈছে— *‘মানুষেৰ চেয়ে বড় কিছু নাই নহে কিছু মহীয়ান।’* মানুহৰ সহজ দুখ-বেদনাৰ কথা তেওঁৰ কবিতাত বলিষ্ঠ ৰূপত প্ৰকাশ পাইছে। নজৰুল ইছলামে মানুহ সম্পৰ্কে কৈছেঃ

> *“হিন্দু হিন্দু থাক, মুছলমান মুছলমান মুছলমান থাক, শুধু একবাৰ এই মহা গগণতলেৰ সীমা হাৰা মুক্তিৰ মাঝে দাঁৰাইয়া মানৱ! তোমাৰ কণ্ঠে সেই সৃষ্টিৰ আদিম বাণীফুটাও দেখি। বল দেখি, ‘আমাৰ মানুষ ধৰ্ম।” দেখিবে দশদিকে সাৰ্বভৌমিক সাড়াৰ আকুল স্পন্দন কাঁপিয়া উঠিতেছে।.........মানবতাৰ এই মহাযুগে একবাৰ গণ্ডী কাটিয়া বাহিৰ হইয়া আসিয়া ব যে, তুমি ব্ৰাহ্মণ নও, শূদ্ৰ নও, হিন্দু নও, মুছলমান নও, তুমি মানুষ—তুমি সত্য।”[১৭]*

*(ছুতমাৰ্গ)*

নজৰুল ইছলামৰ কবিতাত মানুহৰ জয়গান ঘোষিত হৈছে। তেওঁৰ কবিতাত কোনো হিন্দু নাই, মুছলমান নাই আছে মাথোঁ মানৱতা। সকলো মানুহৰ ঐক্যবদ্ধ ৰূপেই আছিল নজৰুল ইছলামৰ ভাৰতবৰ্ষঃ

“উদাৰ ভাৰত ! সকল মানবে
দিয়াছ তোমাৰ কোলে স্থান।
পাৰ্সী জৈন বৌদ্ধ হিন্দু
খৃষ্টান শিখ মুছলমান।।

তুমি পাৰাবাৰ, তোমাতে আসিয়া
মিশেছে সকল ধৰ্ম জাতি,
আপনি সহিয়া ত্যাগেৰ বেদনা
সকল দেশেৰ কৰেছে জ্ঞাতি;
নিজেৰে নিঃস্ব কৰিয়া, হয়েছে
বিশ্ব মানৱ পীঠস্থান।।"

*(সুৰ সাকী)*

নজৰুল ইছলামৰ বিপ্লৱবাণী ভণ্ড ৰাজনীতিক ব্যাক্তি, পুঁজিপতিসকলৰ বাবে তাচ্ছিল্যসূচক আছিল। নজৰুল ইছলামৰ দৃষ্টিত নেতাসকল আছিল ভোটৰ ভিখাৰী; যিয়ে নিজৰ স্বাৰ্থ সিদ্ধি হ'লে দেশৰ গৰীৱ, দুখীয়াৰ অভাৱ দূৰ কৰটো দূৰৰ কথা নিজৰ কথাৰ বাহিৰে যেন কাৰো কথাই নাজানে। এই ধৰণৰ ভণ্ড ৰাজনীতিকৰ প্ৰতি নজৰুল ইছলামৰ কবিতাত তীব্ৰ ব্যংগ পৰিস্ফুত হৈ আছে ঃ

*"হায় গণ নেতা ভোটেৰ ভিখাৰী, নিজ স্বাৰ্থেৰ তৰে*
*জাতিৰ যাহাৰা ভাবী আশা, তাৰে নিতেছ খৰিদ কৰে।"*

এই সময়ছোৱাতেই নজৰুল ইছলামে আন এচাম ব্যক্তিৰ স'তে ৰুছ বিপ্লৱৰ অনুপ্ৰেৰণাত ভাৰততো এক নব্য বিপ্লৱৰ সূচনা কৰিলে। ইয়াৰ ফলশ্ৰুতিতে ভাৰতত কমিউনিষ্ট পাৰ্টি গঠন হৈছিল, য'ত নজৰুল ইছলামৰ সক্ৰিয় ভূমিকা আছিল। শ্ৰমজীৱী মানুহৰ তেজ আৰু ঘামৰ মূল্য, মানুহৰ জন্মগত অধিকাৰ ৰূপে সাব্যস্ত কৰা এই সাম্যবাদীসকলৰ মূল কৰ্তব্য আছিল। নজৰুল ইছলামে কবিতাৰ মাজত এইদৰে সাম্যবাদী সুৰ ঘোষিত কৰিছিল ঃ

"তোমৰা ভয় দেখিয়ে কৰছ শাসন, জয় দেখিয়ে নয়,
সেই ভয়েৰ টুটিই ধৰব টিপে কৰব তাৰে লয়,
মোৰা আপনি ম'ৰে মৰাৰ দেশে আনব বৰাভয়,
মোৰা ফাঁসি 'পৰে আনব হাসি মৃত্যু জয়েৰ ফল।"

*(শিকল পৰাৰ গান)*

নজৰুল ইছলামৰ দেশাত্মবোধ তেওঁৰ প্ৰতিটো কবিতাৰ ছত্ৰে ছত্ৰে বিজড়িত হৈ আছে। নজৰুল ইছলাম মুখ্যতঃ জাতীয়তাবাদী কবি। সেয়ে কবিতাত ভাৰতৰ স্বাধীনতা আন্দোলনৰ প্ৰভাৱ তথা জাতীয়তাবাদৰ সুৰ উগ্ৰ ৰূপত

প্ৰতিধ্বনিত হৈছে। কবি নজৰুল ইছলামে তেওঁৰ উপন্যাস 'কুহেলিকা'ত ভাৰতবৰ্ষ আৰু ভাৰতৰ মানুহ সম্পৰ্কে সুন্দৰ বৰ্ণনা দিছে। তেওঁ উপন্যাসখনত এইদৰে কৈছে ঃ

> *"আমাৰ ভাৰতবৰ্ষ, ভাৰতেৰ এই মূক দৰিদ্ৰ নিৰন্ন পৰ পদদলিত তেত্ৰিশ কোটি মানুষেৰ ভাৰতবৰ্ষ। আমাৰ ভাৰতবৰ্ষ মানুষেৰ যুগে যুগে পীড়িত মানবাত্মাৰ ক্ৰন্দন তীৰ্থ। ওৰে এ ভাৰতবৰ্ষ তোদেৰ মন্দিৰেৰ ভাৰতবৰ্ষ নয়, মুছলমানদেৰ মছজিদেৰ ভাৰতবৰ্ষ নয়— এ আমাৰ মানুষেৰ মহাভাৰতৰে মহাভাৰত।"*■

# জ্যোতিপ্ৰসাদ আগৰৱালা আৰু নজৰুল ইছলামৰ দেশাত্মবোধক কবিতাৰ তুলনামূলক অধ্যয়ন

সাহিত্যৰ তুলনামূলক অধ্যয়ন হৈছে বিভিন্ন দেশৰ বা বিভিন্ন ঠাইৰ ভিন ভিন ভাষাৰ সাহিত্যিকৰ ৰচনাৰ এক পদ্ধতিগত অধ্যয়ন। ইয়াৰ দ্বাৰা উক্ত দেশ বা ঠাইৰ বিভিন্ন ভাষাৰ সাহিত্যিকৰ ৰচনাৱলীৰ এক তুলনাত্মক আলোচনা কৰা হয়। যাৰ দ্বাৰা সেই দেশ বা ঠাইৰ ভাষাৰ সৈতে আন কোনো দেশ বা ঠাইৰ ভাষাৰ সাহিত্যিক যোগসূত্ৰ স্থাপন হয়। তুলনামূলক সাহিত্য হৈছে এক বা মিল। যি বৰ্তমান গোলকীকৰণ (Globalisation) ৰ ৰূপত দৃষ্টিগোচৰ হৈছে।

অসমীয়া সাহিত্যৰ ক্ষেত্ৰত তুলনামূলক অধ্যয়নৰ তেনেই কেচুৱা অৱস্থা। বৰ্ত্তমান অসমত এই তুলনামূলক সাহিত্য অধ্যয়নৰ কোনো শক্তিশালী পদক্ষেপ দেখা নাযায়। অৱশ্যে ক্ৰমান্বয়ে এই শ্ৰেণীৰ সাহিত্যৰ প্ৰতি অসমত আদৰ বাঢ়ি অহা পৰিলক্ষিত হৈছে বৰ্তমান অসমীয়া সাহিত্যৰ লগত বাংলা আৰু হিন্দী সাহিত্যৰ কিছু তুলনামূলক অধ্যয়নৰ প্ৰচেষ্টাৰ আৰম্ভ হৈছে।

অসমত তুলনামূলক সাহিত্য অধ্যয়নৰ প্ৰয়োজনীয়তাৰ প্ৰতি লক্ষ্য ৰাখি অসমৰ সাহিত্য জগতত নৱ জাগৰণৰ সূচনা কৰা জ্যোতিপ্ৰসাদ আগৰৱালা আৰু বাংলা সাহিত্যৰ অন্যতম শ্ৰেষ্ঠ কবি নজৰুল ইছলামৰ দেশাত্মবোধক কবিতাৰ এটি তুলনামূলক অধ্যয়ন কৰিবলৈ লোৱা হৈছে। জ্যোতিপ্ৰসাদ আগৰৱালা আৰু নজৰুল ইছলাম দুয়োগৰাকী ব্যক্তি দুখন প্ৰতিবেশী ৰাজ্যৰ দুটা ভাষাৰ সাধক।

## ❖ জ্যোতিপ্ৰসাদ আৰু নজৰুলৰ কবিতাত দেশাত্মবোধ ❖

জ্যোতিপ্ৰসাদ আগৰৱালা অসমীয়া সাহিত্যত একাধাৰে কবি, গীতিকাৰ, সুৰকাৰ, নাট্যকাৰ, সংস্কৃতি আলোচক প্ৰভৃতি, সেইদৰে বাংলা কবি নজৰুল ইছলামো একেধাৰে আছিল গীতিকাৰ, কবি, নাট্যকাৰ, ঔপন্যাসিক, প্ৰাবন্ধিক প্ৰভৃতি গুণৰ অধিকাৰী। দুয়োগৰাকীৰ ইমানবোৰ প্ৰতিভাৰ পৰা আমি কেৱল দেশাত্মবোধক কবিতা সম্পৰ্কে এক তুলনাত্মক অধ্যয়নৰ প্ৰচেষ্টা হাতত লৈছোঁ।

জ্যোতিপ্ৰসাদ আগৰৱালা আৰু নজৰুল ইছলামৰ জন্ম পৰাধীন ভাৰতবৰ্ষত। জন্ম সূত্ৰে দুয়োগৰাকী প্ৰায় সম-সাময়িক। বিংশ শতিকাৰ ভাৰতবৰ্ষত সাম্ৰাজ্যবাদৰ যি কঠোৰ শোষণ-উৎপীড়ণ নীতি সেই সময়চোৱাতেই দুয়োগৰাকী কবিৰ জন্ম। এফালে সাম্ৰাজ্যবাদীসকলৰ শোষণ আনফালে নেতাগিৰিৰ মিছা ভাও দি জনতাৰ পৰা স্বাৰ্থ চুৰ কৰা সুবিধাবাদীৰ ভণ্ডামীয়ে জ্যোতিপ্ৰসাদ আগৰৱালা আৰু নজৰুল ইছলামক বিপ্লৱী কৰি তুলিছিল। জ্যোতিপ্ৰসাদ আগৰৱালাতকৈ নজৰুল ইছলামৰ ব্যক্তিগত জীৱন আছিল অধিক যন্ত্ৰণাময়। অৰ্থনৈতিক অনাটনে নজৰুল ইছলামক শৈশৱৰে পৰাই এক দুৰ্বিসহ জীৱন কটাবলৈ বাধ্য কৰিছিল। ব্যক্তিগত জীৱনৰ দৈন্যতা আৰু দেশৰ খাতিখোৱা শ্ৰমজীৱী মানুহৰ ওপৰত চলা শোষণ অত্যাচাৰে নজৰুল ইছলামক শৈশৱৰে পৰা বিদ্ৰোহী কৰি তুলিছিল। অৱশ্যে জ্যোতিপ্ৰসাদ আগৰৱালাৰ ব্যক্তিগত জীৱনত অৰ্থনৈতিক অনাতন নাছিল যদিও দেশৰ হাজাৰ হাজাৰ মানুহৰ ক্ষুধাৰ্ত অৱস্থাই তেওঁক বিপ্লৱী হ'বলৈ বাধ্য কৰাইছিল।

জ্যোতিপ্ৰসাদে তেওঁৰ কবিতাত শোষিত, লাঞ্ছিত মানুহক শোষণকাৰীৰৰ শোষণৰ বিৰুদ্ধে জাগ্ৰত হ'বলৈ উদাত্তকণ্ঠে আহ্বান জনাইছিল, লগতে সুবিধাবাদী তথা জনতাৰ আশা চুৰ কৰি নেতা হ'ব খোজাসকলক সাৰধান বাণী শুনাইছে এইদৰেঃ

"সুবিধাবাদীৰ দল
তোৰ মিছা হ'ব কৌশল,
ৰাইজৰ তই সেৱা চুৰ কৰি
বঢ়াব খুজিছ বল।
* * * * *
তই জনা নাই—

তই যাক ভাব
মুৰ্খ জনতা
মূঢ় জনতা
ৰূঢ় জনতা বুলি
যাৰ হ'ব খোজ স্বয়ং সিদ্ধ নেতা
সেই জনতা আজি প্ৰবুদ্ধ হ'ল।"
* * * * *
ঘৃণিত তোৰ অহংকাৰ নেতৃত্বাভিমান।
জনতাই তোৰ স্বৰূপ চিনিছে।

*(সাৱধান, সাৱধান)*

ঠিক একেদৰে নজৰুল ইছলামৰো কবিতাত সাম্ৰাজ্যবাদী শোষক তথা সুবিধাবাদীসকলৰ বিৰুদ্ধে তীব্ৰ জেহাদ শুনা যায় তেওঁৰ 'বিদ্ৰোহী' কবিতাত মানুহৰ বন্ধনমুক্তিৰ দুৰ্বাৰ আকাংক্ষা, মানৱাত্মাৰ লাঞ্ছনা আৰু নিৰ্যাতনৰ বিৰুদ্ধে সৰ্বাত্মক বিদ্ৰোহ ঘোষিত হৈছেঃ

"আমি পৰশুৰামেৰ কঠোৰ কুঠাৰ,
নিঃক্ষত্ৰিয় কৰিব বিশ্ব, আনিব শান্তি শান্ত উদাৰ !
আমি হল বলৰাম— স্কন্ধে,
আমি উপাড়ি ফেলিব অধীন বিশ্ব অৱহেলে নৱসৃষ্টিৰ মহানন্দে।
মহাবিদ্ৰোহী ৰণক্লান্ত
আমি সেইদিন হব শান্ত,
যৱে উৎপীড়িতেৰ ক্ৰন্দন-ৰোল আকাশে বাতাসে ধ্বনিবে না,
অত্যাচাৰীৰ খড়গ কৃপাণ ভীম ৰণভূমে ৰণিবে না—
বিদ্ৰোহী ৰণক্লান্ত
আমি সেই দিন হ'ব শান্ত !"

*(বিদ্ৰোহী)*

জ্যোতিপ্ৰসাদ আগৰৱালা আৰু নজৰুল ইছলাম ভাৰতবৰ্ষৰ দুই প্ৰতিবেশী ৰাজ্যৰ জাতীয়তাবাদী কবি। জাতীয়তাবাদ হৈছে দেশাত্মবোধৰে এটি ভাগ। দুয়োগৰাকী কবিৰ কবিতাত এই জাতীয়তাবাদেই দেশাত্মবোধৰ ৰূপেৰে

প্ৰতিফলিত হৈছে। অসমীয়া কবি জ্যোতিপ্ৰসাদ আগৰৱালাৰ কবিতাত জাতীয়বাদতকৈ নজৰুল ইছলামৰ কবিতাৰ জাতীয়তাবাদ বহু ক্ষেত্ৰত উগ্ৰ ৰূপত প্ৰকাশিত হৈছে। ইয়াৰ কাৰণ হৈছে নজৰুল ইছলামৰ ব্যক্তিগত জীৱনৰ দুখ দৈন্যতা। অৱশ্যে জ্যোতিপ্ৰসাদ আগৰৱালাও মানুহৰ যন্ত্ৰণাময় জীৱন দেখি কেতিয়াবা উগ্ৰ হৈ পৰিছে। নজৰুল ইছলামৰ কবিতাৰ ভাৰতকৈ জ্যোতিপ্ৰসাদৰ কবিতাৰ ভাব কম উগ্ৰ হ'লেও দুয়োজনৰেই কবিতাৰ বিষয় কিন্তু একেটাই মানুহ। নজৰুল ইছলামে মানুহকে শ্ৰেষ্ঠত্ব দি কৈছিল— "মানুষেৰ চেয়ে বড় কিছু নাই নহে কিছু মহীয়ান।" জন্মৰ প্ৰথম প্ৰভাততে নজৰুল ইছলামে দেখিছিল যে সাম্ৰাজ্যবাদী শাসনযন্ত্ৰৰ নিৰ্মম নিষ্পেষণত মানুহৰ তিল তিল মৰণৰ যন্ত্ৰণা। কবিৰ এই যন্ত্ৰণাই বিপ্লৱৰ ৰূপেৰে তেওঁৰ কবিতাত সাম্ৰাজ্যবাদৰ বিৰুদ্ধে আপোচহীন সংগ্ৰামৰ বাণী এইদৰে ঘোষণা কৰিছে ঃ

"বলো বীৰ-  
বলো উন্নত মম শিৰ !  
শিৰ নেহাৰি আমাৰ নতশিৰ ওই শিখৰ হিমাদ্ৰিৰ !  
বলো বীৰ-  
বলো মহাবিশ্বেৰ মহাকাশ ফাড়ি,  
চন্দ্ৰ সূৰ্য গ্ৰহ তাৰা ছাড়ি,  
ভূলোক দ্যুলোক গোলোক ভেদিয়া,  
খোদাৰ আসন 'আৰশ' ছেদিয়া,  
উঠিয়াছি চিৰবিস্ময় আমি বিশ্ব-বিধাতৃৰ !  
মম ললাতে ৰুদ্ৰ ভগবান জ্বলে  
ৰাজ-ৰাজটিকা দীপ্ত জয়শ্ৰীৰ !  
বলো বীৰ—  
আমি চিৰ উন্নত শিৰ"

*(বিদ্ৰোহী)*

'বিদ্ৰোহী' এনে এটি কবিতা যিয়ে বংগত মানুহৰ শিৰাই শিৰাই বিদ্ৰোহৰ তীব্ৰ উত্তেজনা সঞ্চাৰ কৰিছিল। যাৰ উত্তেজনাই ৰবীন্দ্ৰ নাথ ঠাকুৰৰ প্ৰতিভাকো স্তম্ভিত কৰি তুলিছিল। অৱশ্যে অসমীয়া কবি জ্যোতিপ্ৰসাদ আগৰৱালাৰ

কবিতাতো নজৰুল ইছলামৰ দৰেই কিছু উগ্ৰ সুৰ শুনা যায় ঃ

"জাগোঁ মই-
অসমৰ নবীন জোৱান,
বুকুত জ্বলিছে মোৰ অগ্নিময়ী অভিমান
জাগোঁ মই অসমৰ অজেয় জোৱান।"

*(অসমৰ নবীন জোৱানৰ সংকল্প)*

জ্যোতিপ্ৰসাদ আগৰৱালা আৰু নজৰুল ইছলামৰ জীৱনটোৱে আছিল, বিপ্লৱ। তেওঁলোকৰ বিপ্লৱ আছিল জাতীয় ভাৱাপন্ন। দেশৰ মানুহৰ প্ৰতি দুয়োগৰাকীৰে আছিল অকৃত্ৰিম সহৃদয়তা। জনতাৰ স্বাৰ্থ সিদ্ধি দুয়োগৰাকী কবিৰেই কাম্য। সেয়ে জ্যোতিপ্ৰসাদ আগৰৱালা আৰু নজৰুল ইছলাম জনতাৰ কবি।

জ্যোতিপ্ৰসাদ আগৰৱালাৰ স্বদেশানুৰাগ জাতীয় চেতনাৰে উদ্বুদ্ধ, নজৰুল ইছলামৰ ক্ষেত্ৰতো একেই চেতনাই দেখা যায়। জ্যোতিপ্ৰসাদ আগৰৱালাই স্বাৰ্থান্বেষী, সুবিধাবাদী ৰাজনৈতিক নেতাসকল আৰু ভোগবাদী বিত্তবান শ্ৰেণীটোৰ বিৰুদ্ধে অসমৰ সকলো জনতাকে জাতি-ধৰ্ম নিৰ্বিশেষে জাগ্ৰত হ'বলৈ আহ্বান জনাইছে। জ্যোতিপ্ৰসাদে নিজেই কৈছে ঃ

"ময়েই খাছীয়া
মই জয়ন্তীয়া
ডফলা আবৰ অঁকা,
ময়েই চিংফৌ
ভৈয়ামৰ মিৰি
সোৱণশিৰীয়া ডেকা,
বিজয়ী আহোম কছাৰী কোঁচৰ
মেছৰ কুমাৰ মই
ৰাজবংশী ৰাভা
কপালত জ্বলে শত গৌৰৱ আভা।
মই—
লুচাই চুটিয়া

মিকিৰ গাৰো,
মিছিমি খামটি
নগা আংগামী বীৰ,
পৰ্বতে পাহাৰে
জ্বলিছে উচ্চ শিৰ।
সাম্য মৈত্ৰীৰ ময়েই ৰণুৱা
চাহ বাগিছাৰ ময়েই বনুৱা
ন-অসমীয়া মৈমনছিঙীয়া
থলুৱা নেপালী
নৃত্যকুশলী মণিপুৰীয়া মই।”

*(অসমীয়া ডেকাৰ উক্তি)*

নজৰুল ইছলামৰ কবিতাতো বিপ্লৱীভাৱ অতি কঠোৰতাৰে ঘোষিত হৈছে

“জাগো দুৰ্মদ যৌৱন। এসো তুফান যেমন আসে,
সুমুখে যা পাৰে দলে চলে যাবে অকাৰণ উল্লাসে।
আনো অনন্ত-বিস্তৃত প্ৰাণ, বিপুল প্ৰবাহ, গতি,
কুলেৰ আবৰ্জনা ভেসে গেলে হবে না কাহাৰ ও ক্ষতি।
বুকু ফুলাইয়া দুখেৰ জড়াও, হাসো প্ৰাণখোলা হাসি,
স্বাধীনতা পৰে হবে আগে গাও তাজা বা তাজা’ৰ বাঁশি
বসিয়াছে যৌৱন ৰাজপাটে শ্ৰীপাটে শ্ৰীহীন অকাল জৰা,
মৃত্যুৰ বহু পূৰ্বে এই জাতি হয়ে আছে যেন মৰা
* * * *
জাগো উন্মদ আনন্দে দুৰ্মদ তৰুণেৰা সবে,
নাই-বা স্বাধীন হল দেশ মানবাত্মা মুক্ত হব।”

*(দুৰ্বাৰ যৌৱন)*

এই ধৰণৰ উগ্ৰ বিপ্লৱীসুৰে বংগৰ জনসাধাৰণৰ হৃদয়ত দেশাত্মবোধৰ তীব্ৰতা আনি দিছিল। অৱশ্যে জ্যোতিপ্ৰসাদ আগৰৱালাই অসমৰ জনতাৰ হৃদয়তো কবিতাৰ মাজেৰে তীব্ৰ উত্তেজনাৰ সৃষ্টি কৰিছিল। কিন্তু নজৰুল ইছলামৰ যি প্ৰচণ্ড তুফান সদৃশ বাণী, তাৰ তুলনাত জ্যোতিপ্ৰসাদৰ কবিতাৰ ভাষা তুফান

সদৃশ নহ'লেও বিপ্লৱী। জ্যোতিপ্ৰসাদ আগৰৱালাৰ বিপ্লৱীসুৰতো এক কোমলতা আছে, কিন্তু নজৰুল ইছলামৰ কবিতাৰ ক্ষেত্ৰত তেনে কোমলতা খুউব কম দেখা যায়। জ্যোতিপ্ৰসাদ আগৰৱালা আৰু নজৰুল ইছলাম সম-সাময়িক কবি হিচাপেই দুয়োগৰাকীৰ কবিতাত বিভিন্ন সময়ত আলোচকসকলে সাদৃশ্যৰ কথা উনুকিয়াইছে। জ্যোতিপ্ৰসাদ আগৰৱালাক নজৰুল ইছলামৰ লগত মিল দেখুৱাই অচ্যুত পট্টবৰ্ধনে এইদৰে মন্তব্য কৰিছে ঃ

*"তেওঁ সুভাষ হোৱাতকৈ অধিক সঠিক ভাৱে নজৰুলহে।"*[১৮]

জ্যোতিপ্ৰসাদ আগৰৱালা আৰু নজৰুল ইছলামৰ দেশাত্মবোধ কেৱল সাম্ৰাজ্যবাদী ইংৰাজৰ কবলৰ পৰা দেশ স্বাধীন কৰা নহয়; বৰং সমগ্ৰ দেশক শোষণ মুক্ত কৰি দেশৰ মানুহক নিজৰ অধিকাৰ সাব্যস্তেৰে সাম্য মুক্তিৰ প্ৰচেষ্টাৰ মাজত নিহীত কৰা। সেয়ে তেওঁলোকৰ কবিতাত আন মানুহৰ দৰে হিন্দু মুছলমানৰ একাত্মতাৰ বাবেও প্ৰচেষ্টা পৰিলক্ষিত হয়। জ্যোতিপ্ৰসাদ আগৰাৱালাই হিন্দু-মুছলমান সকলোকে একত্ৰিত হৈ তেওঁলোক যে অসমৰ উদিত নজোৱান সেয়া অনুভৱ কৰাইছে এইদৰে ঃ

'যি কি ধৰ্ম নহওক তোৰ
বামুণ শূদিৰ যিয়েই নহ'ব
হিন্দু বা মুছলমান
* * * *
মনত ৰাখিবি তই 'অসমৰ ন-জোৱান'

*(অসমৰ নবীন জোৱানৰ সংকল্প)*

জ্যোতিপ্ৰসাদ আগৰৱালাই কবিতাত নিজেই কৈছে *'ময়েই হিন্দু ময়েই মুছলমান'*। তেওঁ এই ধৰণৰ মন্তব্যৰ হৃদয়ত সজীব হৈ থকা জাতি-ধৰ্মৰ এনাজৰীডাল সম্প্ৰীতি তথা সাম্যমুক্তিৰে ঘোষণা কৰিছে।

নজৰুল ইছলামৰ কবিতাতো হিন্দু-মুছলমানৰ সম্প্ৰীতিৰ এনাজৰী অতি শক্তিশালী ৰূপত ধ্বনিত হৈছে ঃ

"হিন্দু না ওৰা মুসলিম"? ওই জিজ্ঞাসে কোন জন?
কাণ্ডাৰী ! বলে ডুবিছে মানুষ, সন্তান মোৰ মা-ৰ !"

*(কাণ্ডাৰী হুঁশিয়াৰ)*

নজৰুল ইছলামে আকৌ তেওঁৰ গীতত কৈছে ঃ

"মোৰো একই বৃন্তে দুটি কুসুম হিন্দু মুছলমান
মুসলিম তাৰ নয়নমণি, হিন্দু তাহাৰ প্ৰাণ।।"

*(গীত)*

তেওঁ আকৌ এবাৰ বন্ধু ইব্ৰাহীম খাঁৰ চিঠিৰ উত্তৰত এইদৰে লিখিছে— *"আমি হিন্দু-মুছলমানেৰ মিলনে পৰিপূৰ্ণ বিশ্বাসী।"*[১৯] হিন্দু-মুছলমানৰ সম্পৰ্কই সেইসময়ত ভাৰতৰ স্বাধীনতা লাভৰ ক্ষেত্ৰত বাধাৰ সৃষ্টি কৰিছিল। কিন্তু নজৰুল ইছলামে দেশৰ মানুহক হিন্দু-মুছলমান ভেদাভেদ নাৰাখি সকলোকে এক দেশমাতৃৰ সন্তান মানুহ হিচাপে প্ৰতিষ্ঠিত কৰিবৰ বাবে তেওঁ যৎপৰোনাস্তি চেষ্টা কৰিছিল। তেওঁ কৈছিল ঃ

*"হিন্দু হিন্দু থাক, মুছলমান মুছলমান থাক, শুধো একবাৰ এই মহা গগণতলেৰ সীমা হাৰা মুক্তিৰ মাজে দাঁড়াইইয়া-মানৱ। তোমাৰ কণ্ঠে সেই সৃষ্টিৰ আদিম বাণী ফুটাও দেখি। বল দেখি আমাৰ মানুষ ধৰ্ম।' দেখিবে দশদিকে সাৰ্বভৌমিক সাড়াৰ আকুল স্পন্দন কাঁপিয়া উঠিতেছে।...মানৱতাৰ এই মহা-যুগে একবাৰ গণ্ডী কাটিয়া বাহিৰ হইয়া আসিয়া বল যে, তুমি ব্ৰাহ্মণ নও, শূদ্ৰ নও, হিন্দু নও, মুছলমান নও, তুমি মানুষ-তুমি সত্য।"*[২০]

*(ছুতমাৰ্গ, যুগবাণী)*

জ্যোতিপ্ৰসাদ আৰু নজৰুলৰ কবিতাত হিন্দু আৰু মুছলমানৰ সম্প্ৰীতিৰ ভাব অতি সুন্দৰকৈ প্ৰতিফলিত হৈছে। নজৰুল ইছলাম মুছলমান কবি হ'লেও তেওঁক হিন্দু-মুছলমানৰ মিলিত বাংলা কবি বুলি কোৱা হয়।

**জ্যোতিপ্ৰসাদ আগৰৱালাৰ কবিতাত সাম্যবাদ ঃ**

জ্যোতিপ্ৰসাদ আগৰৱালা শৈশৱৰে পৰাই ভাৰতৰ স্বাধীনতা আন্দোলনত জপিয়াই পৰিছিল। এই সময়চোৱাত আন্দোলনকাৰীসকলক দমন কৰিবলৈ বৃটিছে কঠোৰ নীতি গ্ৰহণ কৰিছিল। এই দমন নীতিৰ যন্ত্ৰবৎ পীড়নত জ্যোতিপ্ৰসাদৰ মন বিক্ষুব্ধ আৰু বিপ্লৱী হৈ উঠিছিল এনে কাৰণতে জ্যোতিপ্ৰসাদ আগৰৱালাই

১৯৪২ ৰ সত্যাগ্ৰহীসকলকলৈ মৃত্যুবাহিনী গঠন কৰিছিল।[২১] জ্যোতিপ্ৰসাদ আগৰৱালাৰ এই বিপ্লৱী চেতনাই স্বাধীনতা আন্দোলনৰ সময়চোৱাত সাম্যবাদী ভাবাদৰ্শেৰে প্ৰভাৱ বিস্তাৰ কৰিছিল।[২২]

জ্যোতিপ্ৰসাদ আগৰৱালা সাম্যবাদী ভাবাদৰ্শৰ প্ৰতি আকৃষ্ট হোৱাৰ মূল কাৰণ আছিল ভাৰতীয় কংগ্ৰেছৰ কদৰ্য ৰূপ। জ্যোতিপ্ৰসাদ আগৰৱালাই অৱশ্যে কংগ্ৰেছৰ সদস্য হৈয়েই ভাৰতৰ স্বাধীনতা আন্দোলনত যোগ দিছিল। এয়ে নহয় স্বাধীনতাকামী অসমৰ মানুহৰ আকৌ তিনিটা শ্ৰেণী জ্যোতিপ্ৰসাদৰ চকুত ধৰা পৰিছিল। এটা শ্ৰেণী আছিল সুবিধাবাদী শোষক, আন এটা আছিল-নিজৰ স্বাৰ্থ সিদ্ধিৰ গোপন অভিসন্ধিৰে ৰাইজৰ সেৱা চুৰ কৰা ভণ্ড নেতা আৰু এই সকলৰ চৰম অত্যাচাৰত পতিত, লাঞ্ছিত এচাম নিৰীহ কৃষক, শ্ৰমিক তথা হোজা গ্ৰাম্য মানুহ। তেওঁ এই ধৰণৰ বিভেদৰ প্ৰতি তীব্ৰ বিপ্লৱ ঘোষণা কৰিছিল আৰু তেওঁৰ কবিতাৰ মাজতো সেই বিপ্লৱ বীৰদৰ্পে প্ৰকাশ কৰি কৃষক শ্ৰমিকসকলক বিপ্লৱী ৰূপত জাগি উঠিবলৈ আহ্বান জনাইছিল। জ্যোতিপ্ৰসাদ আগৰৱালাৰ কবিতাত নিপীড়িত কৃষক, শ্ৰমিকৰ আৰ্তনাদ অতি বেদনাদায়ক। 'এটা মাতোৱাল বনুৱা', 'এটা পগলা খেতিয়ক', 'অসমীয়া ছোৱালীৰ উক্তি', 'অসমীয়া ডেকাৰ উক্তি', 'জয়মতীৰ আত্মাৰ উক্তি', 'মহাশূদ্ৰ', 'কনকলতা', প্ৰভৃতি জ্যোতিপ্ৰসাদ আগৰৱালাৰ সাম্যবাদী ভাবপুষ্ট কবিতা।

জ্যোতিপ্ৰসাদ আগৰৱালাই আজীৱন ভাৰতীয় কংগ্ৰেছী আদৰ্শক মাৰ বান্ধি লৈছিল যদিও কংগ্ৰেছৰ মাজত ক্ৰমে লক্ষিত হোৱা কদৰ্যতাই তথা অসমৰ মানুহৰ শ্ৰেণী বিভাজনে তেওঁক নতুন আদৰ্শৰ প্ৰতি আকৃষ্ট কৰি তুলিছিল। সেয়ে তেওঁ সাম্যবাদী ভাবাদৰ্শৰ প্ৰতি শ্ৰদ্ধা নিবেদন কৰিছিল। অৱশ্যে, জ্যোতিপ্ৰসাদ আগৰৱালা প্ৰকৃতপক্ষে সাম্যবাদী নাছিল। কিন্তু সাম্যবাদৰ প্ৰতি তেওঁৰ যে অসীম শ্ৰদ্ধা আছিল সেয়া তেওঁৰ কবিতা, গীত তথা নাটকৰ পৰা উপলব্ধি কৰিব পাৰি। জ্যোতিপ্ৰসাদ আগৰৱালাই তেওঁৰ এটি কবিতাৰ মাজত সৰল-সহজ নিচলা মানুহৰ অধিকাৰ ভৰিৰে গচকি পেলোৱা শোষক শ্ৰেণীটোৰ হৃদয়হীনতা অতি বিকৃত ৰূপত প্ৰকাশ কৰিছে এইদৰে ঃ

"নৃশংসতাৰে যি মানুহক
গচকি খচকি

শুহি শুহি খাই
অসুৰৰ স্বৰ্গ ৰচি প্ৰমোদৰ
কাৰেঙত থাকি
মষিমূৰ কৰি পৃথিৱীৰ ন্যায়
নিৰ্বিকাৰে টোপনি যায়,
সিহঁতৰ বাবে নাই, নাই, নাই
কোনো অনুকম্পা নাই,
জ্যোতিৰ্ময় বজ্ৰকঠোৰ
অন্তৰত নাই, নাই, নাই
কোনো অনুকম্পা নাই।'

*(মহাশূদ্ৰ)*

আকৌ তেওঁৰ 'খনিকৰ' নাটকৰ দ্বিতীয় অংকত বিপ্লৱী উপেনে সমাজৰ তেজ শুহি খোৱা ওংকাৰমলক কৈছে এইদৰে ঃ

*"আপোনলোকে খেতিয়কৰ ধন চুহি সিহঁতক লেংদা মৰোৱাই দিলে। তিৰোতাৰ কাণৰ কৰিয়া, হাতৰ খাৰু, ডিঙিৰ মণি, গোহালিৰ গৰু বন্ধা বাটি-কাঁহীসোপাই আপোনালোকে নাইকিয়া কৰিছে আমাৰ খেতিয়কৰ তেজ চুহি খাইছে।"*[২৩]

জ্যোতিপ্ৰসাদ আগৰৱালাই সমাজৰ শোষণকাৰীসকলৰ দ্বাৰা নিষ্পেষিত ধৰ্ষিত দলিত সকলকো সেই অপশক্তিৰ বিৰুদ্ধে জাগি উঠিবলৈ আহ্বান জনাইছেঃ

"জাগ আজি পৃথিৱীৰ
নিষ্পেষিত ধৰ্ষিত
দলিত স্খলিত যত
হতবীৰ্য নিৰাশ মানৱ।"

*(জয়মতীৰ আত্মাৰ উক্তি)*

জ্যোতিপ্ৰসাদ আগৰৱালাৰ মাৰ্ক্সীয় দৰ্শনৰ প্ৰতি অদম্য স্পৃহা গীততো এইদৰে ধ্বনিত হৈছে ঃ

"কাৰখানাৰ বনুৱা
নতুন দিনৰ বনুৱা

নতুন মনৰ মনুৱা মই
জয় হাতুৰীৰ জয়
জয় বটালিৰ জয়।”

**সাম্যবাদী কবি নজৰুল ইছলাম ঃ**

বাংলা কবি নজৰুল ইছলাম ভাৰতৰ এগৰাকী শ্ৰেষ্ঠ সাম্যবাদী কবি। তেওঁৰ কবিতাত সাম্ৰাজ্যবাদী শাসনক ভাঙি গণ চেতনাৰ জাগ্ৰতবাণী শুনা যায়। তেওঁৰ কবি কণ্ঠক দেশৰ জনগণৰ দুখ-দাৰিদ্ৰ, শোষণ আৰু দহন জ্বালাই বিদ্ৰোহী কৰি তুলিছিল। নজৰুল ইছলামো দেশৰ নিপীড়িত, লাঞ্ছিত কৃষক শ্ৰমিকৰ ওপৰত চলা অমানুষিক অত্যাচাৰৰ বিৰুদ্ধে জাগ্ৰত হৈ উঠিছিল। সেয়ে তেওঁৰ কবিতাত এই উপলব্ধি পোৱা যায় যে, অন্যায়-অত্যাচাৰৰ বিৰুদ্ধে বিদ্ৰোহ কৰাৰ বাহিৰে মানুহৰ মুক্তি অসম্ভৱ। গণচেতনাবোধে নজৰুল ইছলামক শ্ৰমিক, কৃষকৰ প্ৰতি দৰদী আৰু অনুভূতিশীল কৰি তুলিছিল। নজৰুল ইছলামৰ হৃদয়ত সাম্যবাদ অতি স্পষ্টৰূপত প্ৰতিধ্বনিত হৈছিল আৰু যাৰ বাবে তেওঁ ‘লেবাৰ স্বৰাজ পাৰ্টি’ (যি পৰৱৰ্তী কালত শ্ৰমিক আৰু কৃষক দল হয়) প্ৰতিষ্ঠা কৰিছিল।[২৪] নজৰুল ইছলামে সাম্যবাদৰ প্ৰতি আকৃষ্ট হৈ ৰচনা কৰিছিল ‘সাম্যবাদী’ কাব্যপুথি। এই কাব্যপুথিত তেওঁ দেশবাসীক বিশ্ব মানৱতা আৰু আন্তৰ্জাতিক সাম্যৰ বাণী শুনাইছিল। তেওঁ ‘সাম্যবাদী’ কবিতাত এইদৰে সকলোকে সাম্যৰ ভাৰেৰে আগবাঢ়ি আহিবলৈ কৈছে ঃ

গাহি সাম্যেৰ গান—
যেখানো আসিয়া এক হয়ে গেছে সব বাধা ব্যৱধান,
যেখানে মিশেছে হিন্দু-বৌদ্ধ-মুছলিম-ক্ৰিশ্চান।
গাহি সাম্যেৰ গান!

*(সাম্যবাদী)*

নজৰুল ইছলাম পুঁজিপতি সমাজত বিচাৰৰ নামত চলা প্ৰহসন দেখি হতবাক হৈছে। যি সমাজত এচামে শৰীৰৰ তেজ ক্ষয় কৰি ফল আৰ্জে আৰু আন এচামে বিনা পৰিশ্ৰমে সেই ফল ভোগ কৰে। সমাজৰ এই লুটিখোৱা পুঁজিপাতিসকলক কবিয়ে চোৰ-ডকাইত ৰূপে অভিহিত কৰিছে এইদৰে ঃ

বিপন্নদেৰ অন্ন ঠাসিয়া ফুলে মহাজন ভুঁড়ি
নিৰন্নদেৰ ভিটে নাশ কৰে জমিদাৰ চড়ে জুড়ি

*(চোৰ -ডাকাত)*

নজৰুল ইছলামে শ্ৰমিকসকলৰ নায্য প্ৰাপ্য লুণ্ঠন কৰা নিৰ্লজ পুঁজিপতিসকলৰ বিৰুদ্ধে তীব্ৰ প্ৰতিবাদ তেওঁৰ কবিতাৰ মাজত এইদৰে ঘোষণা কৰিছে ঃ

'ৰাজপথে তব চলিছে মোটৰ, সাগৰে জাহাজ চলে,
ৰেল পথে চলে বাষ্প-শকট, দেশ ছেয়ে গেল কলে,
বলতত এসৱ কাহাদেৰ দান ! তোমাৰ অট্টালিকা
কাৰ খুনে ৰাঙা ? —ঠুলি খুলে, দেখ প্ৰতি ইটে আছে লিখা !
তুমি জন না ক' কিন্তু পথেৰ প্ৰতি ধূলিকণা জনে,
ঐ পথ, ঐ জাহাজ, শকট ,অট্টালিকাৰ মানে !"

*(কুলি-মজুৰ)*

নজৰুল ইছলাম সম্পূৰ্ণৰূপে জনতাৰ প্ৰতি সহৃদয় আছিল। জনতাৰ মংগলৰ অৰ্থে তেওঁ ওৰেটো জীৱন বিপ্লৱ কৰিছিল। তেওঁৰ বিশ্বাস কৰিছিল, যেন জনতাৰ সংগ্ৰামৰ মাজতেই সমাজত পুঞ্জীভূত হৈ থকা দুখ-গ্লানিৰ বোজা দূৰ হ'ব।[১৫] তেওঁৰ কবিতাৰ মাজেৰে দুখীয়া নিচলা দুৰ্বল মানুহক জাগ্ৰত হ'বলৈ বিপ্লৱী মন্ত্ৰ দিছে। তেওঁ আছিল আশাবাদী কবি। সেয়েহে তেওঁৰ কবিতাত নৈৰাশ্য, বেদনাৰ ভাৰ বিলাস নাই। তেওঁৰ কবিতাত কৃষকসকলৰ প্ৰতিও জাগ্ৰত বাণী শুনা যায়।

'আজ জাগৰে কৃষাণ সবতো গেছে কিসেৰ বা আৰ ভয়
এই ক্ষুধাৰ জোৰেই কৰব এবাৰ সুধাৰ জগৎ জয়।
ঐ বিশ্বজয়ী দস্যু ৰাজাৰ হয়কে কৰ নয়,
ওৰে দেখবে এবাৰ সভ্য জগৎ চাষাৰ কত বল।।"

*(কৃষাণেৰ গান)*

নজৰুল ইছলামে আকৌ শ্ৰমিকসকলক পুজিঁপতি মালিকসকলৰ অন্যায়ৰ প্ৰতিবাদ কৰিবলৈ আহ্বান জনাইছে এইদৰে ঃ

'যত শ্ৰমিক শুঁষে নিঙড়ে প্ৰজা,

আমাৰ মৰি ব'য়ে তাদেৰ বোঝা ৰে।
এবাৰ জুজুৰ দল ঐ হুজুৰ দলে!
দলবিৰে আয় মজুৰ দল!
ধৰ হাতুড়ি, তোল কাঁধে শাৱল।।"

*(শ্ৰমিকৰে গান)*

জ্যোতিপ্ৰসাদ আৰু নজৰুলৰ কবিতাত সাম্যবাদৰ প্ৰভাৱৰ সম্পৰ্কে আলোচনা কৰি এই কথা প্ৰতীয়মান হ'ল যে, দুয়োগৰাকীৰ কবিয়েই কম-বেছি সাম্যবাদত আকৃষ্ট আছিল। জ্যোতিপ্ৰসাদৰ কবিতাত সাম্যবাদীৰ সুৰ শুনা যায় যদিও তেওঁ প্ৰকৃততে সাম্যবাদী নাছিল, কিন্তু, সাম্যবাদৰ প্ৰতি তেওঁৰ আছিল শ্ৰদ্ধা। এই সম্পৰ্কে প্ৰহ্লাদ কুমাৰ বৰুৱাই কৈছেঃ

*'মুঠতে জ্যোতিপ্ৰসাদৰ সাম্যবাদীৰ ভাৱাদৰ্শ তথাকথিত সাম্যবাদী আদৰ্শৰ সৈতে একে নহয়, তেওঁৰ সাম্যবাদী সংস্কৃতি চেতনাৰেই এক অংগ বিশেষ মাথোন।'*[২৬]

জ্যোতিপ্ৰসাদৰ তুলনাত নজৰুল ইছলাম আছিল সাম্যবাদী ভাবাদৰ্শৰ সাধক কবি। তেওঁ প্ৰথমাৱস্থাত সাম্ৰাজ্যবাদী শাসনতন্ত্ৰৰ অন্যায়-অত্যাচাৰ দেখি অতীষ্ঠ হৈ পৰিছিল আৰু সাম্যবাদী আদৰ্শৰে বিপ্লৱ ঘোষণা কৰিছিল। সাম্যবাদৰ মূল মন্ত্ৰ হৈছে শোষণৰ পৰা মুক্তি, শ্ৰেণী সমাজৰ বিলুপ্তি। গতিকে নজৰুল ইছলামৰ কবিতাৰ মাজত এই দুয়োটা কথাই স্পষ্ট ভাৱে পৰিলক্ষিত হৈছে। নজৰুল ইছলামৰ সাম্যবাদ সম্পৰ্কে আব্দুল হালিমে কৈছে— *"নজৰুল বাংলাৰ প্ৰথম ও সৰ্বশ্ৰেষ্ঠ বিপ্লৱী সাম্যবাদী কবি।"*[২৭]

**ভাৰত চেতনা ঃ**

জ্যোতিপ্ৰসাদ আগৰৱালা আৰু নজৰুল ইছলামৰ কবিতাত সাম্যবাদী চিন্তাৰ উপৰিও দুয়োজনাৰে কবিতাত ৰাষ্ট্ৰীয় চেতনা বা ভাৰত চেতনা অতি সুন্দৰকৈ প্ৰতিফলিত হৈছে। জ্যোতিপ্ৰসাদ আৰু নজৰুল ইছলাম প্ৰকৃতপক্ষে ৰাষ্ট্ৰীয় সচেতন কবি। এই ৰাষ্ট্ৰীয় সচেতনাৰ মাজেৰেও দুয়োগৰাকীৰ কবিতাত দেশাত্মবোধ অতি স্পষ্ট ৰূপত প্ৰকাশিত হৈছে।

জ্যোতিপ্ৰসাদ আগৰৱালাৰ কবিতাত ৰাষ্ট্ৰীয় চেতনা অতি গভীৰ। তেওঁ

ভাৰত চেতনা বা ৰাষ্ট্ৰীয় চেতনাৰে আহ অকণি আহ’ কবিতাত দেশৰ ভৱিষ্যৎ অকণিহঁতক শক্তি মন্ত্ৰ দিছে। এইদৰে ঃ

তয়ে অসমৰ
তয়ে ভাৰতৰ
আলোকদীপ্ত অজেয় সেনাপতি”

*(আহ, অ’ অকণি আহ)*

তেওঁ আকৌ আন এটি কবিতাত ভাৰতৰ প্ৰসংগেৰে বিপ্লৱী বাণী প্ৰকাশ কৰিছে এইদৰে ঃ

ৰূপান্তৰৰ মই
যুগান্তৰৰ মই
ভাৰতৰ
জগতৰ
বিদ্ৰোহী বীৰ্য
বিপ্লৱে বিপ্লৱে
বিজুলী বজ্ৰ হানি
সুঘোষিত কৰি যাও অগ্নিতুৰ্য্য

*(চিৰ বিদ্ৰোহী-১)*

জ্যোতিপ্ৰসাদ আগৰৱালাই তেওঁৰ বিপ্লৱী বাণীৰে কেৱল অসমৰ জনসাধাৰণক জগাই তুলিবলৈ বিচৰা নাই, বৰং, সমগ্ৰ ভাৰতবৰ্ষক জগাই তুলিছে এইদৰে ঃ

“ন-জোৱান-ই-হিন্দ
মই ভাৰত ন-জোৱান
জগাওঁ পৃথিৱী
জগালোঁ হিন্দুস্থান;
ন-জোৱান-ই-হিন্দ
মই ভাৰত ন-জোৱান।”

*(ন-জোৱান-ই-হিন্দ)*

জ্যোতিপ্ৰসাদৰ কবিতাত স্বাধীনতাক আমি জনতাক শোষণ-উৎপীড়ণেৰে

জুৰুলা কৰা শোষকসকলৰ বিৰুদ্ধে এইদৰে জাগ্ৰতবাণী ঘোষণা হৈছে ঃ

আজি জাগ্ৰত ভাৰত
পোহৰৰ গানে গানে
জাগে জনতাৰ মহাপ্ৰাণ,
যুগ যুগ সঞ্চিত
স্বাধীনতাহীনতাৰ
জাগে জ্বালাময়ী অভিমান।"

*(পোহৰৰ গান)*

জ্যোতিপ্ৰসাদ আগৰৱালাৰ দৰে নজৰুল ইছলামৰ কবিতাতো ভাৰত চেতনা বা ৰাষ্ট্ৰীয় চেতনা অতি সুন্দৰকৈ প্ৰতিফলিত হৈছে। জ্যোতিপ্ৰসাদৰ ৰাষ্ট্ৰীয় চেতনা যিদৰে বিপ্লৱাত্মক সেইদৰে, নজৰুল ইছলামৰ কবিতাতো ৰাষ্ট্ৰীয় চেতনা সম্পূৰ্ণৰূপে বিপ্লৱী আৰু মানৱতাবাদী। তেওঁ ভাৰতবৰ্ষক সকলো জাতি ধৰ্মৰ মিলনভূমি বুলি এইদৰে কৈছে ঃ

"উদাৰ ভাৰত ! সকল মানবে
দিয়াছ তোমাৰ কোলে স্থান।
পাৰ্সী জৈন বৌদ্ধ হিন্দু
খৃষ্টান শিখ মুছলমান ।।
তুমি পাৰাবাৰ, তোমাতে আসিয়া
মিশেছে সকল ধৰ্ম জাতি,
আপনি সহিয়া ত্যাগেৰ বেদনা
সকলৰ দেশেৰ কৰেছে জ্ঞাতি;
নিজেৰ নিঃস্ব কৰিয়া হৈয়েছে
বিশ্ব মানৱ পীঠস্থান।।"

*(উদাৰ ভাৰত, সুৰসাকী)*

তেওঁ আকৌ 'কুহেলিকা' উপন্যাসত সপোনৰ ভাৰতবৰ্ষ কল্পনা কৰিছিল; য'ত সকলো জাতি-ধৰ্মই এক হৈ দেশ গঢ় দিব ঃ

*"আমাৰ ভাৰতবৰ্ষ, ভাৰতেৰ এই মূক দৰিদ্ৰ নিৰন্ন পৰ-পদদলিত তেত্ৰিশ কোটি মানুষেৰ ভাৰতবৰ্ষ। আমাৰ ভাৰতবৰ্ষ মানুষেৰ যুগে*

*যুগে পীড়িত মানৱাত্মাৰ ক্ৰন্দন তীৰ্থ। ওৰে এ ভাৰতবৰ্ষ তোদেৰ*
*মন্দিৰেৰ ভাৰতবৰ্ষ নয়, মুছলমানদেৰ মছজিদেৰ ভাৰতবৰ্ষ নয়—*
*এ আমাৰ মানুষেৰ-মহাভাৰতেৰ মহাভাৰত।।"*[২৮]

তেওঁৰ কবিতাৰ মাজত ভাৰতবৰ্ষৰ মহান ঐতিহ্য তথা ধৰ্মনিৰপেক্ষতা অতি সুন্দৰকৈ ফুটি উঠিছে। নজৰুল ইছলাম যে ৰাষ্ট্ৰীয় চেতনা সমৃদ্ধ কবি আছিল সেয়া তেওঁৰ ৰচনাৰ পৰা অনুমান কৰিব পাৰি। নজৰুল ইছলামৰ কবিতাত ভাৰতৰ প্ৰাচীন হলদিঘাটৰ স্মৃতি অতি সচেতনভাৱে প্ৰকাশিত হৈছে ঃ

অধীন ভাৰত কৰিল প্ৰথম
স্বাধীন-ভাৰতমন্ত্ৰ পাঠ,
বালাশোৰ-বুড়িবালামেৰ তীৰ—
নৱ-ভাৰতেৰ হলদিঘাট।"

*(নৱ-ভাৰতেৰ হলদিঘাট)*

জ্যোতিপ্ৰসাদ আগৰৱালা আৰু নজৰুল ইছলামৰ কবিতাত ভাৰতৰ স্বাধীনতা আন্দোলনৰ প্ৰভাৱ সুদূৰপ্ৰসাৰী। এই দুয়োজনা কবিৰ জন্মই হৈছে পৰাধীন ভাৰতবৰ্ষত। তদুপৰি দুয়োগৰাকী কবিৰ জন্মৰ সময়ত ভাৰতবৰ্ষত স্বাধীনতা আন্দোলনৰ পূৰ্ণপয়োভৰৰ কাল।

অসমীয়া কবি জ্যোতিপ্ৰসাদ আগৰৱালা শৈশৱৰে পৰা ভাৰতৰ স্বাধীনতা আন্দোলনত একাণপতীয়াকৈ লাগি পৰিছিল। ১৯২১ চনত সমগ্ৰ ভাৰতবৰ্ষ জুৰি আলোড়ন তোলা মহাত্মা গান্ধীৰ অসহযোগ আন্দোলৰ প্ৰভাৱ অসমতো পৰিছিল। সেই সময়ত প্ৰৱেশিকা পৰীক্ষাৰ প্ৰাৰ্থী জ্যোতিপ্ৰসাদ আগৰৱালাই অসহযোগ আন্দোলনত আত্মনিয়োগ কৰি নিজৰ জাতীয় সচেতনতাৰ পৰিচয় দিয়ে। তাতেই তেওঁৰ মনত সুপ্ত হৈ থকা জাতীয়তাবাদ তথা জনসচেতনতাই জাগ্ৰত ৰূপ লয়। ভাৰতৰ স্বাধীনতা আন্দোলনৰ এই সচেতনতাই তেওঁৰ কবিতা, গীত, নাটকত এক সুদূৰপ্ৰসাৰী ভূমিকা গ্ৰহণ কৰিছে। জাতীয় মুক্তি আন্দোলনত গঢ়ি উঠা মুক্তিচেতনাই তেওঁক কবিতা ৰচনা কৰিবলৈ অনুপ্ৰেৰণা দিছিল। সেয়েহে তেওঁৰ ভালেখিনি কবিতাত ভাৰতবৰ্ষৰ স্বাধীনতা আন্দোলনকাৰী বাণী প্ৰকাশিত হোৱা দেখা যায় ঃ

চাৰিও কাষেদি বেৰি

অসম আহিলে ঘেৰি
আৰু যে নসহে দেৰি,
বজা অসমীয়া
শৰাইঘটীয়া
বজা, বজা ৰণ-ভেৰী,
অসমীয়া হুছিয়াৰ!
শত্ৰু পালেহি দুৰ্নিবাৰ।"

*(জ্যোতিশংখ)*

জ্যোতিপ্ৰসাদ আগৰৱালা মহাত্মা গান্ধীৰ জীৱনাদৰ্শ আৰু ভাৰতৰ স্বাধীনতা আন্দোলনৰ দ্বাৰা প্ৰভাৱিত হৈছিল।[২৯] হয়তো সেই কাৰণতে জ্যোতিপ্ৰসাদ আগৰৱালাৰ গীত, নাটক, কবিতা, স্বাধীনতা আন্দোলন তথা জাতীয় চেতনা ব্যাপকভাৱে প্ৰকাশিত হৈছে। জ্যোতিপ্ৰসাদ আগৰৱালাৰ দৃষ্টিত স্বাধীনতাৰ অৰ্থই সম্পূৰ্ণ সুকীয়া। প্ৰহ্লাদ কুমাৰ বৰুৱাই জ্যোতিপ্ৰসাদৰ স্বাধীনতা সম্পৰ্কে কৈছে এইদৰে ঃ

*"জ্যোতিপ্ৰসাদৰ বিপ্লৱী দৃষ্টিত দেশৰ স্বাধীনতাৰ অৰ্থ-লক্ষ্য আৰু উদ্দেশ্যও আনৰ সৈতে একে নহয়। জ্যোতিপ্ৰসাদৰ মতে দেশৰ স্বাধীনতাৰ প্ৰয়োজনীয় জাতীয় সংস্কৃতিকগতিশীল কৰি তুলিবৰ বাবেহে।"*[৩০]

জ্যোতিপ্ৰসাদৰ আদৰ্শ সংস্কৃতিক গতিশীল কৰি তোলা। সেয়েহে তেওঁৰ সমগ্ৰ ৰচনাত বিপ্লৱীচেতনা সাংস্কৃতিক আদৰ্শৰে প্ৰতিষ্ঠিত হৈছে। জ্যোতিপ্ৰসাদ আগৰৱালাই যদিও মহাত্মা গান্ধীৰ অহিংসা আদৰ্শৰ দ্বাৰা প্ৰভাৱিত হৈছিল, কিন্তু মাজে মাজে তেওঁ হিংসানীতিৰ প্ৰতিও আকৃষ্ট হোৱা দেখা যায়। তেওঁৰ গীতত উল্লিখিত উগ্ৰচেতনাই সেয়া সূচায়। উদাহৰণস্বৰূপে ঃ

তই কৰিব লাগিব অগ্নিস্নান।
জীৱন-যৌৱন
কৰি প্ৰাণ পণ
ৰাঙলী কৰি দে ৰণাংগন

জয় শংখ বজা
পৃথিৱী কঁপাই
অত্যাচাৰকো কৰি বৰণ
বজ্ৰকণ্ঠে বিশ্বক শুনা
সত্যৰ জয় গান
বুকুৰ তেজেৰে ধুই দে আজি
ভাৰতৰ অপমান।।'

*('লভিতা', নাটকত সন্নিৱিষ্ট গীত)*

অৱশ্যে জ্যোতিপ্ৰসাদ আগৰৱালাৰ সমগ্ৰ জীৱনটোৱেই বিপ্লৱ— মানুহৰ মুক্তিৰ। কেৱল ভাৰতৰ স্বাধীনতা আন্দোলনৰ পটভূমিতেই জ্যোতিপ্ৰসাদ আগৰৱালাৰ দেশাত্মবোধ সুচিত নহয়। কিয়নো জ্যোতিপ্ৰসাদ আগৰৱালাৰ জীৱনজোৰা সাধনাই হৈছে দেশাত্মবোধ; যি কেতিয়াবা জাতীয়তাবোধ ৰূপেৰেও প্ৰকাশিত হৈছে।

জ্যোতিপ্ৰসাদ আগৰৱালাৰ দৰে বাংলা কবি নজৰুল ইছলামেও ভাৰতৰ স্বাধীনতা আন্দোলনত সক্ৰিয় ভূমিকা গ্ৰহণ কৰিছিল। অৱশ্যে জ্যোতিপ্ৰসাদ আগৰৱালাৰ দৰে নজৰুল ইছলাম শৈশৱৰে পৰা ভাৰতৰ স্বাধীনতা আন্দোলনত সক্ৰিয়ভাৱে জড়িত হ'ব পৰা নাছিল। ইয়াৰ কাৰণ আছিল নজৰুল ইছলামৰ পাৰিবাৰিক দাৰিদ্ৰতা।

নজৰুল ইছলামেও মহাত্মা গান্ধীৰ অহিংসা নীতিত তেওঁ বেছি দিন স্থিতি ল'ব নোৱাৰিলে। তেওঁ লিখনিৰ মাজেৰে হিংসা নীতিৰ আশ্ৰয়ত সন্ত্ৰাসবাদীসকলক উদগনি দিছিল; যি অগ্নিময় বাণী সন্ত্ৰাসবাদীসকলৰ প্ৰেৰণা হৈছিল। যাৰ বাবে নজৰুল ইছলামে কাৰাবৰণো খাটিবলগীয়া হৈছিল। তেওঁৰ 'ৰক্তধাৰিণী মা', 'আগমনী', 'আনন্দময়ীৰ 'আগমনে', প্ৰভৃতি গভীৰ বিদ্ৰোহাত্মক কবিতা। সাম্ৰাজ্যবাদী ইংৰাজসকলৰ বিৰুদ্ধে নজৰুল ইছলাম যথেষ্ট সৰৱ আছিল। দৰিদ্ৰ নিচলা মানুহৰ প্ৰতি থকা স-হৃদয়তা নজৰুল ইছলামৰ কবিতাৰ ঘাই সমল। নজৰুল ইছলামে তেওঁৰ কবিতাৰ মাজেৰে অন্তৰত জাগ্ৰত হৈ থকা দেশাত্মবোধ প্ৰকাশ কৰিছে। এইদৰে ঃ

পিয়াও এবাৰ অ-শিব গৰল
নীলেৰ সংগে লাল মেশা।
দেখা মা আবাৰ দনুজ-দলনী
আশিৱ নাশিনী চণ্ডী ৰূপ;
দেখাও মাও ওই কল্যাণকৰই
আনিতে পাৰে কি বিনাশ স্তূপ।
স্বেত শতদলবাসিনী নয় আজ
ৰক্তাম্বৰ ধাৰিণী হাসুক মা তোৰ
সৃষ্টিৰ নৱ-পূৰ্ণিমা।”

*(ৰক্তাম্বৰ ধাৰিণী মা)*

নজৰুল ইছলামৰ কবিতাত জ্যোতিপ্ৰসাদ আগৰৱালাৰ দৰে সৰলতা লক্ষিত নহয় যদিও নজৰুলৰ কবিতাত জ্যোতিপ্ৰসাদৰ দৰেই মানৱসচেতনতা দেখা যায়। নজৰুল ইছলামেও জ্যোতিপ্ৰসাদৰ দৰে কাৰাবাস খাটিছে। সেয়া তেওঁৰ কবিতাত, গীতত কাৰাবাসৰ কথা, জেলৰ কথা পোৱা যায়। নজৰুল ইছলামে তেওঁৰ ‘বিষেৰবাঁশী’ কাব্য গ্ৰন্থত অন্তৰৰ বিদ্ৰোহাত্মক ভাৰধাৰা প্ৰকাশ কৰিছে এইদৰে ঃ

ওই কাহাৰা কাৰাবাসে
মুক্তি-হাসি হাসে,
টুটেছে ভয়-বাধা স্বাধীন হিয়া-তলে।।
ললাটে লাঞ্ছনা-ৰক্ত-চন্দন,
বক্ষে গুৰু শিলা, হস্তে বন্ধন,
নয়নে ভাস্কৰ সত্য, জ্যোতি-শিখা,
স্বাধীন দেশ-বাণী কণ্ঠে ঘন বোলে,
সে ধ্বনি ওঠে ৰণি ত্ৰিংশ কোটি ওই
মানৱ কল্লোল

*(বন্দী বন্দনা)*

তেওঁ আকৌ কৈছে ঃ

তোমাৰ বন্ধু ঘৰেৰ বন্ধনীতে কৰছ বিশ্ব গ্ৰাস,
আৰু ত্ৰাস দেখিয়েই কৰবে ভাবছ বিধিৰ শক্তি হ্ৰাস।
সেই ভয়-দেখানো ভূতেৰ মোৰা কৰব সৰ্বনাস,
এবাৰ আনব মাভৈঃ বিজয়মন্ত্ৰ বলহীনেৰ বল।।
তোমৰা ভয় দেখিয়ে কৰছ, জয় দেখিয়ে নয়;
সেই ভয়েৰ টুঁটিই ধৰব টিপেই, কৰব তাৰে লয়।
মোৰো আপুনি মৰে মৰাৰ দেশে আনব বৰা ভয়,
মোৰো ফাঁসী পৰে আনব হাসি মৃত্যু জয়েৰ ফল।।"

*(শিকল পৰাৰ গান)*

বাংলা সাহিত্যত নজৰুল ইছলামৰ আবিৰ্ভাৱ ধমুকেতু সদৃশ। নজৰুল ইছলাম যেন পৰাধীন ভাৰতত সাম্ৰাজ্যবাদী ইংৰাজৰ শাসনৰ বিৰুদ্ধে ৰুদ্ৰমূৰ্তি ধাৰণ কৰি আবিৰ্ভূত হৈছে। তেওঁৰ কবিতা আৰু গীতত লিখনীৰ ৰুদ্ৰমূৰ্তি স্পষ্টভাৱে পৰিলক্ষিত হৈছে। নজৰুল ইছলাম প্ৰকৃততে মানুহৰ কবি। সাম্ৰাজ্যবাদী ইংৰাজৰ হাতত তথা দেশৰ পুঁজিপতি শোষকসকলৰ হাতত লাঞ্ছিত খৰ্বিত মানুহৰ দুখ- দুৰ্দশা তথা অসহায় অৱস্থা নজৰুল ইছলামৰ কবিতাৰ মুখ্য সমল। সেয়েহে তেওঁ মানুহকেই শ্ৰেষ্ঠত্ব দি কৈছে— *"মানুষেৰ চেয়ে বড় কিছু নাই, নহে কিছু মহীয়ান।"*

জ্যোতিপ্ৰসাদ আগৰৱালা আৰু নজৰুল ইছলামৰ দেশাত্মবোধ কবিতাৰ তুলনামূলক আলোচনাৰ মাজেৰে প্ৰতীয়মান হ'ল যে, দুয়োগৰাকী কবি পৰাধীন ভাৰতৰ দুই প্ৰতিবেশী ৰাজ্যৰ প্ৰতিনিধি স্বৰূপ। জ্যোতিপ্ৰসাদ আগৰৱালা আৰু নজৰুল ইছলামৰ কবিতাত দেশাত্মবোধ মূলতঃ জাতীয়তাবাদৰ ৰূপেই পৰিলক্ষিত হৈছে। মানুহৰ প্ৰতি সদায় স-হৃদয় দুয়োগৰাকী কবি। গতিকে দুয়োগৰাকী কবিৰ কবিতাত অৱহেলিত-লাঞ্চিত মানুহৰ আৰ্তনাদ অতি স্পষ্ট ৰূপত প্ৰকাশিত হৈছে। জ্যোতিপ্ৰসাদৰ কবিতাত ধ্বনিত হোৱা ভাষাতকৈ নজৰুলৰ ভাষা বহু বেছি উগ্ৰ যদিও, দুয়োজনাৰে কবিতাৰ ভাৱ কিন্তু প্ৰায় একে।

জ্যোতিপ্ৰসাদ আগৰৱালা আৰু নজৰুল ইছলাম সম-সাময়িক কবি হিচাপেও দুয়োগৰাকীৰ মাজত মিল স্পষ্ট। অৱশ্যে জ্যোতিপ্ৰসাদ আৰু নজৰুল ইছলামৰ কবিতাত অমিলো নথকা নহয়। নজৰুল ইছলামৰ ব্যক্তিগত দুখ-যন্ত্ৰণাই

যিদৰে বিদ্ৰোহাত্মক দৃষ্টিভংগীৰে কবিতাৰ মাজত প্ৰকাশিত হৈছে, জ্যোতিপ্ৰসাদ আগৰৱালাৰ কবিতাত ব্যক্তিগত দুখ-যন্ত্ৰণাই বিপ্লৱী সুৰত ধ্বনিত হোৱা দেখা নাযায়। সেয়েহে নজৰুল ইছলামৰ কবিতাতঅন্তৰৰ যি তুফান সদৃশ বিদ্ৰোহ তাৰ তুলনাত জ্যোতিপ্ৰসাদৰ বিদ্ৰোহ যথেষ্ট সৰল। জ্যোতিপ্ৰসাদ আগৰৱালাই মাৰ্ক্সীয় চিন্তাধাৰাৰ প্ৰতিও আগ্ৰাহান্বিত হৈছিল। কিন্তু তেওঁ সম্পূৰ্ণৰূপে সাম্যবাদী নাছিল। কিন্তু নজৰুল ইছলাম হাড়ে-হিমজুৰে সাম্যবাদী চিন্তাধাৰাৰ সমৰ্থক। সেয়ে বাংলা সাহিত্যত নজৰুল ইছলামক শ্ৰেষ্ঠ সাম্যবাদী কবি আখ্যা দিয়া হয়। জ্যোতিপ্ৰসাদ আগৰৱালাই অসমৰ স্বাধীনতাৰ পিছত গঢ় লৈ উঠা শোষণকাৰী তথা নেতৃত্বৰ মিছা ভাও দিয়া ভণ্ড নেতাৰ অতপালিত ক্ষোভিত হৈ উঠিছিল আৰু তেওঁৰ কবিতাত মাৰ্ক্সীয় চিন্তাধাৰা প্ৰকাশ কৰিছিল। নজৰুল ইছলাম যিহেতু সাম্যবাদৰ সাধক কবি তথা ব্যক্তিগত জীৱনত পাই অহা দুখ-দৈন্যতা তেওঁৰ কবিতাত অতি উগ্ৰ বিদ্ৰোহেৰে প্ৰকাশিত হয়। তেওঁৰ কবিতাত কৃষক শ্ৰমিকৰ আৰ্তনাদ তীব্ৰ ৰূপত প্ৰকাশিত হোৱা দেখা যায়। দেশৰ জনগণৰ দুখ-দৰিদ্ৰ, শোষণৰ দুঃসহ জ্বালাই নজৰুল ইছলামক বিদ্ৰোহী কৰি তুলিছিল আৰু তেওঁ মানুহৰ দুখ মুক্তি নোহোৱা পৰ্যন্ত তেওঁৰ বিদ্ৰোহ শান্ত নহয় ঃ

"মহা বিদ্ৰোহী ৰণক্লান্ত
আমি সেই দিন হব শান্ত
যবে উৎপীড়িতেৰ ক্ৰন্দন ৰোল
আকাশে বাতাসে ধ্বনিবে না;
অত্যাচাৰী খড়গ কৃপাণ ভীম ৰণভূমে
ৰণিবে না।
বিদ্ৰোহী ৰণক্লান্ত, সেই দিন
হব শান্ত।"

*(বিদ্ৰোহী)*

অসমীয়া কবি জ্যোতিপ্ৰসাদেও নজৰুলৰ দৰে সমাজৰ দৰিদ্ৰ নিপীড়িত মানুহৰ ওপৰত চলা শাসন-শোষণৰ প্ৰতি সদায় দৃষ্টি সজাগ ৰাখিছিল। কিন্তু নজৰুলৰ দৰে তেওঁৰ জনসসাধাৰণৰ মনত কবিতাৰেই স্বাধীনতাকামীসকলৰ মনত বিপ্লৱী উন্মাদনা সৃষ্টি কৰিছিল, বাংলা কবি নজৰুল ইছলামেও বাংলা

ডেকাৰ মন-প্ৰাণত নতুন উদ্দীপনা আৰু দেশাত্মবোধ সৃষ্টি কৰিছিল।

উল্লেখযোগ্য যে দুয়োগৰাকী কবিৰ জীৱনেই আছিল বিপ্লৱ। এই বিপ্লৱ জাতীয়তাবোধৰ ৰূপেৰে নজৰুল ইছলাম আৰু জ্যোতিপ্ৰসাদৰ কবিতাত দেশাত্মবোধৰ প্ৰকাশ কৰিছিল।■

# জ্যোতিপ্ৰসাদ আগৰৱালা আৰু নজৰুল ইছলামৰ কবিতাৰ কাব্যিক সৌন্দৰ্য

জ্যোতিপ্ৰসাদ আগৰৱালা আৰু নজৰুল ইছলাম ভাৰতৰ দুই প্ৰতিবেশী ৰাজ্যৰ প্ৰতিনিধিস্থানীয় কবিয়েই নহয় ভাৰতৰ ৰোমান্তিক যুগ, আনকি পৰৱৰ্তী যুগৰো দুই প্ৰতিনিধিস্বৰূপ। জ্যোতিপ্ৰসাদ আগৰৱালা আৰু নজৰুল ইছলামৰ প্ৰথম পৰ্যায়ৰ কবিতাত জাতীয়তাবাদী বিপ্লৱী সুৰ প্ৰতিধ্বনিত হ'লেও জ্যোতিপ্ৰসাদ আগৰৱালা আৰু নজৰুল ইছলামৰ কবিতাৰ কাব্যিক আবেদন অতি গভীৰ। ৰোমান্তিক আৰু বিপ্লৱী চেতনাই দুয়োগৰাকী কবিৰ কবিতাক এক বিশেষ বৈচিত্ৰ্য দান কৰিছে।

জ্যোতিপ্ৰসাদ আগৰৱালা আৰু নজৰুল ইছলামৰ কবিতাত ছন্দ, চিত্ৰকল্প, দুয়োগৰাকী কবিৰ ভাষা ওজস্বিতা তথা দুয়োগৰাকীৰ কবিতাত পৰিলক্ষিত হোৱা প্ৰাচীন ভাৰতীয় ঐতিহ্যই তেওঁলোকৰ কবিতাক কাব্যিক ৰমণীয়তা প্ৰদান কৰিছে।

**ছন্দ ঃ**

জ্যোতিপ্ৰসাদ আগৰৱালাৰ কবিতা অসমৰ ৰোমান্তিক যুগৰ সৃষ্টি হ'লেও, তেওঁৰ কবিতাত যৌগিক ছন্দৰ বান্ধোন দেখিবলৈ পোৱা নাযায় বৰং দেখা যায় মুক্তক ছন্দৰ ব্যৱহাৰ। সমাজৰ বাস্তৱ দৃষ্টিভঙ্গীক তেওঁৰ কবিতাৰ মূল বিষয় হিচাপে দেখা যায়। জ্যোতিপ্ৰসাদ আগৰৱালাৰ কবিতাত জনসাধাৰণৰ প্ৰতি সহানুভূতি অতি স্পষ্টকৈ গুঞ্জৰিত হৈছে। তেওঁ কবিতাত জনতাৰ অধিকাৰ চুৰ কৰি খোৱা পুঁজিপতি, ৰাজনীতিৰ ভণ্ড নেতাসকলক এইদৰে সাৱধান কৰিছে ঃ

সুবিধাবাদীৰ দল !

তোৰ মিছা হ'ব কৌশল,
ৰাইজৰ সেৱা চুৰ কৰি
বঢ়াব খুজিছ বল।
* * * * *
ঘৃণিত তোৰ অহংকাৰ নেতৃত্বাভিমান।
জনতাই তোৰ স্বৰূপ চিনিছে
সাৰধান সাৰধান

*(সাৰধান সাৰধান)*

অৱশ্যে,তেওঁৰ কবিতাত অন্ত্যমিল দেখা যায়, যিয়ে জ্যোতিপ্ৰসাদ আগৰৱালাৰ কবিতাক ছান্দিক সৌন্দৰ্য প্ৰদান কৰিছে। জ্যোতিপ্ৰসাদ আগৰৱালা আধুনিকতাবাদী কবি নহয়। কিন্তু তেওঁৰ কবিতাত আধুনিক দৃষ্টিভংগী লক্ষণীয়। তেওঁৰ কবিতাত নন্দনতাত্বিক দিশতকৈ কবিতাৰ বিষয়ৰ ওপৰতহে গুৰুত্ব দিছিল। তেওঁৰ কবিতাৰ বিষয় হৈছে মানুহ। আনন্দ বৰমুদৈয়ে জ্যোতিপ্ৰসাদৰ কবিতা সম্পৰ্কে কৈছে এইদৰে ঃ

"জ্যোতিপ্ৰসাদৰ কাব্যচিন্তা নন্দনতত্বৰ মাজতে
সীমিত নহয়, ই সামগ্ৰিক জীৱনক সামৰি লৈছে।"[৩১]

বাংলাকবি নজৰুল ইছলাম জ্যোতিপ্ৰসাদৰ সমসময়িক হ'লেও তেওঁলোকৰ কবিতাৰ নান্দনিক দিশত যথেষ্ট পাৰ্থক্য আছে। অৱশ্যে কিছু কিছু মিলো নথকা নহয়। সমাজৰ মানুহৰ সামগ্ৰিক জীৱন দৰ্শন নজৰুল ইছলামৰ কবিতাৰ বিষয়বস্তু । তেওঁৰ কবিতাৰ ছন্দসজ্জা আছিল অতি মোহনীয়। বাংলা সাহিত্যৰ ছন্দৰ তিনিটা ধাৰা— মিশ্ৰ কলাবৃত্ত আৰু দলবৃত্ত।[৩২]

নজৰুল ইছলামৰ কবিতাত এই তিনিওটা ধাৰাই অতি স্পষ্ট ৰূপত ৰূপায়িত হৈছে। তেওঁৰ কবিতাত মিশ্ৰকলাবৃত্ত ধাৰাৰ ছন্দসজ্জাৰ অধিক প্ৰয়োগ নাই।[৩৩] তেওঁ "সিন্ধু হিন্দোল" কাব্যপুথিৰ "দাৰিদ্ৰ্য" কবিতাত এইদৰে মিশ্ৰকলাবৃত্ত ছন্দৰ প্ৰয়োগ কৰিছে ঃ

"হে দাৰিদ্ৰ, তুমি মোৰে কৰেছ মহান।
তুমি মোৰে দানিয়াছ খ্ৰীষ্টেৰ সম্মান।

কন্টক মুকুট শোভা।”

কলাবৃত্ত ৰীতিৰ নজৰুল ইছলামৰ কবিতাত সৰ্বাধিক প্ৰয়োগ হৈছে। ৩৪

“ওগো ও কাজল/ মেয়ে ৬+২
উদাস আকাশ ছলছল চোখে তব মুখে আছে/ চেয়ে। ৬+৬+৬+২
কাশফুল সম/ শুভ্ৰ ধবল/ ৰাশ ৰাশ শ্বেত/ মেঘে ৬+৬+৬+২
তোমাৰ তৰীৰ/ উড়িতেছে পাল/ উদাস বাতাস/ লেগে!” ৬+৬+৬+২

নজৰুল ইছলাম আছিল কলাবৃত্ত ছন্দৰ সাধক। দলবৃত্তৰ ছন্দৰ প্ৰয়োগো তেওঁৰ কবিতাত নথকা নহয়।

‘(তোৰা সব) জয়ধ্বনি/কৰ (৩)+৪+১
(তোৰা সব) জয়ধ্বনি/ কৰ” (৩)+৪+১

নজৰুল ইছলাম বাংলা ছন্দৰ তিনিওটা ধাৰাৰ প্ৰয়োগৰ ক্ষেত্ৰত আছিল অগ্ৰণী।

**প্ৰতীকঃ**

প্ৰতীক হৈছে এনে এবিধ চিহ্ন বা বস্তু যিয়ে আন কোনো বস্তুক প্ৰতিচিত্ৰায়িত কৰে। অসমীয়া কবি জ্যোতিপ্ৰসাদ আৰু বাংলা কবি নজৰুলৰ কবিতাত আধুনিক প্ৰতীক চিত্ৰকল্পৰো সুন্দৰ প্ৰয়োগ দেখা যায়। যিহেতু দুয়োগৰাকী কবিয়ে কবিতাত সমাজ ব্যৱস্থাক গুৰুত্ব দিয়ে। গতিকে প্ৰতীক আৰু চিত্ৰকল্প তেওঁলোকৰ কবিতাত ব্যৱহৃত হোৱাটো স্বাভাৱিক। জ্যোতিপ্ৰসাদ আগৰৱালাৰ কবিতাত ভাৰতীয় প্ৰাচীন ঐতিহ্যই প্ৰতীকৰূপে উদ্ভাসিত হৈছে। ধনঞ্জয়, গাণ্ডীৰ, দধীচি, শিৱৰ জঁটা, সিংহৰ পোৱালী, ডম্বৰু প্ৰভৃতি প্ৰতীক জ্যোতিপ্ৰসাদৰ কবিতাত ব্যৱহৃত হৈ তেওঁৰ কাব্যিক জেউতি চৰাইছে। নজৰুল ইছলামৰ কবিতাতো জ্যোতিপ্ৰসাদৰ দৰে প্ৰাচীন ভাৰতীয় ঐতিহ্য প্ৰতীক ৰূপত ব্যৱহাৰ হোৱা দেখা গৈছে। তেৰোঁ দিগম্বৰ জঁটা, পৰশুৰামৰ কুঠাৰ, হল বলৰাম, কালীকা, সিংহ প্ৰভৃতি কবিতাত ব্যৱহাৰ কৰিছে। দুয়োগৰাকী কবিৰ কবিতাত প্ৰতীকৰ ব্যৱহাৰ উদাহৰণৰ সৈতে দাঙি ধৰা হ’ল ঃ

জ্যোতিপ্ৰসাদ ঃ

১। “অৰ্জুন মই, গাণ্ডীৰ মই,

ময়েই ধনঞ্জয়— মৃত্যু কৰিছোঁ জয়;"

*(অসমীয়া ডেকাৰ উক্তি)*

নজৰুল ঃ

২। "আমি পৰশুৰামেৰ কঠোৰ কুঠাৰ,
নিঃক্ষত্ৰিয় কৰিব বিশ্ব, আনিব শান্তি শান্ত উদাৰ!
আহি হল বলৰাম স্কন্ধে,
আমি উপাড়ি ফেলিব অধীন বিশ্ব অবহেলে নব সৃষ্টিৰ মহানন্দে।।"

*(বিদ্ৰোহী)*

**চিত্ৰকল্প ঃ**

চিত্ৰকল্প হৈছে কবিভাৱনাৰ বাংময় চিত্ৰ বিশেষ। চিত্ৰকৰে ৰং আৰু তুলিকাৰে চিত্ৰ অঁকাৰ দৰে কবিসকলেও কবিতাত বৰ্ণনীয় বিষয় স্পষ্ট আৰু উজ্জ্বল কৰি তুলিবলৈ কিছুমান ছবি অংকন কৰে। ইয়াকে চিত্ৰকল্প বোলে।[৩৫]

চিত্ৰকল্প প্ৰয়োগৰ ক্ষেত্ৰতো জ্যোতিপ্ৰসাদ আগৰৱালা আৰু নজৰুল ইছলামৰ কৃতিত্ব অভূতপূৰ্ব। অসমীয়া কবি জ্যোতিপ্ৰসাদে তেওঁৰ কবিতাত নন্দনতাত্ত্বিক দিশত বিশেষ গুৰুত্ব দিয়া নাই যদিও তেওঁৰ কবিতাত চিত্ৰকল্পৰ প্ৰয়োগ দেখা যায়। উদাহৰণস্বৰূপে ঃ

১। "বোকাত জনমা মানুহে আজি
আলোকলে উঠি আহে
বেলিমুৰা হৈ হাঁহে।।"

*(জনতাৰ আহ্বান)*

২। "সোণ ৰ'দালিয়ে উপজি পুৱাতে
সোণসুৰীয়াতে
উৰি আহি পৰি
বেলিৰে বতৰা
মোৰে কাণে কাণে কয়;"

*(গাঁৱৰ জীয়ৰী)*

নজৰুল ইছলামৰ কবিতাত কল্পচিত্ৰ বা চিত্ৰকল্পৰ প্ৰয়োগ তেওঁৰ কবিতাৰ

এটি বিশেষ বৈশিষ্ট্য। বাংলা সাহিত্যত ৰবীন্দ্ৰনাথ ঠাকুৰৰ পিছত চিত্ৰকল্পৰ প্ৰয়োগৰ ক্ষেত্ৰত নজৰুল ইছলামৰ নাম লোৱা হয়।

নজৰুল ইছলামৰ কবিতাত চিত্ৰকল্প প্ৰয়োগ উদাহৰেণেৰে দাঙি ধৰা হ'ল ঃ

১। "মম ললাটে ৰুদ্ৰ ভগবান জ্বলে ৰাজ ৰাজটীকা
দীপ্ত জয়শ্ৰীৰ"

*(অগ্নিবীণা)*

২। "আমি বিশ্বতোৰণে বৈজয়ন্তী,
মানব বিজয়কেতন"

*(অগ্নিবীণা)*

৩। "ঐ মহাকাল সাৰথি ৰক্ত তৰিৎ চাবুক হানে
ৰনিয়ে উঠে হ্রে যাৰ কাদন বজ্ৰ গানে
ঝড় তোফানে'

*(অগ্নিবীণা)*

**ভাষা ঃ**

জ্যোতিপ্ৰসাদ আগৰৱালা আৰু নজৰুল ইছলামৰ কবিতাৰ প্ৰতীক আৰু চিত্ৰকল্পৰ সুন্দৰ প্ৰয়োগ হৈছে যদিও, দুয়োজন মানুহৰ কবি। গতিকে দুয়োগৰাকী কবিৰ কবিতাৰ ভাষাই উদাত্তকণ্ঠে মানুহৰ জয়গান কৰিছে। জ্যোতিপ্ৰসাদ আগৰৱালা আৰু নজৰুল ইছলাম জাতীয়তাবাদী কবি। দুয়োগৰাকী কবিয়ে নিজস্ব ভাষাৰ প্ৰতিও বিশেষ গুৰুত্ব দেখুৱাইছে। অসমীয়া ভাষাৰ প্ৰতি থকা তেওঁৰ দায়িত্ব তথা শ্ৰদ্ধাৰ কথা অতি সুন্দৰকৈ বৰ্ণনা কৰিছে ঃ

ঠুনুক্ ঠানাকৈ অমিয়া বৰষা
অমাতৰ মাত যেন কোৱা যিটো ভাষা,
অসমীয়া ভাষা মোৰ বৰ মৰমৰ,
জ্বলন্ত সাধনা মোৰ কত জনমৰ।"

*(অসমীয়া ভাষাৰ কাৰণে কবিৰ প্ৰাৰ্থনা)*

জ্যেতিপ্ৰসাদ আগৰৱালাৰ কবিতাৰ ভাষা নিভাঁজ, সৰল আৰু আঁৰ নলগা। তেওঁৰ কবিতাত জটিল শব্দৰ প্ৰয়োগ দেখা নাযায়। সহজ সৰল সহজ অসমীয়া ভাষাৰে তেওঁ কবিতাত মানৱতাৰ জয়গান কৰিছে। অৱশ্যে জ্যোতিপ্ৰসাদ

আগৰৱালাৰ কবিতাৰ ভাষাত বিপ্লৱী সুৰ অতি সুন্দৰকৈ প্ৰকাশিত হৈছে। জ্যোতিপ্ৰসাদৰ সমস্ত কবিতাৰ মাজেৰে তেওঁৰ ভাষাৰ ক্ষেত্ৰত থকা ওজস্বিতা অতি স্পষ্টৰূপত পৰিলক্ষিত হয়। জ্যোতিপ্ৰসাদৰ কবিতাত তৎসম শব্দৰ প্ৰয়োগ লক্ষণীয়।

উদাহৰণস্বৰূপে ঃ

ক) কিন্নৰী
খ) ৰুদ্ৰতাল
গ) মহাকাল
ঘ) ৰুদ্ৰ
ঙ) তাণ্ডৱ
চ) সূৰ্য
ছ) জঁটা
জ) মহাকাল
ঝ) ওঙ্কৰধ্বনি
ঞ) সিংহনাদ

প্ৰভৃতি।

বাংলা কবি নজৰুল ইছলামৰ কবিতাতো ভাষাৰ ওজস্বিতা লক্ষণীয়। তেৰোঁ কবিতাত তৎসম শব্দৰ ব্যাপক প্ৰয়োগ কৰিছে। নজৰুল ইছলামৰ কবিতাত ভাষাৰ যি বিপ্লৱাত্মক সুৰ, সেয়া বাংলা সাহিত্যৰ অন্যতম শ্ৰেষ্ঠ। নজৰুল ইছলাম আছিল আজন্ম বিপ্লৱী। তেওঁৰ কবিতাত বিপ্লৱী সুৰ অতি স্পষ্টৰূপত ধ্বনিত হৈছে। তেওঁৰ কবিতাৰ ভাষাও সৰল সহজ তথা জটিল শব্দৰ ব্যৱহাৰ পৰা মুক্ত। নজৰুল ইছলামৰ কবিতাত ব্যৱহৃত তৎসম শব্দই তেওঁৰ কবিতাৰ জেউতি চৰাইছে।

উদাহৰণস্বৰূপে ঃ

ক) জঁটা
খ) প্ৰলয়
গ) পৰশুৰাম
ঘ) নটৰাজ
ঙ) পাষাণ

চ) হিমাদ্ৰী
ছ) দুৰ্বাসা
জ) চণ্ডী
ঝ) কালী
ঞ) হলাহল
ট) গংগোত্ৰী
ঠ) মহাপ্ৰলয়
ড) শংখ
ঢ) জগৎমাতা

প্ৰভৃতি।

নজৰুল ইছলামৰ কবিতাৰ ভাষাই এফালে তেওঁৰ কাব্যিক সৌন্দৰ্য বঢ়াইছে, আনফালে বাংলা ভাষাৰ গৌৰৱ বৃদ্ধি কৰিছে। অসমীয়া কবি জ্যোতিপ্ৰসাদ আগৰৱালাৰ কবিতাৰ ভাষায়ো অসমীয়া ভাষাৰ গৌৰৱ বঢ়াইছে। দুয়োগৰাকী কবি সমসাময়িক। দুয়োজনৰে আৰ্বিভাৰ অসম আৰু বংগৰ কাব্যিক আন্দোলনৰ আশীৰ্বাদস্বৰূপ। এই দুয়োজন কবিৰ হাতত অসমীয়া ভাষা আৰু বাংলা ভাষাই বিশেষ মৰ্যাদা লাভ কৰিবলৈ সক্ষম হৈছে।

জ্যোতিপ্ৰসাদ আগৰৱালা আৰু নজৰুল ইছলামৰ কবিতা শিল্পতত্ত্বৰ দিশত যথেষ্ট উন্নত। যদিও দুয়োগৰাকী কবিৰ কাব্যিক সৌন্দৰ্যবৰ্দ্ধন নহয়, তথাপি তেওঁলোকৰ সাধনাৰ ফলশ্ৰুতিতেই জ্যোতিপ্ৰসাদ আৰু নজৰুলৰ কাব্যিক সৌন্দৰ্য কবিতাৰ শিৰে শিৰে লক্ষণীয়। ■

# পাদটীকা

১। শৰ্মা, সত্যেন্দ্ৰ নাথ (মুখ্য সম্পাঃ) ঃ জ্যোতিপ্ৰসাদ ৰচনাৱলী; পৃঃ ১৭৮

২। বৰুৱা, প্ৰহ্লাদ কুমাৰ ঃ জ্যোতি মনীষা ; পৃঃ ১২

৩। খান, আজাহাৰউদ্দিন ঃ বাংলা সাহিত্যে নজৰুল, পৃ. ২৫

৪। 'কাজী', মানে — বিচাৰপতি

৫। 'লেটো', নামটো নাটকৰ পৰা অহা। লেটো সংগীত যুক্ত যাত্ৰাৰ নিচিনা।

৬। 'আড্ডা' বুলিলে মানুহে জুম পাতি কৰা বিভিন্ন আলোচনাক বুজা যায় যদিও কলিকতাত সেই সময়ত জ্যেষ্ঠ সাহিত্যিকসকলে একেলগ হৈ আলোচনা কৰা প্ৰথাটোও এক বিশেষ আড্ডা আছিল।

৭। দত্ত, মিলন ঃ নজৰুল জীৱন চৰিত, পৃঃ ২২৮

৮। নজৰুল ইছলামৰ ৰচনা কৃতিসমূহ আজাহাৰউদ্দিন খান ৰচিত "বাংলা সাহিত্যে নজৰুল"; ড° মিলন দত্ত ৰচিত 'নজৰুল জীৱন চৰিত' আৰু সৌমিত্ৰ লাহিড়ী (সম্পাঃ) 'সৃজন প্ৰতিভা নজৰুল' নামৰ গ্ৰন্থ তিনিখনৰ পৰা লোৱা হৈছে।

৯। ৰায়, নীলমোহন ঃ প্ৰেমভাৱনা আৰু অসমীয়া ৰোমান্তিক কবিতা; পৃঃ ১২৭

১০। পূৰ্বোক্ত গ্ৰন্থ, পৃঃ ১২৯

১১। উক্ত উদ্ধৃতি ড° নীলমোহন ৰায়ৰ প্ৰেমভাৱনা আৰু অসমীয়া

ৰোমান্তিক কবিতাৰ পৰা উদ্ধৃত কৰা হৈছে ।
১২। ৰায়, নীলমোহন ঃ প্ৰেমভাৱনা আৰু অসমীয়া ৰোমান্তিক কবিতা , পৃঃ ১৩০
১৩। শৰ্মা, সত্যেন্দ্ৰ নাথ (মুখ্য সম্পাঃ) ঃ জ্যোতিপ্ৰসাদ ৰচনাৱলী; পৃঃ ৩৯৫
১৪। লাহিড়ী, সৌমিত্ৰ ( সম্পাঃ) 'সৃজন প্ৰতিভা নজৰুল'
১৫। খান, আজাহাৰউদ্দিন, ঃ বাংলা সাহিত্যে নজৰুল; পৃঃ ৫১১
১৬। কাজী নজৰুল ইছলাম ৰচনা সমগ্ৰ (২য় খণ্ড), পৃঃ ৪২৯
১৭। কাজী নজৰুল ইছলাম ৰচনা সমগ্ৰ (১ম খণ্ড), পৃঃ ৪৩০
১৮। উক্ত উক্তি শাৰী উপেন্দ্ৰ নাথ শৰ্মাৰ 'কবিতাৰ ভাষা আৰু অন্যান্য প্ৰবন্ধ'— গ্ৰন্থত সন্নিৱিষ্ট 'জ্যোতি প্ৰসাদৰ কবিতা' শীৰ্ষক প্ৰবন্ধৰ মাজত উল্লিখিত।
১৯। খান, আজাহাৰউদ্দিন, ঃ বাংলা সাহিত্যে নজৰুল; পৃঃ ৫১১
২০। কাজী নজৰুল ইছলাম ৰচনা সমগ্ৰ (১ম খণ্ড), পৃঃ ৪৩০
২১। বৰুৱা, প্ৰহ্লাদ কুমাৰ ঃ জ্যোতি মনীষা ; পৃঃ ২৫৮
২২। পূৰ্বোক্ত গ্ৰন্থ, পৃঃ ২৫৯
২৩। শৰ্মা, সত্যেন্দ্ৰ নাথ (মুখ্য সম্পাঃ) ঃ জ্যোতিপ্ৰসাদ ৰচনাৱলী; পৃঃ ২১৬
২৪। লাহিড়ী ,সৌমিত্ৰ ( সম্পাঃ) 'সৃজন প্ৰতিভা নজৰুল' (আব্দুল হালিম ঃ বিদ্ৰোহী বাংলাৰ কবি) পৃষ্ঠা - ৯১
২৫। খান, আজাহাৰউদ্দিন, ঃ বাংলা সাহিত্যে নজৰুল; পৃঃ ৫৪০
২৬। বৰুৱা, প্ৰহ্লাদ কুমাৰ ঃ জ্যোতি মনীষা ; পৃঃ ২৬৪
২৭। লাহিড়ী ,সৌমিত্ৰ (সম্পাঃ) 'সৃজন প্ৰতিভা নজৰুল' পৃষ্ঠা -৯১
২৮। কাজী নজৰুল ইছলাম ৰচনা সমগ্ৰ (৪ৰ্থ খণ্ড) ; পৃঃ ৪৩০
২৯। বৰুৱা, প্ৰহ্লাদ কুমাৰ ঃ জ্যোতি মনীষা ; পৃঃ ৫
৩০। পূৰ্বোক্ত গ্ৰন্থ, পৃঃ ২৭৫
৩১। শইকীয়া চন্দ্ৰপ্ৰসাদ (সম্পা) ঃ গৰীয়সী (আনন্দ বৰমুদৈ ঃ

জ্যোতিপ্ৰসাদৰ কবিতাত কাব্যচিন্তা); পৃষ্ঠা, ১১২
৩২। লাহিড়ী, সৌমিত্ৰ (সম্পাঃ) 'সৃজন প্ৰতিভা নজৰুল' (সুমিতা চক্ৰৱৰ্তীৰ প্ৰবন্ধ ছন্দশিল্পী নজৰুল), পৃঃ ১৪৬
৩৩। পূৰ্বোক্ত গ্ৰন্থ, পৃঃ ১৪৬
৩৪। পূৰ্বোক্ত গ্ৰন্থ, পৃঃ ১৪৭
৩৫। লাহিড়ী, সৌমিত্ৰ (সম্পাঃ) 'সৃজন প্ৰতিভা নজৰুল' গ্ৰন্থৰ মুজীবুৰ ৰহমানৰ প্ৰবন্ধ কবি নজৰুল ইছলামৰ পৰা গৃহীত পৃঃ ৮২

# গ্ৰন্থপঞ্জী

**অসমীয়া ঃ**

কলিতা, পুলিন ঃ জ্যোতিপ্ৰসাদৰ জোনাকীবাট; বনলতা পাণবজাৰ, গুৱাহাটী-১, প্ৰথম সংস্কৰণ নৱেম্বৰ ২০০৫ চন

ছাত্তাৰ, আব্দুছ (অনুবাদ) ঃ কাজী নজৰুল ইছলাম; সাহিত্য অকাডেমী, ৰবীন্দ্ৰভৱন, ৩৫ ফিৰোজ-শ্বাহৰোড, নতুন দিল্লী, প্ৰথম প্ৰকাশ ১৯৭৯ চন

বেজবৰা, নীৰাজনা মহন্ত ঃ তুলনামূলক ভাৰতীয় সাহিত্য; বনলতা, ডিব্ৰুগড়-১, প্ৰথম প্ৰকাশ, ১৯৯৯ চন

.............................. ঃ পটভূমিকাত তুলনামূলক সাহিত্য; বনলতা, ডিব্ৰুগড়-১, প্ৰথম সংস্কৰণ নৱেম্বৰ ২০০২ চন

বৰুৱা, প্ৰহ্লাদ কুমাৰ ঃ জ্যোতিমনীষা, বনলতা, ডিব্ৰুগড়-১ দ্বিতীয় প্ৰকাশ মাৰ্চ ১৯৯৭ চন

ৰায়, নীলমোহন ঃ প্ৰেমভাৱনা আৰু অসমীয়া ৰোমাণ্টিক কবিতা; নৱজীৱন প্ৰকাশন, দিছপুৰ, গুৱাহাটী-৬ প্ৰথম প্ৰকাশ ডিচেম্বৰ ২০০০ চন

.............................. ঃ আধুনিক অসমীয়া কবিতা ঃ বিচাৰ আৰু বিশ্লেষণ; কে.এম. পাৱলিছিং (গুৱাহাটী) প্ৰথম প্ৰকাশ ২০০৩ চন

শইকীয়া, চন্দ্ৰ প্ৰসাদ (সম্পাঃ) ঃ গৰীয়সী (দশম বছৰ চতুৰ্থ সংখ্যা); সাহিত্য প্ৰকাশন (ট্ৰিবিউন ভৱন) গুৱাহাটী-৩ জ্যোতিপ্ৰসাদ শতবৰ্ষ অৰ্ঘ্য; জানুৱাৰী ২০০৩ চন

শৰ্মা, উপেন্দ্ৰ নাথ : কবিতাৰ ভাষা আৰু অন্যান্য প্ৰবন্ধ; জয়দেৱ শৰ্মা-ভবানী দেৱী প্ৰকাশন, নতুন শৰণীয়া, গুৱাহাটী- ৩, প্ৰথম প্ৰকাশ, জুন, ২০০৫ চন

শৰ্মাদলৈ, হৰিনাথ : অসমীয়া সাহিত্যৰ পূৰ্ণ ইতিহাস; পদ্মপ্ৰিয়া লাইব্ৰেৰী, শান্তিপুৰ, নলবাৰী (অসম) প্ৰথম প্ৰকাশ ডিচেম্বৰ, ২০০০ চন

শৰ্মা, সত্যেন্দ্ৰ নাথ (সম্পাঃ): জ্যোতিপ্ৰসাদ ৰচনাৱলী; অসম প্ৰকাশন পৰিষদ, গুৱাহাটী চতুৰ্থ সংস্কৰণ, ডিচেম্বৰ ১৯৯৯ চন

শৰ্মা, সত্যেন্দ্ৰ নাথ : অসমীয়া সাহিত্যৰ সমীক্ষাত্মক ইতিবৃত্ত; প্ৰকাশিকা প্ৰতিমা দেৱী, ৰিহাবাৰী গুৱাহাটী —৮ সপ্তম সংস্কৰণ ১৯৯৬ চন

**বাংলা ঃ**

কাজী, কল্যাণী (সম্পাঃ) : শতকথায় নজৰুল; সাহিত্যমঞ্জ, ১৮ বি.শ্যামাচৰণ দে ষ্ট্ৰীট, কলকাতা — ৭৩ প্ৰকাশৰ সময় অনুল্লিখিত

কাজী নজৰুল ইছলাম ৰচনা সমগ্ৰ
(পাঁচটা খণ্ড) :
প্ৰথম খণ্ড, প্ৰথম প্ৰকাশ ২০০১
দ্বিতীয় খণ্ড, প্ৰথম প্ৰকাশ ২০০১
তৃতীয় খণ্ড, প্ৰথম প্ৰকাশ ২০০২
চতুৰ্থ খণ্ড, প্ৰথম প্ৰকাশ ২০০৩
পঞ্চম খণ্ড, প্ৰথম প্ৰকাশ ২০০৪
প্ৰকাশক : পশ্চিমবংগ বাংলা অকাদেমি, ১/১ আচাৰ্য জগদীশ চন্দ্ৰ বসু ৰোড (কলকাতা)

খান, আজাহাউদ্দিন : বাংলা সাহিত্যে নজৰুল; সুপ্ৰিম পাবলিশাৰ্স, ১০ এ, বংকিম চ্যাটাৰ্জী ষ্টিট (কলকাতা),

সপ্তম সংস্কৰণ এপ্ৰিল ২০০৪ চন

দে, বিশ্বনাথ (সম্পাঃ) ঃ নজৰুল স্মৃতি; শতবৰ্ষ সংস্কৰণ ১৯৮৮ সাহিত্যম্ ১৮ বি, শ্যামাচৰণ দে ষ্ট্ৰিট (কলকাতা)

বন্দ্যোপাধ্যায়, অসিত কুমাৰ ঃ বাংলা সাহিত্যেৰ সম্পূৰ্ণ ইতিবৃত্ত; মডাৰ্ণবুক এজেন্সী প্ৰাইভেট লিমিটেড ১০ এ, বংকিম চ্যাটাৰ্জী ষ্ট্ৰিট, কলকাতা, দ্বাদশ সংস্কৰণ ১৯৯২ চন

লাহিড়ী, সৌমিত্ৰ (সম্পাঃ) ঃ সৃজনপ্ৰতিভা নজৰুল; অনুভৱ, ৫১ ঝামাপুকুৰ লেন, কলকাতা, প্ৰথম প্ৰকাশ ২৫ বৈশাখ ১৪০৬

**English :**

Joshi, Umashankar : The Idia of Indian Literature; Sahitya Akademi, Rabindra Bhawan 35, Ferozeshah Road, New Delhi, 1st. Published 1990